


# নবজ্যোতি মহাবিদ্যালয়
## কলগাছিয়া

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

# নৱজ্যোতি

একত্রিশংতিতম আলোচনী
ইং ২০১৮-১৯

তত্বাৱধায়কদ্বয়
চৈয়দ কাইয়ুম কবীৰ আহমেদ
নয়নমণি দেৱী

সম্পাদক
আব্দুল ওৱাহিদ

# নৱজ্যোতি মহাবিদ্যালয়ৰ কিছুমান স্মৃতিৰ পোহৰৰ ছবি



চতুৰ্থ ষাণ্মাসিকৰ পৰিবেশ বিজ্ঞান পাঠ্যক্ৰমৰ অৰ্ন্তগত ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপিকা সকলৰ এটি দল (বেঁকী নদীৰ পাৰৰ কৰাবকুৰ)




মহাবিদ্যালয় শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰৰ এটি মূহুৰ্ত



বৰপেটা জিলা ভিত্তিত আয়োজিত আন্তঃ মহাবিদ্যালয় ভলীবল ক্ৰীড়া প্ৰতিযোগিতাৰ বিজয়ী দল নৱজ্যোতি মহাবিদ্যালয়ৰ খেলুৱৈ সকলৰ একাংশৰ সৈতে আমাৰ সন্মানীয় অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকা সকল



নৱজ্যোতি মহাবিদ্যালয়লৈ শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে অহা হাইস্কুলৰ শিক্ষাৰ্থী সকলৰ সৈতে গ্ৰন্থাগাৰিকৰ অন্তৰংগ আলাপৰ দৃশ্য



ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক সন্মানীয় ড° যোগেন্দ্ৰ ঝাৰ বিদায় উপলক্ষে আয়োজন কৰা বিদায়ী সভাৰ এটি মূহুৰ্ত



নৱজ্যোতি মহাবিদ্যালয়ৰ ২০১৯ চনৰ শিক্ষক দিৱস অনুষ্ঠানৰ এটি মূহুৰ্ত



অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ বাবে প্ৰয়োজনীয় বিভাগীয় পৰিদৰ্শনলৈ অহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ দল সমন্বিতে মাননীয় অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা সকল

## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# নৱজ্যোতি

(নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজিৰে প্ৰকাশিত)




একত্ৰিংশতিতম বাৰ্ষিক আলোচনী

২০১৮-১৯ বৰ্ষ

শ্ৰদ্ধাৰে / মৰমেৰে, ..................................................................

শ্ৰী/শ্ৰীমতি ..................................................................

..................................................................ৰ হাতত তুলি দিয়া হ'ল। ধন্যবাদ।

..................................................................

সম্পাদক
আব্দুল ওৱাহিদ

তত্ত্বাৱধায়কদ্বয়
চৈয়দ কাইয়ুম কবীৰ আহমেদ
নয়নমণি দেৱী

"Nabajyoti" An Annual Magazine, Published by Editorial Board, Magazine Nbajyoti College, Kalgachia.

# সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি | ঃ ড° ছাহজাহান আলী আহমেদ, অধ্যক্ষ নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া। |
| তত্বাৱধায়কদ্বয় | ঃ চৈয়দ কাইয়ুম কবীৰ আহমেদ, সহযোগী অধ্যাপক ৰসায়ন বিজ্ঞান বিভাগ। |
| | ঃ নয়নমনি দেৱী, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ। |
| সম্পাদক | ঃ আব্দুল ওৱাহিদ, আলোচনী বিভাগ। |
| সদস্য | ঃ ড° এম এইচ শ্বেইখ, সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ। |
| | ঃ চাহাবুদ্দিন খান, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ। |
| | ঃ শাচমুল আলম, সহকাৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ। |
| বেটুপাতৰ পৰিকল্পনা আৰু অংগ সজ্জা | ঃ চৈয়দ কাইয়ুম কবীৰ আহমেদ |
| ফটোগ্ৰাফী | ঃ মিফতাউল আবেদ খান |
| বেটুপাত অংকন | ঃ ছালেহ আক্ৰাম |
| অক্ষৰ বিন্যাস | ঃ দেৱান ছামচুল আলম |

মুদ্ৰণ ঃ ফিদা আৰ্ট, কলগাছিয়া ঃঃ ফোন ঃ ৯৭০৭৪৯১২৬৯

# উৎসৰ্গা

যিসকল ভৱিষ্যতদ্ৰষ্টা, বিদ্যানুৰাগী ব্যক্তিৰ অসীম উদ্যমিতা আৰু আত্মত্যাগী প্ৰচেষ্টাৰ ফলশ্ৰুতিত আজিৰ পৰা প্ৰায় পাচ দশকৰ আগেয়ে বৃহত্তৰ কলগাছিয়াৰ এই কুমাৰী মাটিত প্ৰোথিত হোৱা নৱজ্যোতি মহাবিদ্যালয় নামৰ এবিধনিমান এটি বীজৰ পৰা অলেখ মৰম আৰু আপডালৰ মাজেৰে আজি যি এডালি বিশাল মহীৰুহ স্বৰূপ নৱজ্যোতি মহাবিদ্যালয়ৰ সৃষ্টি হ'ল, সেইসকল জীৱিত আৰু মৃত ব্যক্তিৰ ওচৰত নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ একত্ৰিশংতিতম সংখ্যাটি আন্তৰিকতাৰে উৎসৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি।

## সম্পাদনা সমিতিৰ টোকা

আলোচনীখনত প্ৰকাশিত লিখনি সমূহ লেখক লেখিকা সকলৰ নিজা সৃষ্টিশীলতাৰ ফচল বুলি গন্য কৰা হৈছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে কিছুমান লিখনিৰ ওপৰত হাত বুলোৱা হৈছে। যদি কোনোৱে আনৰ লিখনি সম্পূৰ্ণ ভাৱে বা আংশিক ভাবে নকল কৰিছে আৰু অজ্ঞাতে আলোচনীখনত ঠাই পাইছে সেয়া গৰিহনা যোগ্য। তাৰ বাবে আলোচনী সম্পাদনা সমিতি দায়ী নহয়। অনিচ্ছাকৃত ভুলৰ বাবে সম্পাদনা সমিতি সকলোৱে ওচৰত ক্ষমা প্ৰাৰ্থী।


*Abdul Khaleque*, M.A. (DOUBLE)
**MEMBER OF PARLIAMENT,**
6 No. Barpeta Lok Sabha Constituency

**Residence**
Present: 223, Assam House Lokopriya
Gopinath Bordoloi Marg
Chanakayapuri, New Delhi
Permanent: Vill- Bartari, P.O. Langla
P.S. Kalgachia, Dist. Barpeta
Email: makhaleque@yahoo.com
Call: +91 94351-15864




## শুভেচ্ছা বাণী

অইন অইন বছৰৰ দৰে এই বেলিও নৰজ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ তথা সাহিত্য আলোচনী "নৰজ্যোতি" প্ৰকাশৰ বাবে যো-জা কৰাৰ কথা জানিব পাই মই নথৈ আনন্দিত হৈছো।

নৰজ্যোতি মহাবিদ্যালয়ৰ সাহিত্য আলোচনী "নৰজ্যোতি" য়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হওঁক। ছাত্ৰ-ছাত্ৰী সকলে যাতে নিৰলস সাহিত্য চৰ্চাৰ মাজেৰে ৰাজ্যখনৰ সাহিত্যৰ ক্ষেত্ৰখনত অইন দহজনৰ দৰে নিজাকৈ উজলাই ৰাখিব পাৰে তাৰ কামনা কৰিছোঁ।

অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, অভিভাৱক, পৰিচালনা কমিটি আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে সামগ্ৰীক প্ৰচেষ্টাত সোণালী জয়ন্তীবৰ্ষৰ দুৱাৰদলিত উপনীত হোৱা মহাবিদ্যালয়খন এক উৎকৃষ্টতাৰ কেন্দ্ৰ হোৱাৰ পিনে আগবাঢ়িব বুলি আশা ৰাখিছো।

সদৌটিলৈ আন্তৰিক শুভেচ্ছাৰে—

সাংসদ,
বৰপেটা লোকসভা সমষ্টি

*Hafiz Dr. Rafiqul Islam*
*Member of Legistive Assembly*
*44-Jania*

सत्यमेव जयते

*Address:*
*2./No. 78-Old MLA Hostel*
*Dispur, Guwahati-78105*
*Mobile: +91 99574 17250*
*Email: refiqulislammlajania@gmail.com*



# Message

It gives me immense pleasure to know that Nabajyoti College, Kalgachia is going to bring out its annual magazine "Nabajyoti" of the season 2018-19 shortly.

It is a matter of pride to pen down the message for "Nabajyoti" the Annual College Magazine of Nabajyoti College, Kalgachia.

Academic excellence along with co-curricular activities and extra curricular activities complete the process of education. The college magazine is a platform for the students that offers ample opportunities to them to pursue their creative activities.

I wish Nabajyoti College, Kalgachia a grand success in all its endeavors.

**Rafiqul Islam**
**MLA**
**44 Jania LAC**

*Md. Alauddin, I.A.S. (Retd.)*
*President*
*Governing Body*
*Nabajyoti College, Kalgachia*

*Phone- 03666284422 (O)*



# শুভেচ্ছা বাণী

২০১৮-১৯ ইং বৰ্ষৰ নৱজ্যোতি মহাবিদ্যালয়ৰ সাহিত্য আলোচনী “নৱজ্যোতি” প্ৰকাশ হব বুলি জানিবলৈ পাই অতি আনন্দিত হৈছো।

উচ্চ শিক্ষাৰ অনুষ্ঠান এখনত বছৰেকীয়া সাহিত্য আলোচনী এখনৰ গুৰুত্ব অপৰিসীম। এনে এখন আলোচনী ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ বাবে অপৰিহাৰ্য্য। আশা ৰাখিছো নৱজ্যোতি মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সকলে আলোচনীখনৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা, বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ সুযোগ পোৱাৰ লগতে এই আলোচনীখনত শিক্ষা, সাহিত্য, সংস্কৃতি আদি জীৱন বিষয়ক মূল্যবান লিখনি প্ৰকাশ পাব।

নৱজ্যোতি মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠনখনৰ অধ্যাপক, অধ্যাপিকা, শিক্ষাৰ্থী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

(মহঃ আলাউদ্দিন)
সভাপতি,
পৰিচালনা সমিতি
নৱজ্যোতি মহাবিদ্যালয় কলগাছিয়া।

OFFICE OF THE PRINCIPAL

# NABAJYOTI COLLEGE, KALGACHIA

P.O.- Kalgachia, Dist.- Barpeta (Assam), PIN- 781319

Estd.- 1971

From,

*Dr. Shahjahan Ali Ahmed*

M.A., M.Phil., Ph.D.

Principal & Secretary

Nabajyoti College, Kalgachia

Ph. 03666-284435 (O)
+91 9954090780 (M)

e-mail: shahjahan_max@yahoo.com.in
nabajyoticollege@gmail.com

Ref. No.-

Date-



## অধ্যক্ষৰ মেজৰ পৰা.....

অইন অইন বছৰৰ দৰে এইবেলি ২০১৮-১৯ ইং বৰ্ষৰ বাবে এই মহাবিদ্যালয়খনিৰ মুখপত্ৰ স্বৰূপ সাহিত্য আলোচনী "নৱজ্যোতি" প্ৰকাশৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি জানি নথৈ আনন্দিত হৈছো। পঞ্চাশটি বছৰ গৰকিবলৈ ওলোৱা উদ্দাম গতিৰ এই মহাবিদ্যালয় খনে এতিয়া আৰু পিছলৈ ঘূৰি চোৱাৰ অৱকাশ নাই। প্ৰতিবছৰে আগমন হোৱা মেধা সম্পন্ন অলেখ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বৌদ্ধিক সৌন্দৰ্য্য গুনোত্তৰ ভাবে বৃদ্ধি কৰি আহিছে। এনে সৌন্দৰ্য্যত অৰিহনা যোগাই আহিছে নৱজ্যোতি মহাবিদ্যালয়ৰ সাহিত্য আলোচনী "নৱজ্যোতি"য়েও। আমি কামনা কৰো সাহিত্য আলোচনী "নৱজ্যোতি"ৰ পৃষ্ঠাই। লিপিবদ্ধ হওক ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য প্ৰতিভা। তদুপৰি ইয়াত প্ৰকাশিত সৃষ্টিশীল সাহিত্য কৰ্ম সমূহত প্ৰতিফলিত হওক চৌপাশৰ বিশাল জনজীৱনৰ আশা আকাংখা, অচঞ্চল হাঁহি আৰু আনন্দৰ বতৰা লগতে মহাবিদ্যালয় খনিৰ বিভিন্ন দিশৰ উৎকৰ্ষ সাধনৰ গৌৰৱ গাথা।

উদ্যোক্তা সকলৰ বিৰামহীন শ্ৰম, অইন অইন কুশলী ব্যক্তি সমূহৰ প্ৰচেষ্টা, সাহিত্য প্ৰেমী লেখক লেখিকা সকলৰ উৎকৃষ্ট মানদণ্ডৰ লিখনি সমূহে এখন অনিন্দসুন্দৰ আলোচনীৰ সৃষ্টি কৰে। এনে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাসকল, বিভাগীয় তত্বাৱধায়ক প্ৰমুখ্য কৰি সম্পাদনা সমিতিৰ সদস্য সকল আৰু অনন্য কুশলী ব্যক্তিক মই মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছো। শেষত এখনি সবাংগসুন্দৰ আলোচনী প্ৰকাশ হোৱাৰ কামনাৰে.......

ড° এছ এ আহমেদ

অধ্যক্ষ

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।




কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ

ড° ছাহজাহান আলী আহমেদ



আলোচনী সম্পাদনা সমিতি ঃ ২০১৮-১৯ ইং বৰ্ষ

বাওঁফালৰ পৰা ক্ৰমে ঃ আব্দুল ওৱাহিদ ; পদেন সম্পাদক, নৰজ্যোতি, অধ্যাপক শামচুল আলম ; সদস্য, অধ্যাপক ছাকেৰ উদ্দিন খান ; সদস্য, অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ ; সভাপতি, অধ্যাপক ড° মোঃ শ্বাহাজামাল শ্বেইখ ; সদস্য, অধ্যাপক চৈয়দ কাইয়ুম কবীৰ আহমেদ ; তত্বাৱধায়ক, অধ্যাপিকা নয়নমণি দেৱী ; তত্বাৱধায়িকা ।

# সম্পাদকীয়

প্ৰতিবেদনৰ আৰম্ভনিতেই যি সকল মহান ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ আৰু পৰিশ্ৰমৰ ফলত সংখ্যালঘু অধ্যুষিত কলগাছিয়াৰ নিচিনা অনগ্ৰসৰ অঞ্চলত নৰজ্যোতি মহাবিদ্যালয়ৰ দৰে এখন বিদ্যামন্দিৰ গঢ়ি উঠিবলৈ সক্ষম হৈছে সেই সকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ। সেই মহান ব্যক্তি সকলৰ ভিতৰত যি সকল আমাৰ মাজত জীয়াই আছে সেই সকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু যি সকল এই সংসাৰৰ পৰা চিৰ বিদায় লৈছে, সেই সকলৰ আত্মাৰ সদগতি কামনা কৰিছোঁ।

২০১৯-২০ ইং বৰ্ষৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাৰ কেইদিন মান পিছতেই আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ে বিশেষ কাৰণবশতঃ ২০১৮-২০১৯ ইং বৰ্ষৰ আলোচনী সম্পাদকপদৰ দৰে গুৰুত্বপূৰ্ণ পদৰ দায়িত্ব প্ৰদান কৰি নৰজ্যোতি মহাবিদ্যালয়ক আৰু অধিক সেৰা কৰাৰ সুযোগ প্ৰদান কৰে। এনে এক সন্মানীয় পদ মোক দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

নৰজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক সাহিত্য আলোচনী নৰজ্যোতি প্ৰকাশৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীয়ে নিজৰ লিখনিৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সৎ-উপদেশ আৰু দিহা পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে তত্বাৱধায়কদ্বয় চৈয়দ কাইয়ুম কবীৰ আহমেদ ছাৰ আৰু নয়নমণি দেৱী বাইদেউৰ লগত সম্পাদনা সমিতিৰ সমূহ সদস্যক মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নয়ণমণি বাইদেউৱে ছাত্ৰ-ছাত্ৰী সকলৰ পৰা কবিতা, প্ৰবন্ধ আদি সংগ্ৰহ কৰি মোৰ হাতত তুলি দি মোক যিখিনি সহায় কৰিলে তাৰ বাবে বাইদেউৰ ওচৰত মোৰ কৃতজ্ঞতা জনালোঁ।

মাননীয় অধ্যক্ষ মহোদয়ে আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি মোক যথেষ্ট উৎসাহ দিছে। সেইবাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত আলোচনীখন প্ৰকাশ কৰি আপোনালোকৰ হাতত তুলি দিলোঁ যদিও আলোচনীখনত থকা অজানিত ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ। সদৌ শেষত নৰজ্যোতি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু নৰজ্যোতি মহাবিদ্যালয়
জয় আই অসম

ধন্যবাদেৰে
আব্দুল ওৱাহিদ
পদেন আলোচনী সম্পাদক,
নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

# "নৱজ্যোতি"ৰ পাতে পাতে.......



## প্ৰবন্ধ সম্ভাৰ


| | | |
|---|---|---|
| * সাম্প্ৰতিক সময়ত কিশোৰ আৰু শিশু সকলৰ ভাষা | ড০ মালবিকা বাগলাৰী | ১ |
| * অসমৰ সমাজ সংগঠক শ্ৰীমন্ত শংকৰদেৱৰ এক সমীক্ষা | ড০ নিতু চহৰীয়া | ৪ |
| * অন্ধবিশ্বাস আৰু কু-সংস্কাৰ | হানিফ মোস্তাক আহমেদ | ৯ |
| * স্ব-অসংক্ৰাম্যতা আধুনিক বিশ্বৰ মানৱ স্বাস্থ্যৰ বাবে ভাবুকি-কাৰণ আৰু নিৰাময় | ড০ এম.এছ. শ্বেইখ | ১৪ |
| * মানৱ আয়ুকাল পাঁচশ বছৰ হ'ব | সামচুল আলম | ১৮ |
| * শিক্ষা আৰু অৰ্থনৈতিক বিকাশ | মোস্তাফিজুৰ ৰহমান | ২২ |
| * আমি কিমান সজাগ | সফিকুল ইছলাম | ২৬ |
| * মিঞা মুছলমানৰ অসমলৈ প্ৰব্ৰজন আৰু স্থানীয় এখন পাহাৰৰ ইতিবৃত্তি | জহুৰুল ইছলাম | ২৯ |
| * শিক্ষাৰ ব্যাক্তিগতকৰণ আৰু বৃহত্তৰ কলগাছিয়া অঞ্চলৰ বৰ্তমান শিক্ষাৰ পৰিবেশ | শ্বেখ তাহিৰা হক | ৩২ |
| * কলগাছিয়া অঞ্চলৰ সংস্কৃতি সম্পৰ্কে এক সাম্যক আলোচনা | জোচিম উদ্দিন শিকদাৰ | ৩৫ |
| * চৰাঞ্চলৰ শিক্ষাৰ অৱস্থা | আশ্ৰাফুল ইছলাম | ৩৭ |
| * সপোনৰ পৰিণাম | আমিনুল ইছলাম | ৩৯ |
| * বিজ্ঞানৰ আৱিস্কাৰ আৰু আকস্মিক সংযোগৰ পৰিঘটনা | চৈয়দ কাইয়ুম কবীৰ আহমেদ | ৪০ |
| * প্ৰাচীন অসমৰ এক লোক পৰিৱেশ্য কলা দেৱদাসী নৃত্যৰ পৰাম্পৰা আৰু ঐতিহ্য ঃ এক সম্যক বিশ্লেষণ | শ্ৰী নয়নমনি দেৱী | ৪৪ |


## গল্পৰ সঁফুৰা


| | | |
|---|---|---|
| * উৎকণ্ঠাৰ শেষত | শ্বহিদুল ইছলাম | ৫২ |
| * অনুশোচনা | জ্যোতিস্মিতা তালুদকাৰ | ৫৭ |
| * নিয়তিৰ খেল | ৰেহেনা পাৰবিন | ৬০ |




## কবিতা কুঞ্জ


| | | |
|---|---|---|
| * নৱজ্যোতি মহাবিদ্যালয় | আমিনুল ইছলাম | ৬৭ |
| * ক'বলৈ বহুত আছিল | কাজী মেহেবুব হুছাইন | ৬৭ |
| * প্ৰিয় বন্ধু তোমালৈ | শ্বেখ তাহিৰা হক | ৬৮ |
| * মোৰ দেশ | ছাবিনা ইয়াচমিন | ৬৯ |
| * শৰবিদ্ধ | ৰাহেদা ৰহমান | ৭০ |
| * হৃদয়ৰ ইন্মাদ বান | শ্বাহিদুল ইছলাম | ৭০ |
| * হৃদয়ত কেৱল তোমাৰেই ছবি | মৰ্জিনা খাতুন | ৭১ |
| * কিতাপ | মহিবুল ইছলাম | ৭১ |
| * জীয়াই আঁছো | মিৰ্জা ফাইজুৰ ৰহমান | ৭২ |
| * বাতৰি কাগজ | ওৱাহিদুল ইছলাম | ৭২ |
| * দেখা নাই ভাৰতৰ দৰে | ফাতেমা জিন্না | ৭৩ |
| * নিকা সমাজ গঢ়িম | ইলিমা খাতুন | ৭৩ |
| * নিৰ্জন ৰাতিৰ অনুভৱ | জ্যোতিস্মিতা তালুকদাৰ | ৭৪ |
| * আমাৰ শিক্ষাগুৰু | ছাহিনুৰ খাতুন | ৭৪ |
| * প্ৰিয়তমা | আব্দুল ওৱাহিদ | ৭৫ |
| * জ্ঞানৰ গৰাকী | মহম্মদ আলী | ৭৫ |
| * আমি অসমীয়া | তাৰিফুল ইছলাম | ৭৬ |
| * বন্ধুৰ সৈতে যাত্ৰা | প্ৰসেনজিৎ ৰবি দাস | ৭৬ |
| * মৰমৰ সখী | মাছুদ আজাহাৰ | ৭৭ |
| * নিৰ্জন ৰাতিৰ সাহস | আল ইমৰান খান | ৭৭ |
| * তোমাৰ ভালপোৱা | এম বুল বুল শিকদাৰ | ৭৮ |
| * বোৱতী পানীৰ মই নদী | বৰকত আলী | ৭৮ |
| * নেতাৰ সংস্কাৰ | শোফিউৰ ৰহমান | ৭৯ |


## English Section

### Prose


| | | |
|---|---|---|
| * Relevance of SUPW at present social context. | Ramjan Ali | ৮১ |

| | | |
|---|---|---|
| * Gleanings from Dr, Sarvepalli Radhakrishnan's life | Ajmot Ali | ৮৪ |
| * MOOCs with special reference to SWAYAM and CBCS system of Education | Merina Ahmed | ৮৬ |
| * Communication in Social Networking Sites : It's Impact on Youths. | Dr. Kakali Hazarika | ৯১ |
| * The Importance of Arabic Language | Dr. Imrul Hussain | ৯৯ |
| **Poem** | | |
| * Unexpressed Love | Kopil Uddin | ১০২ |
| * LONELINESS | Mohammad Ali | ১০৩ |
| * A Joyous soul | Al Imran Khan | ১০৩ |
| * A Friend is | S.M. Mausumi Akter | ১০৪ |
| * Its you | Sheikh Tahire Hoque | ১০৫ |
| * সহ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন | মিছ মিতুকা | ১০৬ |
| * গুৰুখেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ছাদ্দাম হুচেইন | ১০৭ |
| * লঘু খেল বিভাগৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | ছাহিদ তাহছিন | ১০৮ |
| তৰ্ক আৰু আলোচনা বিভাগৰ প্ৰতিবেদন | খন্দকাৰ আব্দুল মতিন | ১০৯ |
| শৰীৰ চৰ্চা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | আতাউৰ ৰহমান | ১১০ |
| ছাত্ৰ জিৱনী চৰাৰ সম্পাদকৰ প্ৰতিবেদন | চলেমান আলী | ১১১ |
| সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | জয়েনুদ্দিন | ১১২ |
| Ex. Editors & Editress | | ১১৩ |


# প্ৰবন্ধ সম্ভাৰ



# সাম্প্ৰতিক সময়ত কিশোৰ আৰু শিশু সকলৰ ভাষা

ড° মালবিকা বাগলাৰী
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ।

জীৱশ্ৰেষ্ঠ মানৱৰ মনৰ ভাব আদান প্ৰদান কৰাৰ মুখ্য মাধ্যম হ'ল ভাষা। ভাষা শব্দটো সংস্কৃতি 'ভাষ' ধাতুৰ পৰা সৃষ্টি হৈছে। ভাষা থকাৰ বাবেই অৰ্থাৎ কথা কব পৰা শক্তি থকাৰ বাবেই মানুহক ইতৰ প্ৰাণীৰ পৰা পৃথক কৰি তোলা হৈছে। সৃষ্টিৰ আদি অৱস্থাৰে পৰা বৰ্তমানলৈ বহু অৱস্থা বা প্ৰক্ৰিয়াৰ মাজেৰে ভাষাৰ বিকাশ হৈছে। বৰ্তমানলৈ ভাষা সম্পৰ্কীয় তথ্য মতে পৃথিৱীত প্ৰায় ছয় হেজাৰ ভাষা আছে। তাৰে ভিতৰত প্ৰায় পঞ্চাচ শতাংশ ভাষা কিশোৰ কিশোৰী আৰু শিশুসকলৰ মাজত প্ৰচলিত। আকৌ ছয় হেজাৰ ভাষাৰ ভিতৰত তিনিশমান ভাষাহে সংকটমুক্ত। তথ্য মতে এশ বছৰৰ ভিতৰত সমগ্ৰ পৃথিৱীতে বৰ্তমান প্ৰচলিত ভাষাৰ আধাতকৈ বেছি সংখ্যক ভাষাৰ মৃত্যু হোৱাৰ আশংকা আছে।

অসমীয়া ভাষাই মৌখিক সাহিত্যৰ যুগৰ পৰা, চৰ্য্যাপদৰ দিনৰ পৰা এক ধাৰাবাহিকতা ৰক্ষা কৰি বৰ্তমান অৱস্থা লাভ কৰিছেহি। এই ভাষা বৰ্তমান চহকী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ উপৰিও চহকী সাহিত্য হিচাপে স্বীকৃতি লাভ কৰিছেহি। কিন্তু সাম্প্ৰতিক সময়ত চহকী সাহিত্য হিচাপে স্বীকৃত লাভ কৰা ভাষাটোৱে যথেষ্ঠ প্ৰত্যাহবান সমুখীন হৈছে। সেই প্ৰত্যাহবান বা সমস্যাটো প্ৰত্যাহবানহৈছে ভাষা বিভ্ৰন্তি। ই নতুন বিষয় নহয় যদিও বৰ্তমান সময়ত যি হাৰত ভাষা বিভ্ৰান্তি হৈছে, সেই ফালৰ পৰা কব পাৰি যে খুব কম সময়ৰ ভিতৰতে অসমীয়া ভাষাই স্বকীয়তা হেৰুৱাই পেলাব। ইয়ে ভাষাটোৰ অস্তিত্বৰ সংকট আনি দিছে।

ভাষা বিভ্ৰান্তিৰ কাৰণসমূহ ভালদৰে বিশ্লেষণ কৰিলে গঞা মানুহৰ নগৰমুখী যাত্ৰা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ, গোলোকীকৰণ আৰু গোলোকীকৰণে সৃষ্টি কৰা উদাৰীকৰণ নীতিৰ কথা কব পাৰি। বিশ্বায়নে মানুহক তড়িৎবেগী কৰাকে ধৰি বহু ক্ষেত্ৰত সহায় কৰিছে সঁচা, কিন্তু জাতীয় জীৱনত ই নেতিবাচক পৰিৱৰ্তন আনিছে। ই ব্যক্তিগত জীৱনত যোগাত্মক পৰিৱৰ্তন আনিলেও সমাজ জীৱনত এই পৰিৱৰ্তনে ঋনাত্মক দিশৰ পৰিৱৰ্তন আনিছে। বিশ্বায়নৰ প্ৰভাৱে অন্যান্য সামগ্ৰীৰ ক্ষেত্ৰত যিদৰে মুক্ত ব্যৱস্থাৰ বাট মোকলাই দিছে, ভাষা সংস্কৃতিৰ ক্ষেত্ৰতো মুক্ত ব্যৱস্থাই ভাষাৰ স্বকীয়তা হেৰাই পেলাইছে। দুৰ্বল ভাষাসমূহ মুখ থেকেচা খাই মৃত্যুমুখলৈ গতি কৰিছে। বিশ্বায়নে সমগ্ৰ পৃথিৱীত মাতৃভাষা প্ৰচলনত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। ইংৰাজ শাসন কাল, বাংলা ভাষাৰ প্ৰচলন আদিৰ উপৰি শেহতীয়া ভাবে বিশ্বায়নে অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰত বাধা হৈ থিয় দিছে।

ভাষা বিভ্ৰান্তিৰ ক্ষেত্ৰত বিশেষ ভাবে অৰিহনা আগবঢ়োৱা আহিলাসমূহৰ ভিতৰত দূৰদৰ্শন, বাতৰি





কাকত, এফ,এম, ৰেডিঅ', মোবাইল ফোন, ইন্টাৰনেট আদিৰ নাম লব পাৰি। অসমীয়া ভাষাত বৰ্তমান সময়ত ইংৰাজী, হিন্দী, বাংলা আদি ভাষাৰ শব্দৰ সমাহাৰ যথেষ্ট পৰিমাণে সোমাই পৰা দেখা গৈছে। ইয়াৰ কাৰণ হিচাপে নগৰীয়া জীৱনৰ সৈতে হোৱা সম্পৰ্ক, ভিন্ন ভাষা- ভাষীৰ সৈতে হোৱা সম্পৰ্ক, চাকৰি, ব্যৱসায় সূত্ৰে অথবা শিক্ষা গ্ৰহণৰ বাবে বিভিন্ন স্থানলৈ স্থানান্তৰিত হোৱা আদিৰ কথা কব লাগিব। এই কাৰণসমূহে অসমীয়া ভাষাক মিশ্ৰিত ৰূপত দাঙি ধৰিছে। বহুলোকে শিক্ষিতই হওক বা অশিক্ষিতই হওক, ইচ্ছাকৃত ভাবে হওক বা অনিচ্ছাকৃত ভাবে হওক- গাঁৱে-ভূএে মিশ্ৰিত বা খিচিৰী ভাষা ব্যৱহাৰ কৰিবলৈ ধৰিছে।

বৰ্তমান সময়ত ইংৰাজী শব্দৰ প্ৰযোগ অধিক মাত্ৰাত দেখা যায়। দৈনন্দিন জীৱনত ইংৰাজী ভাষাই অধিক প্ৰভাব পেলাইছে বুলি একে আষাৰে কব পাৰি। তাৰ উদাহৰণ স্বৰূপে হ'ল- ৰিস্ক লোৱা, জেলাচ ফিল কৰা, পিচ পিচ কৰা, একছেপ্ত কৰা, প্ৰাউদ ফিল কৰা, মেক আপ কৰা, ৰিকুৰেষ্ট কৰা, ইমচ'নেল হোৱা, একজাম দিয়া, উইক ফিল কৰা, মুড অফ হোৱা, কেয়াৰ কৰা, ফিনিচ কৰা, মেচেজ দিয়া ইত্যাদি।

ইংৰাজী মাধ্যমৰ বিদ্যালয়, প্ৰচাৰ মাধ্যম সমূহৰ ইংৰাজী প্ৰীতিয়ে বৰ্তমান কিশোৰ আৰু শিশুসকলক ইংৰাজী মুখী কৰি তোলা দেখা গৈছে। ভুল উচ্চাৰণেৰে বৰ্তমান কিশোৰ সকলে অসমীয়া ভাষা ব্যৱহাৰ কৰে।

যেনেঃ- প্ৰিয়ংকা- প্ৰিয়াংকা

অনন্যা- অন্যান্য।

| | |
|---|---|
| ৰাজবংশী- | ৰাজবংচি |
| দীক্ষু- | দীকচু |
| ব্যক্তি- | বেক্তি |
| দহ- | দশ |
| শ্ৰদ্ধাঞ্জলি- | চধঞ্জিলী |

নকলেও হ'ব যে বিশ্বায়নৰ প্ৰভাৱত একেটা সময়ত বৰ্তমান কিশোৰ কিশোৰীয়ে বহু কেইটা ভাষা আয়ত্ব কৰিব পৰা হৈছে। কাৰণ বিশ্বায়নে পৃথিৱীখক এক কৰি পেলাইছে। নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ভাষাক ব্যাকৰণৰ মাজেৰে বান্ধিব নোৱাৰি। এই নতুন ভাষা ৰীতি, উচ্চাৰণ শৈলী পুৰণি চাম লোকেও ব্যৱহাৰ কৰা দেখা গৈছে।

ইংৰাজী ভাষাৰ উপৰিও হিন্দী ভাষাৰ শব্দৰ সমাহাৰ অসমীয়া ভাষাত দেখা গৈছে। যেনেঃ ঘাতিয়া, দুসমন, বৰবাদ, মেহনত, মালামাল, বকৱাচ, হাচিল, জোস, কনজুস, তাজা ইত্যাদি। ইয়াৰ উপৰিও নাপাত্তা হোৱা, হাৰাতে চলা, মূৰ্গা বনোৱা, ঠিকানা নোহোৱা, মালামাল হোৱা, গাড্ডাৰি কৰা ইত্যাদি শব্দবোৰ অসমীয়া ভাষাত ব্যৱহাৰ হোৱা দেখা গৈছে। হিন্দী শব্দৰ প্ৰযোগৰ উদাহৰণ কেইটিমান হ'ল- চানাচুৰৱালা, কণীৱালা, সবজিৱালা, ঝাড়ুৱালা, উপৰৱালা, টকাৱালা, গিৰাই দিয়া, দবাই দিয়া, হটাই দিয়া, ফচাই দিয়া, ধমকি দিয়া ইত্যাদি।

অসমীয়া ভাষা কিশোৰ সকলে দৈনন্দিন ব্যৱহাৰ কৰে যদিও বাংলা ভাষাৰ ভালেমান শব্দ অসমীয়া ভাষাত দেখা যায়। উদাহৰণ স্বৰূপে শশুৰ বাৰী, বাবা, বাজে কথা, পাল্লাত পৰা, মাথা খাৰাপ হোৱা আদি শব্দ।

বাংলা ভাষাৰ শব্দ নৱপ্ৰজন্মৰ মাজত প্ৰচলিত শালি-গালাজত বিভিন্ন ভাষাৰ সমাহাৰ দেখা গৈছে। অদৰকাৰী আৰু অৰ্থহীন শব্দৰ ব্যৱহাৰ বহুক্ষেত্ৰত দেখা যায়। প্ৰকৃততে পুঁজিবাদে যিহেতু বিশ্বায়নৰ জন্ম দিছে সেয়ে মানুহৰ মানসিকতাৰ পৰিবৰ্তন আনিছে। মানুহে নিজৰ মনৰ ভাব প্ৰকাশ কৰিবৰ বাবে অৰ্থহীন শব্দ ব্যৱহাৰ কৰে। যেনে- বিন্দাস থকা

বেহুদা হৰকত কৰা,

ঝকাচ লাগা,

চকাচক লগা

নখৰামি কৰা

কামোৰ দিয়া

লাফৰা কৰা ইত্যাদি। ইয়াৰ উপৰিও মক্কেল, বেকাৰ ছেন্টি, ছিপকু, বেল আদি শব্দৰ উপৰিও তক্তা বনাই দিয়া, নৰক বনাই দিয়া, ষ্টুপিড, ননচেন্স, আদি গালিও অসমীয়া ভাষাত নৱ প্ৰজন্মই ব্যৱহাৰ কৰে।

বৰ্তমান সময়ত কিশোৰ কিশোৰীসকল উচ্চ শিক্ষিত। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই কিশোৰ-কিশোৰীক প্ৰভাবিত কৰিছে। কিশোৰ-কিশোৰী বা শিশুসকলৰ মুখত সম্বন্ধবাচক শব্দৰ পৰিবৰ্তন হৈছে। তেওঁলোকৰ মুখত মম্মী, পাপা, আংকল, আন্টি, কাজিন আদি শব্দৰ প্ৰয়োগ দেখা যায়।

অসমীয়া ভাষাত কিছুমান অৰ্থহীন শব্দ কিশোৰ-কিশোৰীয়ে ব্যৱহাৰ কৰে যিবোৰ সাধাৰণতে শুনা যায়। টিউব লাইট, চেনি খোৰা, সি এটা বস্তু বনিব, বম, বম মস্তি কৰা, তাৰ চিঙা, জেং কৰা, টুপী পিন্ধোৱা আদি সাধাৰণতে কিশোৰ-কিশোৰীয়ে কয়।

কিশোৰ-কিশোৰীৰ লগতে শিশুসকল বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱিত। বিভিন্ন ভাষাৰ কাৰ্টুন, ইন্টাৰনেট, ইংৰাজী মাধ্যমৰ বিদ্যালয় আদিয়ে শিশুৰ ভাষাত পৰিবৰ্তন আনিছে। সাধাৰণতে শিশুসকলে অসমীয়া ভাষাত ইংৰাজী আৰু হিন্দী ভাষাৰ শব্দ ব্যৱহাৰ কৰে। ফেক দিয়া (পেলাই দিয়া), পতা চলা নাছিল (গম নোপোৱা), ডাটনা (গালি দিয়া), তঙ্গ কৰা (আমনি কৰা) লেটনা (বাগৰ দিয়া) আদি শব্দ শিশুসকলৰ মুখত শুনা যায়।

এক কথাত ক'ব লাগিব প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ 'বসুধৈব কুটুম্বকম' ধাৰণাটো বৰ্তমান বিশ্বায়নৰ শিপা। অৱশ্যে বিশ্বায়নৰ আগ্ৰাসনক বাধা দিবলৈ আৰ্থিক ভাবে স্বাবলম্বী হোৱাৰ লগতে কঠোৰ পৰিশ্ৰম আৰু কৰ্মদ্যোমৰ দৰকাৰ। লগতে থলুৱা ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহী হব লাগিব। ভাষা এটাৰ প্ৰতি শ্ৰদ্ধা আৰু গুৰুত্ব নথকাৰ বাবেই ভাষাই স্বকীয়তা হেৰুৱায়। ভাষাটোৰ প্ৰতি সৰ্বসাধাৰণৰ মাজত গুৰুত্ব দিবৰ বাবে জাতীয় অনুষ্ঠানবোৰৰ লগতে সাহিত্য সভা আদিৰ দৰে অনুষ্ঠানবোৰে সচেনতা বৃদ্ধি কৰিব লাগিব।

শেষত কব লাগিব সময়ৰ পৰিবৰ্তনত হোৱা ভাষাৰ পৰিবৰ্তনক গ্ৰহণ কৰিও যাতে ভাষাৰ স্বকীয়তা হেৰাই নাযায়, তাৰ বাবে সচেতন হ'ব লাগিব।

◈◈◈◈◈

# মহাবিদ্যালয়ত অনুষ্ঠিত একাংশ কাৰ্যক্ৰমণিকাৰ স্মৃতিৰ পোহৰৰ ছবি



জাতীয় সাম্প্ৰদায়িক সম্প্ৰীতি প্ৰচাৰ সপ্তাহ আৰু পতাকা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ শোভাযাত্ৰা


চি.বি.চি.এছ. পাঠ্যক্ৰমৰ ওপৰত অনুষ্ঠিত কৰা চেমিনাৰত আমন্ত্ৰিত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ পৰা অহা সমল ব্যক্তি সকল প্ৰমূখ্যে অধ্যক্ষ আৰু উপাধ্যক্ষ



আৰ্ন্তজাতিক নাৰী দিৱস উপলক্ষে আয়োজন কৰা সভাত অংশগ্ৰহণ কৰা নৱজ্যোতি মহাবিদ্যালয়ৰ উইমেন ফৰামৰ সদস্যা প্ৰমূখ্যে ছাত্ৰী সকল



পাঠশালাস্থিত অনাথ আশ্ৰম 'তপোবন' পৰিদৰ্শনত নৱজ্যোতি মহাবিদ্যালয়ৰ উইমেন ফৰামৰ সদস্যা সকলৰ লগত 'তপোবন'ৰ অনাথ শিশু সকল



নৱজ্যোতি মহাবিদ্যালয়ৰ অৰ্ন্তগত ''প্ৰয়াস''ৰ উদ্যোগত অনুষ্ঠিত 'কেৰিয়াৰ কাউন্সেলিং এণ্ড এন্টাৰপ্ৰিনৰশ্বিপ ডেভেলপমেন্ট পাথ্' শীৰ্ষক চেমিনাৰৰ মূখ্য বক্তা ৰঞ্জন কুমাৰ বৰুৱা।



শিশু দিৱস উপলক্ষে মহাবিদ্যালয়ৰ অৰ্ন্তগত অনুষ্ঠান 'প্ৰয়াস' আৰু মকবুল ফিদা হুছাইন ফাইন আৰ্টচ অকাডেমী, কলগাছিয়াৰ যুটীয়া উদ্যোগত অনুষ্ঠিত এদিনীয়া চিত্ৰাঙ্কণ আৰু থিতাতে কবিতা লিখা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান



মহাবিদ্যালয়ত অনুষ্ঠিত বিশ্বনবী হজৰত মহাম্মদ (ছাঃ) ৰ জন্মদিন ফাতিহা-ই-দাওজ দাহম উদ্‌যাপন উপলক্ষে আয়োজন কৰা চেমিনাৰৰ উদ্বোধনী ভাষণৰত মহাবিদ্যালয়ৰ অধ্যক্ষ



মহাবিদ্যালয়ত অনুষ্ঠিত বিশ্বনবী হজৰত মহাম্মদ (ছাঃ) ৰ জন্মদিন ফাতিহা-ই-দাওজ দাহম উদ্‌যাপন সভাৰ বঁটা বিতৰণী কাৰ্য্যসূচী



বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আয়োজন কৰা বৃক্ষৰোপন অনুষ্ঠানত অধ্যক্ষ সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ একাংশ



মহাবিদ্যালয়ৰ শৈক্ষিক নিৰীক্ষক কোষৰ সদস্য সকল

বাওঁফালৰ পৰা ক্ৰমে ঃ
অধ্যাপক মোঃ আলিমুদ্দিন আহমেদ,
অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, অধ্যাপক ব্ৰজ কিশোৰ ছামল



# অসমৰ সমাজ সংগঠক শ্ৰীমন্ত শংকৰদেৱ এক সমীক্ষা

ড° নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ।

**প্ৰস্তাৱনাঃ**

সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ, যুগপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা অসমৰ সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰসমূহত অপৰিসীম। শংকৰদেৱে নিজা জ্ঞান, বুদ্ধি, অভিজ্ঞতা আৰু প্ৰতিভাৰে অসমভূমিৰ যি উপৰিসৌধ গঢ়িলে তাৰ প্ৰভাৱ আজি অসমৰ সৰ্বত্ৰে বিৰাজমান। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে শংকৰদেৱৰ নেতৃত্বত অসমতো বৈষ্ণৱ ভক্তি আন্দোলনৰ ঢৌৱে তোলপাৰ লগোৱা সময়ত অসমৰ সমাজ ব্যৱস্থাত বৰ্ণবৈষম্য তথা শাক্তধৰ্মই আধিপত্য বিস্তাৰ কৰি আছিল। কিন্তু সেই সকলোবোৰ প্ৰত্যাহবান মূৰ পাতি লৈ মহাপুৰুষজনাই যি আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল তাক যুগে যুগে অসমবাসীয়ে স্মৰণ কৰিব। শংকৰদেৱে অসমীয়া জাতীয় সত্তাক অনৈক্যৰ মাজত ঐক্যবদ্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। বৈষ্ণৱ আন্দোলনৰ সুবাদতে অসমীয়া সমাজখনক ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ লগতে সামাজিক দিশত ঠন ধৰি উঠাত তেওঁৰ যি অৱদান সেয়া প্ৰতিজন অসমীয়াই স্বীকাৰ কৰে। তেখেতৰ ৰচনাৰাজিতো এই কথা স্পষ্টৰূপত প্ৰতিফলিত হৈ আছে।

শংকৰদেৱ আছিল এজন প্ৰকৃত সমাজ সংগঠক। জাত পাত, উচ্চ নীচৰ ভেদাভেদ আঁতৰ কৰি মানুহৰ মাজত তেখেতে শান্তি আৰু সাম্য মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি এখন নিকা আৰু সুস্থ সমাজ গঠন কৰিবলৈ যত্ন কৰিছিল আৰু বৰ অসমৰ ভেটি সুদৃঢ় কৰিছিল। আহোম স্বৰ্গদেৱে যিদৰে সমগ্ৰ অসমখনক 'সাত ৰাজ মাৰি এক ৰাজ কৰা'ৰ কথা কৈছিল ঠিক একেদৰে শংকৰদেৱেও সাম্য মৈত্ৰীৰ বাণীৰে সকলোকে একত্ৰিত কৰি বৰ অসম গঢ়াৰ চেষ্টা কৰিছিল। শংকৰদেৱে 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম' বুলি কৈ সকলোতে সমভাৱ দৃষ্টি ৰাখি সমাজত সাম্য মৈত্ৰীৰ বীজ সিঁচিব বিচাৰিছিল আৰু সমাজখনক সমৃদ্ধ কৰিছিল। সেয়েহে এজন প্ৰকৃত ধৰ্ম প্ৰচাৰক বা ধৰ্ম গুৰুৰ আওতাৰ বাহিৰেও এজন সমাজ সংগঠক হিচাপে শংকৰদেৱৰ প্ৰকৃত মূল্যায়ণৰ যথেষ্ট প্ৰয়োজন আছে। আৰু বৰ্তমানৰ প্ৰেক্ষাপটত এই ধাৰণাৰ মূল্যায়ণ কৰাৰ আৱশ্যকতা আৰু অধিক। সেয়েহে আমাৰ এই আলোচনাত অসমৰ সমাজ সংগঠক হিচাপে শংকৰদেৱৰ এটি সামগ্ৰিক আলোচনা কৰিবলৈ যত্ন কৰা হৈছে। আৰু ইয়াৰ জৰিয়তে এজন ধৰ্মগুৰুৰ উৰ্দ্ধত শংকৰদেৱক সমাজ সংগঠক ৰূপটোৰ আলোচনাক প্ৰাধান্য দিয়া হৈছে।

সাম্প্ৰতিক সময়ত ভিন্ন ধৰ্ম-জাতি-ভাষাৰ মাজত যি বৈষম্য প্ৰকট হৈছে আৰু যিটো নিৰ্মূলৰ বাবে

কোনো বাস্তৱ আৰু দূৰদৰ্শী সিদ্ধান্ত কোনো ব্যক্তি বা সংস্থাই ল'ব পৰা নাই, সেই কাম পোন্ধৰ শতিকাতে শংকৰদেৱে কৰিবলৈ সক্ষম হৈছিল। সেই বাবে আজি এনে বিষয়ৰ আলোচনাৰ প্ৰয়োজন। তদুপৰি কেৱল এজন ধৰ্ম প্ৰচাৰকৰ ৰূপত শংকৰদেৱৰ আলোচনা সামৰি নথৈ এজন বলিষ্ঠ সমাজ সংগঠকৰ দিশেৰে শংকৰদেৱক বিশ্লেষণ কৰি চোৱাৰ লক্ষ্য আগত ৰাখিও এই আলোচনা কৰা হৈছে।

**সমাজ সংগঠক হিচাপে শংকৰদেৱঃ-** সমাজ সংগঠক হিচাপে শ্ৰীমন্ত শংকৰদেৱ অসমীয়া সমাজত বাটকটীয়া। শ্ৰীমন্ত শংকৰদেৱে নামঘৰ, মণিকূট স্থাপন কৰাৰ লগতে মানুহৰ মাজত শান্তি, সাম্য-মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি উদাৰনৈতিক মানৱতাবাদৰ দৃষ্টান্ত দাঙি ধৰিছিল। অৱশ্যে বহু সময়ত এই দিশটো ধৰ্মগুৰুৰ পৰিচয়ৰ তলত ঢাক খাই থাকে। তদুপৰি অসমৰ সমাজ সংগঠক হিচাপে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াতো শংকৰদেৱৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁৰ মহান আদৰ্শৰ বাবে একেখন ৰভাৰ তলত স্ত্ৰী- শূদ্ৰ সকলোৱে বহি হৰিনাম চৰ্চা কৰিব পাৰিছে, য'ত কোনো ধৰণৰ জাত পাত, উচ্চ-নীচ ভেদভাৱৰ স্থান নাই। মানৱতাই হৈছে শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ প্ৰধান মন্ত্ৰ। মানৱতা বাদৰ মহান আদৰ্শ সমাজত বিলাই দি শংকৰদেৱে যি বৰ অসমৰ ভেটি সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছিল আজিৰ প্ৰেক্ষাপটতো তাৰ গুৰুত্ব অত্যন্ত বেছি। তলত এই সন্দৰ্ভত বহলাই আলোচনা কৰা হ'ল-
-

**থলুৱা জাতি জনজাতিৰ প্ৰতি শংকৰদেৱৰ উদাৰতাঃ-** শংকৰদেৱ আছিল উদাৰ মনৰ অধিকাৰী ব্যক্তি। অসমৰ প্ৰতিটো জাতি জনজাতিৰ প্ৰতি একধৰণৰ সমদৃষ্টিৰ মনোভাব তেওঁৰ মনত অহৰহ ক্ৰিয়া কৰিছিল। সেয়ে নিৰ্ভীকভাৱে সকলোকে তেওঁৰ নৱবৈষ্ণৱ ধৰ্মত স্থান দিছিল। গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই, মিছিঙৰ পৰামানন্দ আদি লোক তেওঁৰ প্ৰিয় আছিল। তদুপৰি শংকৰদেৱৰ লেখনিত প্ৰকাশিত টেম্বুৱানী জান আৰু ৰাধিকা শান্তিৰ কাহিনীৰ জৰিয়তে কিদৰে শংকৰদেৱে নিম্ন বৰ্ণৰ লোকৰ নৈতিক আৰু সামাজিক অধিকাৰক আগস্থান দি তেখেতে গভীৰ মানবতাবাদ প্ৰতিষ্ঠা কৰিছিল তাক জানিব পাৰি। বোধ হয় এনেবোৰ কৰ্মই পিছপৰা জাতি জনজাতিৰ লোকসকলক তেওঁৰ মানৱাদৰ্শৰ প্ৰতি আকৃষ্ট কৰিছিল। আৰু ইয়াতেই ৰোপিত হৈছে সমন্বয়ৰ বীজ। মনকৰিবলগীয়া যে- শংকৰদেৱৰ ভক্তি ধৰ্ম কোনো ধৰণৰ সংকীৰ্ণতাৰ আৱৰ্তত নথকা হেতু শংকৰী ধৰ্মত দীক্ষিত নোহোৱা মানুহৰ মাজতো সেই ধৰ্মৰ পৰম্পৰাৰ প্ৰভাৱ পৰিছিল আৰু স্বতঃস্ফুৰ্ত্ত ভাবে প্ৰায়বোৰ লোকে ইয়াক পালন কৰিছিল। অসমৰ সহজ সৰল জনজাতীয় মানুহখিনিৰ নিজস্ব ধৰ্মীয় পৰম্পৰা আছিল। শংকৰদেৱে নিজে সেই মানুহবোৰৰ মাজলৈ ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ যোৱা নাছিল। তথাপি সেই মানুহখিনিয়ে আপোন চিত্তে এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল। যাৰ ফলশ্ৰুতিত নিজৰ ধৰ্মীয় পৰম্পৰা পালন কৰাৰ লগতে নাম-কীৰ্তন, মাহ প্ৰসাদ আদিয়েও স্থান লাভ কৰিছিল। ইয়াৰ পৰাই শংকৰদেৱৰ মহান আদৰ্শৰ উমান পাব পাৰি।

অসমত বাস কৰা বড়ো, তিৱা, কাৰ্বি, মিছিং, গাৰো, ডিমাছা, হাজং আদি এই সকলোবোৰ জনগোষ্ঠীৰ মাজত উল্লেখিত দিশবোৰ প্ৰতিফলিত হোৱা দেখা যায়। এই মানুহখিনিয়ে নামঘৰ সাজি নাম কীৰ্তন কৰিছে আনহাতে বিভিন্ন দেৱ দেৱীৰ পূজা অৰ্চনাও কৰিছে। এওঁলোক কিন্তু শংকৰী ধৰ্মৰ লোক নহয়, তথাপি নাম কীৰ্তন কৰিছে, শংকৰদেৱৰ গুণ গান গাইছে। শংকৰদেৱৰ ভক্তি আদৰ্শৰ প্ৰভাৱৰ বাবেই এনে হোৱা দেখা যায়। আৰু এনোবোৰ কথাৰ পৰাই সমাজত সমভাৱৰ সৃষ্টি হয়।





**নৱবৈষ্ণৱ ধৰ্মত সম অধিকাৰঃ**

শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা সময়ত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল বৰ্ণ হিন্দুকে আদি কৰি বিভিন্ন ক্ষুদ্ৰ জাতি জনজাতিৰ আবাস ভূমি আছিল আৰু এই সকলো লোকে নিজ নিজ ধ্যান ধাৰণাৰে উপাসনা কৰিছিল। সেই সময়ত সমগ্ৰ অসমতে শৈৱ আৰু শাক্তৰ প্ৰভাৱ আছিল অপৰিসীম আৰু সীমিত পৰিমাণে প্ৰচলিত হৈ আছিল বৈষ্ণৱ ধৰ্ম। আনহাতে জনজাতীয় সমাজতো প্ৰচলিত আছিল নিজস্ব ধ্যান ধাৰণা সম্ভূত বিভিন্ন নীতি নিয়ম। তেনে এক সময়তে গুৰুজনাই যি মহান পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সচাঁকৈয়ে আছিল এক প্ৰত্যাহ্বান স্বৰূপ। তেওঁ এক দেৱ, এক সেৱ এক বিনে নাই কেৱ' বুলি কৈ সমাজ জীৱনত এক সমতাৰ মনোভাৱ বিস্তাৰিত কৰিবলৈ যত্ন কৰিছিল। তদুপৰি নৱবৈষ্ণৱ ধৰ্মত সকলোৱে মুকলি মনে হৰিৰ শ্ৰৱণ কীৰ্তন কৰিব পাৰিছিল আৰু এই ক্ষেত্ৰত কোনো বাধা নিষেধ নাছিল। সকলোৱে সমভাৱে একেলগে হৰিৰ গুণানুকীৰ্তন কৰিব পাৰিছিল। সেয়ে তেওঁ কৈছে-

'কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মলুক ধোৱা যে তুৰুক
কুৱাচ ম্লেচ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সংগত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।'

(শ্ৰীমদ্ভাগৱত ২য় স্কন্ধ-পদ ৫৩-৫৪)

মূলতঃ ভক্তি ধৰ্মৰ পৰা আহুত এই উদাৰ দৃষ্টিভংগীৰ বাবেই সকলোৱে ইয়াৰ প্ৰতি আকৃষ্ট হৈছিল। ফলস্বৰূপে সমাজখনো নৱবৈষ্ণৱ ধৰ্মৰ এনে আদৰ্শৰ দ্বাৰা একত্ৰিত হোৱাৰ সুযোগ পাইছিল আৰু তাৰ প্ৰধান হোতা আছিল শ্ৰীমন্ত শংকৰদেৱ।

**নামঘৰৰ যোগেদি সাম্য প্ৰতিষ্ঠাঃ**

সকলোৰে বাবে প্ৰৱেশৰ সমান অধিকাৰ সাব্যস্ত কৰোৱা নামঘৰ অসমীয়া জাতীয় জীৱনৰ এক আপুৰুগীয়া গুৰুসৃষ্ট সম্পদ, য'ত সাম্যৰ বাণীৰে জীপাল হৈ উঠে বৃহৎ অসমীয়া জাতিসত্তা। ধৰ্মীয়, সাংস্কৃতিক সাহিত্যৰ প্ৰতিটো দিশতে জাতীয় জীৱনলৈ নামঘৰৰ অৱদান অতুলনীয়। নামঘৰবোৰ অসমীয়া সংস্কৃতিৰ যাদুঘৰ। যুগ যুগ ধৰি নামঘৰ আৰু সত্ৰসমূহে শংকৰী সংস্কৃতিক নতুন প্ৰজন্মলৈ আগুৱাই আনিছে। নামঘৰে আন্তঃপ্ৰাজন্মিক সাম্যপ্ৰতিষ্ঠাতো চমকপ্ৰদ ভূমিকা পালন কৰি আহিছে। অকল নামঘৰেই নহয়, মণিকূট, বাটচ'ৰা, সিংহাসন সকলোতে জাতীয় জীৱনৰ সমূহীয়া ধাৰাৰ এক যৌক্তিক কচৰৎ দেখা যায়। অকল সাংস্কৃতিক উপাদান গীত-নাটক বাদ্য আদিতেই নহয় সুস্থ গণতান্ত্ৰিক পৰম্পৰা প্ৰচাৰৰ ক্ষেত্ৰতো নামঘৰৰ ভূমিকা অতুলনীয়।

শংকৰদেৱৰ কীৰ্তিৰ একাংশ বহন কৰিছে অসমৰ অন্যতম সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰে। ভক্তপ্ৰাণসকলে অসমৰ গাঁৱে গাঁৱে, নগৰে নগৰে আত্মশুদ্ধিৰ স্থল হিচাপে নামঘৰ প্ৰতিষ্ঠা কৰিছে। নামঘৰত নাট ভাওনাৰ পৰা আৰম্ভ কৰি নাম কীৰ্তন, গাঁৱৰ সমস্যা সমাধান, নতুন চিন্তাৰ কাৰ্যকৰণ ইত্যাদি আলোচনা বিলোচনা কৰা হয়। শংকৰদেৱৰ নামঘৰ প্ৰতিষ্ঠাৰ এই সুদূৰপ্ৰসাৰী সফলতা অসমীয়া জাতিয়ে যাৱজ্জীৱন সুঁৱৰিব। নামঘৰক প্ৰধানকৈ ধৰ্মকেন্দ্ৰৰূপে স্থান দিয়া হৈছিল। যদিও ইয়াক অকল নাম লোৱাৰ বাবে ব্যৱহাৰ হোৱা নাছিল। নামঘৰ আছিল সমাজ ব্যৱস্থাৰ শৃংখলাবদ্ধ ৰূপত পৰিচালনা কৰা এটি কেন্দ্ৰীয় কক্ষ।

**সামৰণিঃ**

শ্ৰীমন্ত শংকৰদেৱে ছকুৰি বছৰীয়া জীৱন কালত অসমীয়া সমাজখন আটকধুনীয়াকৈ সজাই পৰাই ধৰ্মৰ মহিমাৰে পৱিত্ৰ কৰি ভাষা, সাহিত্য-সংস্কৃতিৰ বৰঘৰ শুৱনি কৰি অসমীয়াৰ কণ্ঠত গৌৰৱ গৰিমাৰ জয়মাল্য পিন্ধাই থৈ গ'ল। ইয়াৰোপৰি বিভিন্ন জাতি জনগোষ্ঠীৰে বৈচিত্ৰময় অসমৰ সকলো লোকক একেখন সমাজত প্ৰতিষ্ঠা কৰিব পৰাটো এক বৈপ্লৱিক জাগৰণ। শংকৰদেৱৰ সদিচ্ছা আৰু জনগণৰ মহান প্ৰচেষ্টাত এক বিশাল অসমীয়া জাতি, এক ভাষা এক গণ সংস্কৃতিয়ে গঢ় লৈ উঠিছিল আৰু সি আজিও শত-সহস্ৰ বিঘিনি, প্ৰবল ধুমুহা শিলাবৃষ্টিৰ মাজেৰেও আগবাঢ়ি আছে। গুৰুজনাই ভক্তি প্ৰেমৰ বীজ সিঁচি ভকতিক মূল সম্পদ হিচাপে লৈ সুস্থ সবল, আধ্যাত্মিক ভাৱধাৰাৰে পৰিপুষ্ট এখন সমাজ গঢ়াৰ আন্দোলন সৃষ্টি কৰে। পৰিশেষত ইয়াকে কৈ সামৰিব পাৰি যে- ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি আৰু সমাজ সংগঠনৰ ক্ষেত্ৰত অলেখ অৱদান দিবলৈ সক্ষম হোৱা এনে এজন মহাপুৰুষ পৃথিৱীৰ ভিতৰতে বিৰল।

◇◇◇◇◇

**সহায়ক সমলঃ**

১। গগৈ, বগেন, গগৈ তিলেন, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৃতিত্বৰ মূল্যায়ণ, ধেমাজি, ধেমাজি বুক ষ্টল, প্ৰথম প্ৰকাশ, ২০০১, মুদ্ৰিত।

২। গোঁহাই হীৰেণ, অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, গুৱাহাটী, লয়াৰ্ছ বুক ষ্টল, চতুৰ্থ সংস্কৰণ, ২০১৪, মুদ্ৰিত।

৩। নেওগ, মহেশ্বৰ, শ্ৰী শ্ৰী শংকৰদেৱ, গুৱাহাটী, চন্দ্ৰ প্ৰকাশ, সপ্তম সংস্কৰণ, ১৯৮৭, মুদ্ৰিত।

৪। বৰা, প্ৰফুল্ল চন্দ্ৰ, আধুনিক অসমীয়া সাহিত্যত শংকৰদেৱৰ প্ৰসংগ, গুৱাহাটী, ষ্টুডেন্টচ্ ষ্ট'ৰচ, প্ৰথম প্ৰকাশ, ১৯৮৮।





৫। শৰ্মা গোস্বামী, প্ৰণতি (সম্পা.), ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শংকৰদেৱ, গুৱাহাটী, অসমীয়া বিভাগ প্ৰাগজ্যোতিষ কলেজ, প্ৰথম প্ৰকাশ, ২০০৭।

৬। শালৈ, পদ্মৰাম, ভক্তি ধৰ্ম আৰু ভক্তি কাব্যত এভূমুকি, গুৱাহাটী, ছাৰ্ভিছ বুক ছেলাৰ্ছ, প্ৰথম প্ৰকাশ, ১৯৯৭, মুদ্ৰিত।

৭। শইকীয়া নগেন, গৱেষণা পদ্ধতি পৰিচয়, গুৱাহাটী, বনলতা প্ৰকাশন, প্ৰথম প্ৰকাশ, ১৯৯৬, মুদ্ৰিত।

৮। শৰ্মা, সত্যেন্দ্ৰনাথঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, প্ৰকাশিকা প্ৰতিমা দেৱা, গুৱাহাটী, নৱম সংস্কৰণ, আগষ্ট, ২০০১।

৯। শৰ্মা, হেমন্তকুমাৰ, অসমীয়া সাহিত্যত দৃষ্টিপাত, গুৱাহাটী, বীণা লাইব্ৰেৰী, নৱম সংস্কৰণ, ২০০৩, মুদ্ৰিত।

◇◇◇◇◇

## মহৎ লোকৰ বাণী

* এজনী মহিলা সুন্দৰী হোৱাতকৈ চৰিত্ৰবতী হোৱা বেছি প্ৰয়োজন- লংফেলো।
* যাৰ অলপ আছে তেওঁ দৰিদ্ৰ নহয়। যিয়ে বেছি আশা কৰে তেৱেঁই দৰিদ্ৰ- ডেনিয়েল।
* যাৰ কণ্ঠস্বৰ কোমল, ভদ্ৰ, নিম্ন আৰু সুমিষ্ট তেৱেঁই মহিলা- মিণ্ডলটন।

সংগ্ৰাহক
শেখ তাহিৰা হক।
স্নাতক মহলাৰ পঞ্চম যান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ।

# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ

হানিফ মোস্তাক আহমেদ
সহযোগী অধ্যাপক,
ৰসায়ন বিজ্ঞান বিভাগ।

১৯৯৭-১৮ চন মানৰ ঘটনা। মানুহজন প্ৰকৃততে ধুবুৰী জিলাৰ বাসিন্দা আছিল। বান আৰু গৰাখহনীয়াত ছিন্নমূলহৈ বৰপেটা জিলাৰ এখন ভিতৰুৱা গাঁৱত আশ্ৰয় লৈ আছিল। হঠাৎ এদিন মানুহজন আৰু তেওঁৰ ঘৈণীয়েকৰ নামত সন্দেহযুক্ত নাগৰিকৰ জাননী আহিল। দিন মজুৰ মানুহজনে বহু কষ্ট কৰি পা-পইচা যোগাৰ কৰি ধুবুৰীলৈ গৈ কাগজ পত্ৰ লৈ আহিল। নিৰ্দ্ধাৰিত তাৰিখত শুনানী লৈ গ'ল, শুনানী লোৱা বিষয়াক কাগজ পত্ৰ প্ৰদৰ্শন কৰিলে সকলো ঠিকেই আছে। কিন্তু শুনানী লোৱা বিষয়াই যেতিয়াই তেওঁৰ ঘৈণীয়েকক স্বামীৰ নাম কি বুলি সুধিলে, তেতিয়াই কেনা লাগি গ'ল। শুনানী বিষয়াই ঘৈণীয়েক জনীক হাজাৰ বাৰ সোধাৰ পাছতো স্বামীৰ নাম নক'লে, শুনানী লোৱা বিষয়া জনে বিৰক্ত হৈ কাগজপত্ৰ সামৰি থলে। দুমাহমান পাছত আকৌ ঘৈনীয়েকজনীৰ নামত জাননী আহিল, নিৰ্দ্ধাৰিত তাৰিখত শুনানী লৈ গ'ল, একেই বিড়ম্বনা, শুনানী লোৱা বিষয়াই স্বামীৰ নাম সুধিলে, কিন্তু তাই নকয়হে নকয়, স্বামীৰ পৰিয়াল, প্ৰতিবেশী আটাইয়ে বুজালে তথাপি তাই স্বামীৰ নাম নকয়।

শেষত শুনানী লোৱা বিষয়াজনে বিৰক্ত হৈ কাগজ পত্ৰ সামৰি গ'লগৈ। আটাইয়ে ভাবিছিল যে শুনানী লোৱা বিষয়াজনে হয়তো তাইৰ কাগজ পত্ৰ চাই নামটো ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিব। কিন্তু সেয়া নহ'ল। কিছুদিন পিছত মানুহজনীৰ নামত আকৌ জাননী আহিল, নিৰ্দ্ধাৰিত তাৰিখত শুনানী লৈ গ'ল। কিন্তু কি হ'ব একেই বিড়ম্বনা, ঘৈনীয়ে স্বামীৰ নাম নকয়হে নকয়। বিষয়াজন কথা বতৰাত সহজ সৰল আছিল বাবে গাঁওৰ মানুহ দুজনমানে তেওঁক ঘটনাটো বুজাই কোৱাত তেওঁ কাগজ পত্ৰ চাই সৈমান হ'ল কিন্তু ঘৰলৈ আহি মানুহজনে ঘৈণীকজনীক তালাক দি দিলে। তালাক দিয়াৰ দুদিন পাছত ঘৈণীয়েকজনী চীপজৰি লৈ মৰি থাকিল, গোটেই দিন গছত উলমি থকাৰ পাছত সন্ধিয়া পুলিচৰ মানুহ আহি মৃত দেহটো লৈ গ'ল। পাছত অনুসন্ধান কৰি জানিব পৰা গ'ল যে মানুহজনীৰ দাদী মানে আইতাই শিকাই দিছিল যে কোনো পৰিস্থিতিতেই স্বামীৰ নাম ক'ব নালাগে। ঘৈনীয়েকে স্বামীৰ নাম কলে স্বামীৰ অমংগল হয় আৰু পৰিয়ালত দুৰ্দশা নামি আহে। সেইবাবে তাই স্বামীৰ নাম কোৱা নাছিল।

এই যে মানুহজনীয়ে এক অসংগত বিশ্বাস আৰু বদ্ধমূল ধাৰণাৰ বশৱৰ্তী হৈ আত্মহননৰ লেখীয়া পথ বাছি ল'ব লগা হ'ল, তথাপি স্বামীৰ নাম নকলে এনেকুৱা অসংগত বিশ্বাস, ধ্যানধাৰণা, অজ্ঞাত কোনো বস্তু বা বিষয়ৰ



'নৱজ্যোতি' একত্ৰিংশতিতম্ সংখ্যা, ২০১৮-১৯ ইং বৰ্ষ

ভয় আদিয়েই হ'ল অন্ধবিশ্বাস। এই ধৰণৰ বিশ্বাসৰ ভিত্তিত যিবিলাক কাম কাজ বা সংস্কাৰ সাধন কৰা হয়, সেই বিলাকেই হ'ল কু-সংস্কাৰ। অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মূলত আছে শিক্ষা-দীক্ষা আৰু জ্ঞানৰ অভাৱ। আদিম অৱস্থাত মানুহৰ জ্ঞান বুদ্ধি সীমিত আছিল বা তেওঁলোক কিছুমান প্ৰাকৃতিক ঘটনাক দৈৱ শক্তি বা কোনো অজ্ঞাত শক্তিৰ প্ৰভাৱত হোৱা বুলি বিবেচনা কৰিছিল। সময়ৰ লগে লগে মানুহৰ জ্ঞানৰ বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে সমাজৰ পৰা বহু বিলাক কু-সংস্কাৰ আৰু অন্ধবিশ্বাস নোহোৱা হ'ল, যদিও কিছুমান বিশ্বাস আৰু উৎসৱ পাৰ্বন মানুহৰ মজ্জাগত হৈ পৰিল। ভিত্তিহীন আৰু অযৌক্তিক বিশ্বাস সমূহৰ পৰা মানৱ সমাজৰ বহু ক্ষতি সাধন হৈছে আৰু হৈ আছে, তথাপি মানুহে সেইবোৰ বিশ্বাস ত্যাগ কৰিব পৰা নাই বা কিছুমান মানুহে ন্যাস্ত স্বাৰ্থৰ বাবে তেনে বিশ্বাসবোৰ সমাজত চলি থকাত উৎসাহ যোগাই আহিছে। এই শ্ৰেণীৰ লোকে কোনো ন্যাস্ত স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ সমাজত কিছুমান অযৌক্তিক ধ্যান ধাৰণা আৰু পৰম্পৰা প্ৰতিষ্ঠাত সদা ব্যস্ত হৈ থাকে। ধৰ্ম আৰু অন্ধবিশ্বাসৰ মাজত যথেষ্ট পাৰ্থক্য আছে যদিও বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে ধৰ্মৰ প্ৰতি সংবেদনশীল লোক সকলৰ মাজতেই অন্ধবিশ্বাসৰ প্ৰৱণতা অধিক আৰু এই ধৰণৰ ধৰ্মতাত্বিক সকলৰ প্ৰভাৱ সমাজৰ দৰিদ্ৰ, নিৰক্ষৰ লোক সকলৰ মাজতেই সৰ্বাধিক।

সমাজত চলি থকা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দ্বাৰা মহিলা সকল আটাইতকৈ বেছি নিৰ্যাতিত আৰু হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। আমাৰ সমাজত চলি থকা লিংগ বৈষম্যৰ প্ৰধান কাৰণ সমূহৰ ভিতৰত অন্ধবিশ্বাস অন্যতম। মহিলাৰ প্ৰতি অতি প্ৰাচীনকালৰ পৰা চলি অহা বদ্ধমূল ধাৰণা আধুনিক যুগতো চলি থকাৰ কাৰণ ধৰ্ম আৰু অন্ধবিশ্বাসৰ সহ অৱস্থান। আমাৰ সমাজত এনেকুৱা কিছুমান বিশ্বাস প্ৰচলিত হৈ আছে যে মহিলা সকল গছত উঠিব নাপায়। যদি কোনো মহিলাই গছত উঠে, তেন্তে তেওঁ গছত উঠি যিমান দূৰলৈ দৃষ্টি নিক্ষেপ কৰিব সিমান দূৰলৈ আল্লাহৰ (ঈশ্বৰৰ) গজব (অভিশাপ) নিক্ষেপিত হ'ব। উৰাজাহাজত উঠিলে কি হ'ব, সেই বিষয়ে নিমাত। প্ৰাকৃতিক পৰিঘটনা মহিলাৰ মাহেকীয়া ঋতুচক্ৰৰ সময়ত মহিলা সকলক (নাপাক) অপবিত্ৰ বুলি গণ্য কৰা হয়। সেই সময়ত তেওঁলোকে কোনো ধৰ্ম কৰ্ম কৰিব নোৱাৰে, কোনো শুভ কামৰ অংশীদাৰ হ'ব নোৱাৰে, গোহালি ঘৰত যাব নোৱাৰে। কিছুমান সম্প্ৰদায়ত আকৌ পাকঘৰত সোমাবলৈ দিয়া নহয়। বাচন বৰ্ত্তন চুব নিদিয়ে। পৃথক বিচনাত নাইবা মজিয়াত শুবলৈ দিয়া হয়। কিছুমান সমাজত আকৌ মাহেকীয়া সময়ত যুৱতি আৰু মহিলা সকলক বেলেগ গৃহত অকলশৰীয়াকৈ থাকিবলৈ বাধ্য কৰা হয়। প্ৰথম কন্যা সন্তান জন্ম দিয়া, প্ৰথম সন্তানৰ মৃত্যু হোৱা, স্বামীৰ দ্বাৰা পৰিত্যাক্তা, দ্বিতীয় বিয়া হোৱা মহিলা সকলক ল'ৰা-ছোৱালীৰ, বিয়া, মৃত ব্যক্তিৰ সৎকাৰত আদিত আগভাগ লবলৈ দিয়া নহয়। কিছুমান পৰিয়ালত মাহেকীয়া হোৱা মহিলাৰ ছাঁ-ধান, চাউল অন্যান্য খাদ্য সামগ্ৰী আৰু ল'ৰা-ছোৱালীৰ ওপৰত পৰিবলৈ দিয়া নহয়। ছাঁ পৰিলে সোণ আৰু ৰূপ ধোৱা পানীৰে ধুই সুচি কৰা হয়।

মাঘ ফাগুন মাহত প্ৰথম আহুধানৰ বীজ সিচাৰ দিনা পৰিয়ালত বহু বিধ শাক পাচলি ঘাহবন আদিৰে ৰন্ধা মিশ্ৰিত আহাৰ খায়, এই বিশ্বাসত যে তেনে কৰিলে খেতি পথাৰত ঘাহ-বন নগজে। ধৰক আপুনি গাড়ীৰে গাঁও

এখনৰ মাজেৰে হৈ আছে, গাঁৱৰ ৰাস্তা গতিকে মেকুৰি এটা ৰাস্তা পাৰহৈ ই ঘৰ সিঘৰলৈ যোৱাটো স্বাভাৱিক। কিন্তু বহু মানুহে অন্ধ বিশ্বাসৰ বসৱৰ্তীহৈ গাড়ী ৰখাই, ষ্টাৰ্ট বন্ধ কৰি পিছুৱাই আনি আকৌ নতুনকৈ যাত্ৰা আৰম্ভ কৰা দেখা যায়। তেওঁলোকৰ মতে মেকুৰী অমংগলীয়া গতিকে মেকুৰী সন্মুখত পৰিলে যাত্ৰা শুভ নহয়। যাত্ৰাৰ সময়ত কোনোৱাই পিছ পিনৰ পৰা মাতিলে যাত্ৰা নষ্ট হয় বুলি বহু মানুহৰেই অন্ধবিশ্বাস এটা আছে। একেদৰে ঘৰৰ মুধচত শগুন বহিলে ঘৰটো অসুচী হয় বুলি আমাৰ সমাজত অন্ধবিশ্বাস এটা প্ৰচলিত হৈ আছে। মন্দিৰ বা মছজিদলৈ যাওঁতে নিম্ন বৰ্গৰ লোকৰ সাক্ষাৎ হ'লে বা গাত স্পৰ্শ হ'লে গা অসুচী হয়। নিম্নবৰ্গ বা অইন ধৰ্মৰ লোকে কুৱাৰ পৰা পানী তুলিলে, পাকঘৰত সোমালে, বাচন বৰ্তন স্পৰ্শ কৰিলে অসুচী হয় বুলি থকা অন্ধবিশ্বাস মাত্ৰ নিৰক্ষৰ লোকৰ মাজতেই বিদ্যমান নহয়। বহু আধুনিক শিক্ষাৰে উচ্চশিক্ষিত হোৱা লোকৰ মাজতো এই ধৰণৰ অন্ধবিশ্বাস থকা দেখা যায়।

প্ৰাচীন ভাৰতত প্ৰচলিত ভয়াবহ অন্ধবিশ্বাস আছিল সতীদাহ প্ৰথা, আধুনিক ভাৰতত সতীদাহ প্ৰথা নিষিদ্ধ কৰা হৈছে যদিও দেশৰ লাখ লাখ নিৰক্ষৰ দৰিদ্ৰ বিশেষকৈ জনজাতীয় আৰু দলিত সম্প্ৰদায়ৰ মাজত চলি আছে দাইনী হত্যা প্ৰথা, সমাজৰ মানুহৰ মাজত প্ৰাদুৰ্ভাৱ ঘটা ৰোগ ব্যাধি কোনো ওজা বা কবিৰাজৰ কুমন্ত্ৰণা, তপজপৰ ফলত ঘটে বুলি তেওঁলোকৰ ধাৰণা। সেয়ে সমাজৰ বয়োবৃদ্ধ বা আন কিছুমান লোকক সেই ৰোগ ব্যাধিৰ বাবে অভিযুক্ত কৰে, হত্যা কৰে। কিছুমান সমাজত আকৌ ৰোগ ব্যাধি কলেৰা, বসন্ত আদি খেদিবলৈ ভোগ দিয়ে, পূজা পাটল কৰে, পানী জৰা, কাচবন্ধা (সুতাৰ গঠি) পানী লাউৰ গুটি ককালত গুঠি লোৱা, তাবিজ বা মাদুলি লোৱা, গঁড়ৰ ছাল পুৰি ছাই খিনি কলত ভৰাই খালে বসন্ত ৰোগ নহয় বুলি থকা ধাৰণা ইত্যাদি অন্ধবিশ্বাস সমূহ প্ৰচলিত হৈ আছে। সেই দৰে হাপানী ৰোগ আৰোগ্য বাবে বাদুলিৰ মাংস খোৱা, ককাল বিষ আৰোগ্যৰ বাবে শিয়ালৰ দাত ককালত উলমাই লোৱা, ল'ৰা-ছোৱালীয়ে ভয় খালে চুঙা বাদুলি টানি ছিঙি জিভাত তেজৰ টোপাল দিয়া, লো পুৰি পানীত জুবুকাই পানী খুউবা আদি অন্ধবিশ্বাস। হেম'ৰ'ইড বা অৰ্শ বেমাৰ আৰোগ্যৰ বাবে অষ্ট ধাতুৰ আঙুঠি পৰিধান আৰু গ্ৰহ দোষ নাশৰ বাবে ৰংবিৰিঙৰ মনিক পাথৰৰ আঙুঠি পৰিধান অন্ধবিশ্বাস।

প্ৰসুতিক পুষ্টিকৰ খাদ্য খাবলৈ নিদি আলু পিটিকা, কালজিৰা চাটনি, তিল বটা আদি খাবলৈ দিয়া, প্ৰসুতি থকা ঘৰৰ দৰজাত খেজুৰৰ ঠাৰি আৰি দিয়া আৰু প্ৰসুতিৰ লগত সদায় লোৰ সজুলি এপাট ৰখাৰ প্ৰথাও অন্ধবিশ্বাস। পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে কণী খালে পৰীক্ষাত শূন্য পায় বুলি বহু মানুহৰ মাজত অন্ধবিশ্বাস আছে, ৰাতি শাক খালে দুখীয়া হয়। এৰা গাখীৰ চেনী, মৌ, ঘী আৰু কল একে লগে মিহলাই খাব নাপায় বুলি কিছুমান মানুহৰ মাজত অন্ধবিশ্বাস এটা আছে। মহিলাৰ প্ৰসৱৰ পাছত নিৰ্গত ফুল বা প্লেচেন্টা শৰীৰত সানি ললে ছালৰ বেমাৰ ভাল হয় বুলি কিছুমান মানুহৰ মাজত বদ্ধমূল ধৰণা এটা আছে।

কুকুৰে কামুৰিলে জৰা নিমখ খুৱাই আৰোগ্য কৰাৰ যি প্ৰথা আমাৰ সমাজত প্ৰচলিত আছে, সেয়া অন্ধবিশ্বাসৰ বাহিৰে একো নহয়। সাধাৰণতে ৰেবিছ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত কুকুৰে কামুৰিলে মানুহ বা অইন জীৱজন্তু





জলাতংক বেমাৰ হয়। যদিহে কামোৰা কুকুটো ৰেবিছ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত নহয়, তেন্তে আক্ৰান্ত ব্যক্তিৰ জলাতংক বেমাৰ নহয়। ঘা বোৰ আপোনা আপুনি শুকাই যায়। সেই ক্ষেত্ৰত নিমখ জৰা, পঢ়া পানীয়ে সুফল দিয়ে। কিন্তু ৰেবিছ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত কুকুৰে কামুৰিলে জলাতংক হোৱাটো খাটাং আৰু মৃত্যু নিশ্চিত, সেই ক্ষেত্ৰত নিমখ জৰা আৰু পঢ়া পানীয়ে কোনো কাম নিদিয়ে।

সাপে খোটাৰ ক্ষেত্ৰতো আমাৰ সমাজত প্ৰচলিত হৈ আছে এক বহু ব্যাপ্ত অন্ধবিশ্বাস, বিষাক্ত সাপে খুটিলে কোনো ওজাই তাক আৰোগ্য কৰিব নোৱাৰে। দেখা যায় যে বেছি ভাগ ক্ষেত্ৰতে কামোৰা সাপৰ বিষ নাথাকে, আতংকত সাপে খোটা ৰোগী অচেতন হৈ পৰে, তেনেকুৱা ক্ষেত্ৰত বেজে বেজালি কৰি ৰোগীক আৰোগ্য কৰিব পাৰে। কিন্তু বিষাক্ত সাপে খুটিলে তাৎক্ষণিক আধুনিক চিকিৎসা অবিহনে মৃত্যু নিশ্চিত। বেজৰ বেজালিয়ে ৰোগীক কোনো মতেই আৰোগ্য কৰিব নোৱাৰে।

সূৰ্য্য গ্ৰহণৰ সময়ত বিশেষ ভাবে সক্ষম (বিকলাংগ) শিশুক গললৈকে মাটিত পুতি ৰাখিলে বিকলাংগ ভাল হয় বুলি কিছুমান সমাজত মানুহৰ মাজত অন্ধবিশ্বাস (বিশ্বাস) আছে।

ফেছিয়েল পালচি (Facial Palsy) আঘাত, উচ্চ ৰক্তচাপ বা ভাইৰাছৰ দ্বাৰা আক্ৰমণৰ ফলত হোৱা এবিধ ৰোগ, এই ৰোগত ৰোগীৰ মুখায়ব ভাজ হয়, কেতিয়াবা চকুৰ এফালৰ পতা নামি যায়, তলৰ ওঠ নামি যায়, জ্বৰ হ'ব পাৰে, ৰোগৰ আৰম্ভণীৰ পৰা দুই সপ্তাহৰ ভিতৰত উপসম হ'বলৈ আৰম্ভ হয়। ডাক্তৰৰ চিকিৎসা নললে কেতিয়াবা মুখৰ আকৃতিৰ ভাজ থাকি থাকি যায়। আৰম্ভণীৰ পৰা ছয় মাহৰ ভিতৰত ৰোগী আপোনা আপুনি আৰোগ্য হয়। মানুহৰ মাজত এই ক্ষেত্ৰত এনে এক (বিশ্বাস) অন্ধবিশ্বাস আছে যে ওজাৰ জৰা ফুকাৰ ফলতহে ৰোগীয়ে আৰোগ্য লাভ কৰে।

বস্তাবাবাই নদীৰ গৰাখহনীয়া প্ৰতিৰোধ (নদী ফিৰানি) কৰিব পাৰে বুলি আমাৰ সমাজৰ একশ্ৰেণীৰ লোকৰ মাজত অন্ধবিশ্বাস (বিশ্বাস) এটা আছে, প্ৰকৃততে এই ধৰণৰ কোনো আলৌকিক গুণ মানুহৰ মাজত নাই যাৰ দ্বাৰা নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰিব পাৰে কিন্তু মানুহৰ অজ্ঞতাৰ সুযোগ লৈ ভণ্ড সকলে ব্যৱসায় কৰে। কামধেনু গাই বুলি বিশেষ প্ৰজাতিৰ কোনো গৰু নাই যাৰ গাখীৰ খালে মানুহৰ সকলো প্ৰকাৰ ৰোগ ব্যাধিৰ আৰোগ্য হয়। কিন্তু চতুৰ মানুহে অপৈণত পোৱালী জোগোৱা গাই গৰুৰ পোৱালীটো গোপনে পেলাই দি, পোৱালী নোজোগোৱাকৈ গাইজনীয়ে গাখীৰ দিয়া বুলি কামধেনু গাই সজাই ব্যৱসায় কৰে। একেদৰে ধৰ্ম নকৰা মানুহৰ লগত উঠা বহা, চলা-ফুৰা কৰিলে পৰকালত জবাব দিব লাগিব বুলি একশ্ৰেণীৰ শিক্ষাৰ প্ৰমাণ পত্ৰধাৰীৰ মাজত অন্ধবিশ্বাস (বিশ্বাস) আছে।

এইদৰে বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিত অন্ধবিশ্বাস-কুসংস্কাৰ আমাৰ সমাজত চলি আছে। মাত্ৰ চলি থকাই নহয়, বহু সময়ত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বশৱৰ্তীহৈ মানুহে বহু অথন্তৰো ঘটায়। অজ্ঞতা, মতান্ধতা

আৰু কেতিয়াবা ন্যাস্ত স্বাৰ্থ সিদ্ধিৰ বাবেও বহুলোকে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ আশ্ৰয় লয়। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ গণতান্ত্ৰিক দেশ, যদিও দেশত বৰ্তমান এনে এক পৰিৱেশৰ সৃষ্টি হৈছে যে কোনে কি খাব, কেনেকুৱা সাজপাৰ পিন্ধিব, কাক ছালাম দিব, কাক নমস্কাৰ কৰিব আদি কথালৈ বিৰ্তকৰ সৃষ্টি হৈছে। এক পক্ষৰ খাদ্য আন পক্ষৰ দেৱতা আদি ধাৰণা আৰু মতবাদবোৰ প্ৰকৃততে ন্যাস্ত স্বাৰ্থ সিদ্ধিৰ বাবেই বৰ্তাই ৰখাই হৈছে। অন্ধবিশ্বাস আৰু কুসংস্কাৰ সমাজৰ সামগ্ৰীক উন্নয়ণৰ প্ৰতিবন্ধক, ইয়াৰ দ্বাৰা সমাজৰ গৰিষ্ঠ সংখ্যক লোক শোষিত আৰু নিৰ্যাতিত হয়, কিন্তু লাভান্বিত হয় সমাজৰ মুষ্টিমেয় কিছুসংখ্যক লোক।

◇◇◇◇◇

## মহৎ লোকৰ বাণী

* মদ আৰু নাৰী সকলোকে নিৰ্বোধ বনাই দিয়ে-
বিটলাৰ।

* আটাইতকৈ সুখী মানুহ হ'ল সেইজন যিজনে অতি কম বস্তুক লৈয়ে সন্তুষ্ট হৈ থাকিব পাৰে-
ছক্ৰেটিছ।

* মানুহৰ আটাইতকৈ মূল্যবান বস্তু তেওঁৰ সুনাম-
ছক্ৰেটিছ।

* অধমজনে দোষ বিচাৰে, মধ্যজনে দোষ-গুণ আৰু উত্তম জনে কেৱল গুণহে বিচাৰে-
লেনিন।

সংগ্ৰাহক
শেখ তাহিৰা হক।
স্নাতক মহলাৰ পঞ্চম যান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ।





# স্ব-অসংক্ৰাম্যতা (Autoimmunity) আধুনিক বিশ্বৰ মানৱ স্বাস্থ্যৰ বাবে ভাবুকি-কাৰণ আৰু নিৰাময়

ড০ এম. এছ. শ্বেইখ
সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ

ভাইৰাছ, বেক্টেৰিয়া আদি ৰোগোৎপাদক মাৰাত্মক বীজাণু আৰু বিষদ্ৰব্য আমাৰ শৰীৰত প্ৰৱেশ কৰিলে তেজ আৰু লসিকাত থকা B- লিম্ফ চাইট আৰু T- লিম্ফ চাইট কোষবোৰে অবৈধ বা বাহিৰগত (এন্টিজেন বা প্ৰতিজনক ) দমন কৰাৰ বাবে এন্টিবডি (প্ৰতি দেহ) ৰ সৃষ্টি কৰি অনুপ্ৰৱেশকাৰীক প্ৰতিৰোধ কৰে।

B- লিম্ফ চাইট আৰু T- লিম্ফ চাইট সমূহৰ এটা গুৰুত্ব পূৰ্ণ বৈশিষ্ট হ'ল নিজৰ আৰু বহিৰাগত বীজাণু আৰু বিষদ্ৰব্য (বিশেষকৈ প্ৰটিন ধৰ্মী) চিনাক্ত কৰিব পৰা ক্ষমতা। অৰ্থাৎ অসংক্ৰাম্যতাই সদায় বহিৰাগত প্ৰটিনক ধংস কৰে আৰু সুস্থ অৱস্থাত কেতিয়াও নিজা প্ৰটিনৰ ওপৰত আক্ৰমণ নকৰে।

কিন্তু যেতিয়া অসংক্ৰাম্যতন্ত্ৰই নিজ শৰীৰৰ প্ৰটিনক ভুলবশতঃ আক্ৰমণ কৰি নিজৰ প্ৰটিনৰ বিপৰীতে এন্টিবডি সৃষ্টি কৰিবলৈ ধৰে তাক স্ব-অসংক্ৰাম্যতা বোলে।

২০১৯ চনৰ এক সমীক্ষানুযায়ী বিশ্বত ৭০০ নিযুত (মুঠ জন সংখ্যাৰ ৮.৫ শতাংশ) মানুহ স্ব-অসংক্ৰাম্যতাৰ চিকাৰ হৈ কৰুণ মৃত্য বৰণ কৰিব লগা হৈ আছে। চিকিৎসক সকলে স্ব-অসংক্ৰাম্যতাক বিশ্বৰ চতুৰ্থ ঘাতক ৰোগ হিচাপে অভিহিত কৰিছে। এই বিধ ৰোগ শৰীৰৰ যিকোনো অংগত দেখা দিব পাৰে। আধুনিক চিকিৎসা বিজ্ঞানে ৮০ বিধৰো অধিক স্ব-অসংক্ৰাম্যতা ৰোগ চিনাক্ত কৰিবলৈ সক্ষম হৈছে। এইবোৰৰ ভিতৰত সচৰাচৰ হোৱা অতি মাৰাত্মক ৰোগ কেইবিধৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ যত্ন কৰা হ'ল-

১। **ৰিউমেটিক আৰ্থাইটিছ**
গাঠি সমূহ ফুলি উঠি টান হয়।

২। **ছিষ্টেমিক লুপাছ ইৰিথিমাট ছিছ**
গাঠিফুলি অতিমাত্ৰা বিষ হোৱা, অত্যন্ত ভাগৰ লগা, মুৰৰ বিষ, গাল, থুতুৰি, নাক আদিত পখিলা সদৃশ ৰঙা- ইনফেকচন, মুৰৰ চুলি সৰা, ৰক্তহীনতা , তেজ পলমকৈ গোট মৰা, আদি লক্ষণে দেখা দিয়ে।

৩। **ইনফ্লেমেটৰী বাওৱেল ৰোগ**
অতিমাত্ৰাত বায়ু নিৰ্গত হোৱা, পেটৰ বিষ, ডাইৰিয়া, মৃদুজ্বৰ, ওজনহ্ৰাস, ৰক্তহীনতা আদি লক্ষণে দেখা দিয়ে। এই বিধ ৰোগক আলচাৰেটিভ কলাইটিছ বুলিও কোৱা হয়।

৪। **মাল্টিপেল স্কলীৰছিছ**

মস্তিষ্ক আৰু স্নায়ু ৰজ্জু আক্ৰান্ত হোৱাৰ ফলত কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ আৰু দেহৰ আন অংশৰ লগত যোগাযোগ বিচ্ছিন্ন হৈ ৰোগী জীৱন্ত পিৰামিডত পৰিণত হয়।

৫। **টাইপ-১ ডায়াবেটিছ মেলিটাছ**

অগ্নাশয়ৰ ইনছুলিন হৰ্মন উৎপাদক কোষ সমূহ ধবংস কৰাৰ ফলত ইনছুলিনৰ মাত্ৰা হ্ৰাস হৈ সৃষ্টি কৰা মধুমেহ ৰোগ।

৬। **গুইলেটন বেৰি লক্ষণ**

হাত-ভৰিৰ আঙুলিৰ মুৰত বেজিৰে বিন্ধা বিষ অনুভৱ, মাংস পেশী দুৰ্বল হোৱা, নাক চকু, মুখ জিহ্বা আদি লৰচৰ কৰাত কষ্ট বা সমস্যা দেখা দিয়া, ককালত অতিমাত্ৰা বিষ আদি।

৭। **দুৰিয়াছিছ**

ছালৰ কোষৰ দ্ৰুত বৃদ্ধি হৈ ৰঙা পিণ্ডৰ সৃষ্টি কৰা।

৮। **গ্ৰেভছ ডিজিছ**

ইয়াক হাইপাৰ থাইৰয়ডিজম বা অতি সক্ৰিয় থাইৰয়ড ৰোগ বুলি কোৱা হয়। দুঃচিন্তা বৃদ্ধি, হাত আৰু আঙুলিৰ মৃদু কম্পন, গলগণ্ড হোৱা, মাহিলি চক্ৰৰ সঘন পৰিবৰ্তন, হৃদস্পন্দন বৃদ্ধি, চকু বাহিৰলৈ উঠি অহা চুলি সৰা আদি লক্ষণে দেখা দিয়ে।

৯। **ক্ৰনিক ইনফ্লেমেটৰি ডিমাইলিনেটিং পলিনিউৰপেথি লক্ষণ**

দেহপুৰি যোৱা বিষ অনুভৱ, অত্যন্ত ভাগৰ লগা, খোৱা বস্তু গিলি খাওঁতে কষ্ট অনুভৱ, মাংশ পেশী দুৰ্বল হোৱা আদি লক্ষণে দেখা দিয়ে।

১০। **হাছিম'টছ থাইৰয়ডিটিছ**

থাইৰয়ড হৰ্মন উৎপাদন হ্ৰাস হোৱাৰ ফলত দেহৰ ওজন বৃদ্ধি, ঠাণ্ডা সংবেদনশীল, ভাগৰ লগা, চুলি সৰা, গলগণ্ড হোৱা আদি লক্ষণ প্ৰকাশ পায়।

১১। **পাৰনিছিয়াছ এনেমিয়া**

ক্ষুদ্ৰান্ত্ৰত ভিটামিন B-12 শোষণ কৰিব নোৱাৰা বা ব্যঘাত হোৱাৰ ফলত দেখা দিয়া ৰক্তহীনতা আৰু ভাৰ সাম্যহীন DNA সংশ্লেষণ প্ৰধান লক্ষণ । ৬০ বছৰৰ উৰ্দ্ধৰ ব্যক্তিয়ে এইবিধ স্ব-অসংক্ৰাম্যতাত আক্ৰান্ত হয়।

১২। **অটইমিউন হেপাটাইটিছ**

স্ব-অসংক্ৰাম্যতাৰ ফলত যকৃৎ কোষ আক্ৰান্ত হৈ ,যকৃতৰ আকাৰ বৃদ্ধি (হেপাটমেগালি), কলা ৰঙৰ পেচাব, পেটফুলা, শেতা বৰণৰ মল আদি ইয়াৰ প্ৰধান লক্ষণ।

১৩। **ছ'গ্ৰেনছ ছিনড্ৰম**

চকু আৰু মুখৰ স্বাভাৱিক চলনৰ বাবে প্ৰয়োজন হোৱা তৈলদ্ৰব্য শুকাই গৈ শুষ্ক হোৱাৰ ফলত চকু- মুখৰ চলন বন্ধ হোৱা।

১৪। **ছিলিয়াক ৰোগ**

গম, মাহ জাতিয় শস্যত পোৱা গ্লুটেন প্ৰটিন হজম কৰিব নোৱাৰা এবিধ বিশেষ ৰোগ।



১৫। **মাইয়াছথেনিয়া গ্ৰেভিছ**

মস্তিষ্কৰ দ্বাৰা মাংসপেশী নিয়ন্ত্ৰণ স্পন্দন ব্যাহত হোৱাৰ ফলত মাংস পেশী দুৰ্বল হোৱা, চকু-মুখ-জিহবা আদিৰ সঞ্চালন ক্ষমতা হ্ৰাস হয়।

১৬। **অটইমিউ'ভাছকুলিটিছ**

ৰক্ত সংবহন নলীকা সমূহ আক্ৰান্ত হোৱাৰ ফলত ধমনী আৰু সিৰা সমূহৰ বিন্ধা সংকীৰ্ণ হৈ জ্বলন অনুভৱ আৰু উচ্চ ৰক্তচাপ দেখা দিয়ে। বৰ্তমান আধুনিক জীৱন ধাৰাত কাৰ্ডিঅ ভাছকুলাৰ ৰোগীৰ সংখ্যা বিশেষকৈ হৃদাক্ৰান্ত, ষ্ট্ৰোক আদিত ভোগা ৰোগীৰ সংখ্যা বিশ্বজুৰি দ্ৰুত বৃদ্ধি হোৱাৰ ফলত জনস্বাস্থৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

১৭। **ক'হনছ ছিনড্ৰম**

অধিবৃক্কৰ দ্বাৰা অতি মাত্ৰাত এলডছটেৰন হৰ্মণ ক্ষৰন হোৱাত উচ্চ ৰক্ত চাপত ভোগে (হাইপাৰ টেনচন)।

১৮। **কৰ্কট**

স্ব-অসংক্ৰাম্যতাৰ ফলত শৰীৰৰ যিকোনো অংগত কৰ্কট ৰোগ হোৱাৰ সম্ভাৱনা অতি মাত্ৰাত অধিক।

**ক) জিনীয় কাৰক (Genefic factors) ঃ**

জিনীয় বিসংগতিৰ ফলত স্ব-অসংক্ৰাম্যতা সৃষ্টি কৰা এণ্টিবডি উৎপন্ন হয়। কিছুমান পৰিয়ালত ই বংশগত ভাবে সঞ্চাৰিত হয়।

**খ) পৰিৱেশিক কাৰক (Environmental factor) ঃ**

প্ৰদূষিত পৰিৱেশৰ ৰোগোৎপাদক বীজাণু (বেক্টেৰিয়া, ভাইৰাছ), কীটনাশক দ্ৰব্য, বিষদ্ৰব্য, প্ৰদূষিত বায়ু পানী আৰু খাদ্য সেৱন, কল-কাৰখানা আদিৰ সংস্পৰ্শত অহা শ্ৰমিক বা ব্যক্তি আদি স্ব- অসংক্ৰাম্যতা সৃষ্টিৰ মূল কাৰণ বুলি বিজ্ঞানী সকলে ধাৰণা কৰিছে যদিও সঠিক উত্তৰ প্ৰায় ক্ষেত্ৰত বিচাৰি পাবলৈ সক্ষম হোৱা নাই।

**গ) অন্যান্য কাৰণঃ**

যথেমধে ঔষধ সেৱন , ড্ৰাগছ (ৰাগিয়াল) বস্তু সেৱন আৰু খাদ্য অভ্যাসো স্ব-অসংক্ৰাম্যতা সৃষ্টিৰ কাৰণ বুলি চিহ্নিত কৰা হৈছে। স্মৰ্তব্য যে, পুৰুষৰ তুলনাত মহিলা সকল স্ব-অসংক্ৰাম্যতাৰ দ্বাৰা আক্ৰান্তৰ হাৰ ৭৫ শতাংশ বেছি।

**স্ব-অসংক্ৰাম্যতাৰ চিকিৎসাঃ**

স্ব-অসংক্ৰাম্যতাৰ পৰা উপশম পাবলৈ ন-ন আধুনিক কৌশল আৰু প্ৰযুক্তি ব্যৱহাৰ কৰিলেও ইয়াৰ সম্পূৰ্ণ উপশম বিধি বৰ্তমানেও উদ্ভাৱন হোৱা নাই। সচৰাচৰ ব্যৱহাৰ কৰা চিকিৎসা পদ্ধতি সমূহ হ'ল -

ক) কৰ্টিক'ষ্টেৰইড, এজাথিঅপ্ৰাইন, ছাইক্লফছফ'মাইড আদি অসংক্ৰাম্যতা দমন কাৰী ঔষধ, আদি NSAID (Non-Steroid Anti-inflamatory Drugs) যেনে আইবুপ্ৰফেন , নেপ্ৰজেন আদি ঔষধ ব্যৱহাৰ কৰি স্ব-অসংক্ৰাম্যতা ৰোগৰ প্ৰাৱল্যতা হ্ৰাস কৰিব পাৰি যদিও শৰীৰৰ সম্পূৰ্ণ অসংক্ৰাম্য

তন্ত্ৰটো প্ৰভাৱান্বিত হোৱাৰ ফলত কৰ্কট আদিৰ দৰে আন জটিল ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনা অধিক প্ৰকট হৈ পৰে।

খ) প্লাজমাফ ৰেছিছ নামৰ পদ্ধতিৰ দ্বাৰা ৰোগীৰ শৰীৰৰ প্লাজমাত থকা এণ্টিবডিবোৰ চেণ্ট্ৰি ফিউজ পদ্ধতিৰে নিষ্কাশন কৰিও সফলতা পোৱা যায়।

গ) T- লিম্ফচাইট কোষযুক্ত ছিটা প্ৰয়োগৰ দ্বাৰাও ইয়াৰ চিকিৎসা কৰা হয়।

ঘ) মন ক্লনেল এণ্টিবডি ব্যৱহাৰ কৰিও স্ব-অসংক্ৰাম্যতা ৰোগ নিৰাময় কৰিব পৰা যায়।

আধুনিক চিকিৎসা শাস্ত্ৰই স্ব-অসংক্ৰাম্যতা ৰোগ মানৱৰ মৃত্যুৰ চতুৰ্থ ভায়ানক ব্যাধি হিচাপে চিহ্নিত কৰিছে। ভাৰত বৰ্ষতো এইবিধ ৰোগ দ্ৰুত হাৰত বৃদ্ধি হোৱাটো নিশ্চয় চিন্তনীয়। এই বিধ ৰোগৰ লক্ষণ সমূহ দেখা দিলে বিশেষজ্ঞ ডাক্তৰৰ সুপৰামৰ্শ লোৱা আতিকৈ প্ৰয়োজন।

সৰ্বোপৰি স্ব-অসংক্ৰাম্যতাৰ পৰা হাত সাৰিবলৈ প্ৰয়োজন বহুল সজগতাৰ। জীৱন শৈলীৰ পৰিবৰ্তনেহে আমাক এই ভায়াবহ মৃত্যুদূতৰ পৰা ৰক্ষা কৰিব পাৰিব।

◈◈◈◈◈

## মহৎ লোকৰ বাণী

* তেৱেঁই আমাৰ আচল বন্ধু যিজনে মৰমৰ মাতেৰে আমাৰ ভুলবোৰ দেখুৱাই দিয়ে-

ছক্ৰেটিছ।

* আনক সমালোচনা কৰাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা-

ছক্ৰেটিছ।

* সংগ্ৰামহীন জীৱন, জীৱনেই নহয়, সংগ্ৰাম বা সংঘাতে মানুহক যি প্ৰেৰণা যোগায়, সেই প্ৰেৰণাৰে মানুহে অসাধ্যও সাধন কৰিব পাৰে-

নেপোলিয়ন।

সংগ্ৰাহক
শেখ তাহিৰা হক।
স্নাতক মহলাৰ পঞ্চম যান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ।





# মানৱ আয়ুকাল পাঁচশ বছৰ হ'ব

সামছুল আলম
সহকাৰী আধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।

অহা যোৱাৰ নিয়মটো প্ৰাকৃতিক। জীৱন যিদৰে বাস্তৱ, তেনেদৰেই ইয়াৰ সাপেক্ষে মৃত্যুও অপৰিহাৰ্য বাস্তৱতা। মানুহৰ বয়স বাঢ়ি গৈ থকাটোও প্ৰাকৃতিক নিয়ম। তাৰ লগতে মৃত্যুৰ আশংকাও বাঢ়ি গৈ থাকে। জীৱনৰ পৰিসৰ বৰ্ধিত কৰি মৃত্যুক বিলম্বিত কৰাৰ বাবে মানুহৰ প্ৰচেষ্টাৰ অন্ত নাই। চিকিৎসা বিজ্ঞানৰ উন্নয়ণৰ কল্যাণত বহুতো ৰোগৰ মুখামুখী হৈও মানুহ বাচি থকাৰ শক্তি অৰ্জন কৰিছে। তথাপিও আজিৰ দিনতো মানুহে এশ বছৰ জীয়াই থকাটোকেই আড়ুত কাণ্ড হিচাপে চায়। এতিয়া যদি কোনোৱাই কয় ভৱিষ্যতে মানুহ ৫শ বছৰ জীয়াই থাকিবলৈ সক্ষম হ'ব। মানৱ আয়ু বঢ়াবলৈ টেক-জায়ান্ট গুগল নামৰ সংস্থাই লাখ লাখ ডলাৰ ধন বিনিয়োগ কৰি গৱেষণা চলাই আছে। আমাৰ সাধাৰণ ধাৰণা হল মৰণশীল দেহটোত বয়সজনিত কাৰণত যিবোৰ প্ৰভাৱ পৰে সেইবোৰ প্ৰতিহত কৰা সম্ভৱ নহয়। এই ধাৰণাৰ পৰিৱৰ্তন ঘটাবলৈ নতুন চিকিৎসা পদ্ধতিৰ মাধ্যমত কিদৰে ৰোগ প্ৰতিহত কৰি আয়ুস দীৰ্ঘায়িত কৰা যায় তাকে লৈ প্ৰতিষ্ঠানটোৱে কাম কৰি আছে। মানুহে যি কল্পনা কৰে সেয়া অজণ কৰিবলৈ যথেষ্ট উপাদান জীৱ-বিজ্ঞানত আছে। সেই অনুসৰি উন্নত চিকিৎসা পদ্ধতি আৱিস্কৃত হলে মানুহৰ পক্ষে দীৰ্ঘজীৱি হোৱাটো সম্ভৱ।

বিচিত্ৰ জীৱজগতত বিভিন্ন জীৱৰ আয়ুকালো বিচিত্ৰ। সাধাৰণ পৰিৱেশত জীৱন-যাপন কৰা জীৱবোৰ মাত্ৰ এদিন আয়ুকালৰ পৰা ৩০০০ বছৰ পৰ্যন্ত বিভিন্ন দৈৰ্ঘৰ আয়ুকালৰ হয়। যথেষ্ট হ্ৰস্বজীৱিৰ পৰা বহুতো দীৰ্ঘজীৱি হোৱাৰ ক্ষেত্ৰত প্ৰাণীবোৰৰ পৰিৱেশ আৰু বিপাক ক্ৰিয়াৰ প্ৰভাৱ সৰ্বাধিক।

অতি সুক্ষ্মা মৰম লগা জীৱ জল-ভালুক, শৈবাল গাহৰি (0.05-1.0 mm) খৰ্ব-গড় আৰু আৰমাডিলো আদি জন্তু ডিচকভাৰি নেটৱৰ্ক, এনিমেল প্লেনেট আদিৰ অধ্যয়ণ মতে পৃথিৱীৰ আটাইতকৈ খহটা পৃষ্ঠৰ প্ৰাণী। ইহঁতে পৰিৱেশ প্ৰতিকুল অৱস্থা পালে Cryptobiosis অৱস্থালৈ যায় আৰু বিপাক ক্ৰিয়া প্ৰায় 0.01 শতাংশলৈ কমি আহে। এই অৱস্থাত সিহঁতে $200^0C$ ৰ পৰা $149^0C$ উত্তাপতো বৰ্তি থাকিব পাৰে। এনেকি 87,000 PSI চাপতো সুন্দৰকৈ জীয়াই থাকিব পৰা হয়। Cryptobiosis অৱস্থাত সিহঁতৰ জীৱন স্থবিৰ হয় আৰু প্ৰায় ৩০ বছৰলৈ জীয়াই থাকে। কিছুমান প্ৰতিবেদন মতে সিহঁত ১০০ বছৰলৈ জীয়াই থাকে।

পৃথিৱীৰ প্ৰায় সকলো সমুদ্ৰ, নদী মাটি আদিত প্ৰায় ১০০ প্ৰজাতিত Tardigrade (মন্থৰ চলন) সংঘটিত হয়। পৃথিৱীত Tardigrade প্ৰায় ৫৪১ নিযুত বছৰ পূৰ্বে সংঘটিত হোৱা বুলি বিশ্বাস কৰা হয় আৰু বিভিন্ন প্ৰলয়ৰ মাজতো অক্ষত হৈ যোৱাৰ প্ৰৱণতা দেখা যায়। Tardigrade ত কেইবা ধৰণৰ এনে বৈশিষ্ট আছে যে জীৱনৰ বিভিন্ন প্ৰত্যাহবানৰ বিৰুদ্ধেও সহনশীলতা প্ৰদৰ্শন কৰে। সিঁহতে কিছুমান বিশেষ ক্ষমতাসম্পন্ন প্ৰটিন সংশ্লেষণ কৰে যিয়ে ফ্ৰিজিং কালত কোষৰ ভংগুৰ উপাদান সমূহকো অবিচল ৰাখে। সিঁহতে ভালে সংখ্যাক এন্টি অক্সিডেন্ট আৰু Trehalose ৰ দৰে সংৰক্ষক শৰ্কৰা প্ৰস্তুত কৰে। অজানিত কাৰণত Tradigrade DNA বোৰ বিকীৰণৰ প্ৰতি সহনশীল আৰু ৰোনো ক্ষতি হলে দক্ষতাৰে মেৰামতি কৰি লয়। ২০১৭ বৰ্ষত চিহ্নিত কৰা এক শ্ৰেণীৰ প্ৰটিন (IDPs-Intrinsically Disordered Proteins) Tradigrade ত থাকে যিয়ে Anhydrobiosis নিৰ্জলজীৱি কালত কোষবোৰক অবিচল, সুৰক্ষিত ৰাখে। এই প্ৰটিনবোৰে কোষীয় গঠন আৰু অণুবোৰক আগুৰি এখন সংৰক্ষক কাঁচৰ আবৰণ গঠন কৰে।

Harvard Medical School ৰ Roger Change ৰ তত্বাৱধানত এটা বৈজ্ঞানিক দলে সম্প্ৰতি আঘাতমূলক ভাৱে মানৱৰ ক্ষতস্থানৰ ৰক্তক্ষৰণ প্ৰতিৰোধ আৰু পচনশীল কলাৰ পচন বন্ধ কৰিবলৈ IDP ৰ দক্ষতা সম্পৰ্কে কাম কৰি আছে। কিন্তু প্ৰাথমিক আয়ু সম্পৰ্কীয় অসুস্থতা যেনে হৃদ আক্ৰমণ, হৃদ অভিঘাত আদিৰ চিকিৎসা ক্ষেত্ৰত এইবোৰৰ প্ৰয়োগ আশা কৰিব পাৰি।

Slovenia আৰু Croatia ৰ তিমিৰাছন্ন গুহাবোৰত পোৱা Human Fish (Protues anguinus Halics) নামৰ উভচৰ বিধ প্ৰাকৃতিক বাসস্থানত ১০০ বছৰৰ অধিক কাল জীয়াই থাকে। প্ৰাক্কালীন অধ্যয়ণ মতে দীৰ্ঘজীৱি জন্তুবোৰৰ সুদীৰ্ঘ আয়ুকালৰ ৰহস্য হ'ল নিম্ন বিপাকীয় হাৰ আৰু সুদক্ষ এন্টিঅক্সিডেন্ট কৌশল। ফ্ৰান্সৰ Lyon University ৰ Yann Voituron ৰ মতে এই প্ৰাণীবোৰৰ মাইটকন্ড্ৰিয়াৰ কাৰ্য প্ৰণালী আচহুৱা যাৰ ফলত দীৰ্ঘজীৱি হয়। ইঁহতৰ মাইট,কন্ড্ৰিয়াই এনে কৌশলেৰে ATP প্ৰস্তুত কৰে যাতে নিম্ন মাত্ৰাত মুক্ত-মূলক প্ৰস্তুত হয়। অন্নান্য দীৰ্ঘজীৱি প্ৰজাতিসমূহৰ অধ্যয়নৰ পৰা জনা যায় যে ইঁহত দীৰ্ঘজীৱি হ'বলৈ নিম্ন অক্সিজেন পৰিৱেশত বৰ্তি থাকিবলৈ শিকিছে আৰু জাৰণৰ দ্বাৰা হোৱা ক্ষতি পৰিহাৰ কৰিবলৈ বিৱৰ্তিত হৈছে।

২০০৬ বৰ্ষত UK ৰ Bangor University ৰ এটা গৱেষক দলে সামুদ্ৰিক Calm Quahog নামৰ প্ৰাণী বিশ্বৰ দীৰ্ঘতম আয়ুসৰ প্ৰাণী বুলি ঘোষণা কৰিছে। জন্মৰ সময়ত ইয়াৰ



বংশই চীন দেশত যথেষ্ট প্ৰভাৱশালী আছিল আৰু সেয়ে ইয়াক Ming the Mollusk খোলাধাৰী যোনা-শামুক বুলি নাম দিয়া হৈছিল।

Ming জাতীয় যোনা শামুকবোৰ বহুতো বাৰ্ধক্যবিদৰ আকৰ্ষণ আছিল, যি সকলে দেখুৱায় যে, সিহঁতৰ অভূতপূৰ্ব উৰ্দ্ধতনৰ লগত জাৰণৰ বিৰুদ্ধে অণু আৰু কোষক সুৰক্ষা দিয়াৰ ক্ষমতা সম্পৰ্কিত হ'ব পাৰে। এনেকি, খোলাধাৰীবোৰে এই ক্ষমতাও বিৱৰ্তিত কৰিছে যিয়ে প্ৰটিনবোৰৰ ভ্ৰান্তভাজ ৰোধ কৰে আৰু সম্প্ৰতিকালত ভালদৰে জনা গৈছে যে প্ৰটিনৰ ভুল ভাজকৰণ, কেইবাবিধ বয়স সম্বন্ধীয় ব্যাধি যেনে Alzheimer আদিৰ কাৰক।

ওপৰত বৰ্ণিত ভালেকেইবিধ দীৰ্ঘজীৱি প্ৰাণীৰ বৰ্ণনাৰ লগে লগে বাৰ্দ্ধক্যবিদসকলৰ বাবে সম্প্ৰতি অইন এটা প্ৰিয় বিষয় হল অতি চুটি জীৱন কালৰ গৱেষণা। আফ্ৰিকাৰ Killi fish হ'ল বিশ্বৰ হ্ৰস্বজীৱি মেৰুদণ্ডীৰ ভিতৰত অন্যতম। যাৰ জীৱন চক্ৰ ৩-৪ মাহতে সম্পূৰ্ণ হৈ যায়।

এবাৰ বৰ্ষাঋতু শেষ হলে শুকাই যোৱা পুখুৰীৰ কিছুমান মেৰুদণ্ডীয়ে সিহঁতৰ জীৱনচক্ৰ বতৰীয়া ধৰণে সম্পূৰ্ণ কৰে। সিঁহতে পুখুৰী শুকাই যোৱাৰ পূৰ্বেই কণী পাৰে আৰু পুখুৰীটো পুনৰ জলপূৰ্ণ নোহোৱালৈকে কণীবোৰ সুপ্ত অৱস্থাত হৈ যায়। Killi fish বোৰে ৩-৪ সপ্তাহ বয়সতে প্ৰজনন আৰম্ভ কৰে।

নিম্নগামী উৰ্বৰতা আৰু জ্ঞানগত কাৰ্য, পেশী-পিণ্ডৰ ক্ষতি কৰ্কট-টেমুনা গঠনৰ প্ৰৱণতা আদি বৃদ্ধি কিলিফিছত সুস্পষ্ট হোৱাৰ বাবে ইয়াক বাৰ্দ্ধক্য অধ্যয়নৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ অভ্যৰ্থী কৰি তুলিছে। গৱেষক সকলে অলপতে কিলিফিছৰ ক্ৰমজমত বাৰ্দ্ধক্য আৰু বাৰ্দ্ধক্য জনিত ৰোগবোৰৰ বাবে বিশিষ্ট জিনবোৰৰ অৱস্থান মানচিত্ৰণ কৰিছে আৰু ইয়াৰ বিভিন্ন কলাত জিনৰ প্ৰকাশ-ধৰণো অধ্যয়ন কৰিছে।

ইয়াৰোপৰি ১৩ টা জিনৰ উৎপৰিৱৰ্তনৰ বাবে প্ৰয়োগ কৰা জিনম সম্পাদনা কৌশল বাৰ্ধক্য প্ৰক্ৰিয়াৰ লগত জড়িত বুলি ভৱা হয়। এই অধ্যয়ন বিশিষ্ট জিনীয় পৰিৱৰ্তন বুজিবলৈ ফলপ্ৰসু হয়। যি জিনীয় পৰিৱৰ্তনৰ ফলত বাৰ্দ্ধক্য আহে আৰু এনে পৰিৱৰ্তনৰ ফলত যিবোৰ ৰোগ হয়, যাৰ পৰিৱৰ্তন কেইবা বছৰত হোৱাৰ পৰিৱৰ্তে দুই এক মাহতে হয়। কিলিফিছৰ টিলমিয়াৰৰ দৈৰ্ঘ মোটামুটি ৬০০০-৮০০০ নিউক্লিয়টাইড, যি হ'ল মানুহৰ লগত সদৃশ।

সেয়ে, গৱেষক সকলে উক্ত মাছত টিলমেৰাজ-অক্ষমকাৰী উৎপৰিৱৰ্তনৰ প্ৰভাৱ অতি সোনকালে চাবলৈ সক্ষম হৈছিল। আমোদজনক ভাৱে, যিটো মাছৰ টিলমিয়াৰৰ সক্ৰিয়তা অক্ষম কৰি দিয়া হয় সেই মাছটোৰে যিবোৰ বিভিন্ন লক্ষণ দেখুৱায় সেই সকলোবোৰ মানুহৰ ক্ষেত্ৰতো সাদৃশ্য আছে যেনে

ডিছকেৰাটচিছ কনজেনিটা (অস্থিমজ্জা ব্যৰ্থতা লক্ষণ) ব্যাধি, যিটো হ'ল টিলমেৰাজৰ উৎপৰিৱৰ্তনৰ প্ৰভাৱ। সম্প্ৰতিকালৰ এক অনুসন্ধানে প্ৰকাশ কৰে যে কম বয়সীয়া কিলিফিছৰ পৰা বয়সস্থ মাছলৈ আন্ত্ৰিক মাইক্ৰবায়টা (ৰোগজীৱানু) স্থানান্তৰ কৰিলে মেৰুদণ্ডীৰ আয়ুকাল নিয়ন্ত্ৰিত কৰি বাৰ্দ্ধক্য সম্বন্ধীয় পৰিৱৰ্তনবোৰ হ্ৰাস কৰে।

বাৰ্দ্ধক্যৰ পৰিঘটনাৰ অতিৰিক্ত ৰহস্য জানিবলৈ কিছুমান অইন আচৰ্য্যজনক প্ৰাণীক অধ্যয়ণৰ সীমাত অনা হৈছে। যেনে Pheidole এবিধ বৃহৎমুণ্ডীয় পৰুৱা, US ৰ দঃপঃ অঞ্চলৰ স্থানীয় পতঙ্গ যিয়ে বয়সৰ লগত কোনো বাৰ্দ্ধক্য চিন প্ৰদৰ্শন নকৰে। মধ্য আটলান্টিকৰ তিমিবোৰ ২০০ বছৰ আৰু গ্ৰীণলেণ্ড চাৰ্কবোৰ ৪০০ বছৰৰো অধিক কাল জীয়াই থাকে।

বিশ্বজুৰি বিভিন্ন প্ৰাণীয়ে বাৰ্দ্ধক্যৰ বাবে যিমানবোৰ কৌশল প্ৰদৰ্শন কৰে তাত কোনো একক পন্থা নাই। University of Rockester ৰ Biology ৰ অধ্যাপক Dr. Vera Gorbunova ই কয়- দীৰ্ঘজীৱি একেটা পথেৰে বিৱৰ্তিত নহয়, প্ৰতিবিধ দীৰ্ঘজীৱি প্ৰজাতিত আমি কিবা নহয় কিবা নতুনত্ব পাওঁ। বাৰ্ধক্য বিলম্বিত কৰি আয়ুকাল দীৰ্ঘায়িত কৰাৰ প্ৰয়াসৰ ক্ষেত্ৰত টেক-জায়ান্ট গুগল সংস্থাই যিমান শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে তাৰ পৰা আমি পূৰ্ণমাত্ৰাই আশাবাদী যে, আমাৰ জীৱনত নহলেও আমাৰ দুই এটা প্ৰজন্মৰ পৰৱৰ্তী কালত মানৱ জীৱন যথেষ্ট দীঘল হ'ব। তেতিয়া কোনোবাই যদি এজনক এশ বছৰ জীয়াই থকাৰ বাবে আশীৰ্বাদ দিয়ে তেনেহলে সেয়া অভিশাপহে হ'ব। কাৰণ সাধাৰণ ভাবেই মানুহ পাঁছশ বছৰ জীয়াই থাকিব।

◈◈◈◈◈







# শিক্ষা আৰু অৰ্থনৈতিক বিকাশ

মোস্তাফিজুৰ ৰহমান
সহকাৰী অধ্যাপক,
শিক্ষা বিভাগ, নৱজ্যোতি কলেজ, কলগাছিয়া।

অৰ্থনৈতিক বিকাশ উন্নত জীৱন আৰু সমৃদ্ধিৰ সমাৰ্থক। দ্ৰুত অৰ্থনৈতিক উন্নয়নে এখন দেশৰ মানুহৰ উন্নত জীৱন ধাৰণৰ মানদণ্ড তথা উন্নত সামাজিক সেৱাৰ লগতে অইন দেশৰ মানুহক অধিক সাহায্য প্ৰদানত সহায় কৰে। অৰ্থনৈতিক বৃদ্ধিয়ে এটা নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত মুঠ ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিক বুজায়। কিছুমান অৰ্থনীতিবিদৰ মতে জনমূৰি আয়ৰ বৃদ্ধি হৈছে অৰ্থনৈতিক উন্নতিৰ এটি সূচক বা পৰিমাপণ। এনে দৃষ্টিকোণৰ পৰা ধনী তেল উৎপাদিত দেশ যেনে ইৰাণ চৌদি আৰব আৰু কোয়েট, যাৰ বিকাশৰ হাৰ অধিক যি সুস্থ অৰ্থনীতিৰ দৰ্প বা গৰ্ব। কিন্তু হাৰ্বিছন আৰু মায়াৰ্ছৰ নিচিনা অৰ্থনীতিবিদে এই দেশবোৰৰ অধিক জনমূৰি আয়ক অৱজ্ঞা বা আওকাণ কৰি দেশবোৰক অনুন্নত আৰু আংশিক ভাৱে উন্নত দেশৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। আন কিছুমান অৰ্থনীতিবিদে মত দিয়ে যে এদল সুদক্ষ শ্ৰমিক শক্তিয়ে দেশ এখনৰ আয় বৃদ্ধি কৰিব পাৰে। কিন্তু অতিৰিক্ত শ্ৰমিকৰ লগতে সীমিত মূলধন অথবা কাম কৰাৰ আহিলা আৰু ঠাইৰ অভাৱে কেৱল মাত্ৰ অৰ্থনৈতিক বৃদ্ধিৰ পথত থিয়হে দিব পাৰে। মায়াৰ আৰু বল্ডউইনৰ মতে, মুঠ জাতীয় পণ্য আৰু জনমূৰি আয় হৈছে অৰ্থনৈতিক বৃদ্ধিৰ সূচক।

সামাজিক পৰিকাঠামো আৰু শিক্ষা ব্যৱস্থা লগতে অৰ্থনৈতিক বৃদ্ধি দুয়ো আন্তঃসম্পৰ্কিত, এটাৰ অবিহনে আনটো টিকি থাকিব নোৱাৰে। যিয়ে শিক্ষাৰ মানদণ্ডৰ ওপৰত প্ৰভাৱ পেলায়। বালগংগাধৰ তিলকৰ মতে শিক্ষা আৰু অৰ্থনৈতিক বৃদ্ধি হৈছে দ্বি-পাক্ষিক প্ৰক্ৰিয়া য'ত এটাই আনটোক পাৰস্পৰিক বৰঙণি যোগায়।

বৈষয়িক সম্পদ উৎপাদনত শিক্ষাই সহায় কৰে। আলফ্ৰেদ মাৰ্চালৰ মতে, শিক্ষাই সাধাৰণ কামবোৰত মানুহক অধিক বুদ্ধি সম্পন্ন বিশ্বস্ত আৰু অধিক প্ৰস্তুত কৰি তোলে। সেয়েহে সাম্প্ৰতিক সময়ত শিক্ষাক সাৰ্বজনীন ভাৱে এক অধিক কাৰ্যকৰী উৎপাদনশীল কাৰ্য্য স্বৰূপে গ্ৰহণ কৰা হৈছে যিয়ে বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় সমৃদ্ধি আৰু ৰাষ্ট্ৰীয় কল্যাণৰ বিকাশত সহায় কৰে।

উচ্চস্তৰীয় অৰ্থনৈতিক কল্যাণ তৰান্বিত কৰাৰ মূল চাবি কাঠিয়ে মানসিক দৃষ্টিভংগী লগতে কাৰিকৰী জ্ঞান আৰু দক্ষতাৰ মৌলিক পৰিৱৰ্তন কঢ়িয়াই আনে। জাগ্ৰত মন, শুদ্ধ জ্ঞান, সঠিক দক্ষতা আৰু আকাংক্ষিত মনোবৃত্তি আদি হ'ল অৰ্থনৈতিক বিকাশৰ বৃহৎ সূচক। যদি শিক্ষাৰ সঠিক ৰূপায়ণ কৰা হয় আৰু সঠিক ভাৱে

শিক্ষাদান কৰা হয় তেন্তে এইবোৰ প্ৰতিভা আৰু গুণাগুণ সৃষ্টি কৰা সম্ভৱ। ইয়ে বৃদ্ধি প্ৰক্ৰিয়াত আৰু পৰিবৰ্তন প্ৰক্ৰিয়াত এক স্বয়ংক্ৰিয় বোনাছৰ সৃষ্টি কৰে লগতে গতিশীলতা দান কৰে তথা শক্তি যোগায় যি হৈছে উন্নতশীল দেশৰ সম্পদ। শিক্ষাৰ লক্ষ্য হৈছে 3H's (Head, Hand and Heart) ৰ সৰ্বাত্মক বিকাশ সাধন কৰা। 3H'sৰ সৰ্বাত্মক বিকাশ সাধনে সুসংহত ব্যক্তিত্বৰ সৃষ্টি কৰিব যি নিশ্চিত ভাৱে অৰ্থনৈতিক বিকাশত মূল সম্পদ হ'ব।

মানৱীয় বিকাশ হৈছে অৰ্থনৈতিক বিকাশৰ মূল সমল বা সম্পদ। মানৱ সম্পদ পৰিমাণগত আৰু গুণগত দুয়ো দিশত বিবেচনা কৰা হয়। পৰিমাণগত দিশত মানুহৰ সময় আৰু গুণগত দিশত দক্ষতা, জ্ঞান আৰু মানুহৰ মনোবৃত্তি যি এখন দেশৰ বিকাশৰ গতিৰ হাৰ বৃদ্ধি কৰে। এখন দেশৰ প্ৰত্যেকজন মানুহৰ দৃষ্টিভংগী আৰু তেওঁলোকৰ শিক্ষাৰ স্তৰ নিশ্চিত ভাৱে পৰিবৰ্তন হয়। মানৱ (শিক্ষা)ত আধুনিক বিনিয়োগে দক্ষতা, জ্ঞান আৰু মনোবৃত্তিৰ অধিক উন্নতি হ'ব।

শিক্ষাই পালন কৰা বিভিন্ন ভূমিকাৰ মাজত মানৱ সম্পদ বিকাশৰ জৰিয়তে অৰ্থনৈতিক বিকাশৰ ভূমিকা বৰ্তমান বিশেষকৈ অনুন্নত আৰু উন্নয়নশীল দেশবোৰত নিশ্চিত ভাবে অধিক তাৎপৰ্য্যপূৰ্ণ। কালমাৰ্ক্সে এই দিশত শিক্ষাৰ সপক্ষে মত দিয়ে যে "ই হৈছে শ্ৰমৰ বিভাজনৰ অমানৱীয় ফলাফললৈ এক সমভাৰ বা প্ৰতিকূলতাৰ সন্মুখীন হোৱাৰ বাবে পৰিবৰ্তন কামি শক্তি। অন্য কথাত শিক্ষাই উৎপাদনত জড়িত মানৱ শক্তিৰ উন্নতি সাধন আৰু ঔদ্যোগিক বিকাশৰ লগতে অৰ্থনৈতিক সাফল্য বা সমৃদ্ধিৰ সকলো দিশত বৃদ্ধি তথা উৎপাদনত অধিকতকৈ অধিকতৰ লক্ষ্য সাধনৰ উন্নতিত শিক্ষাই সহায় কৰে।

অৰ্থনৈতিক বৃদ্ধিৰ পৰিমাণগত আৰু গুণগত দুয়ো দিশতে শিক্ষাই ভূমিকা পালন কৰে। উৎৰ্সগা সম্পৰীক্ষণৰ দৃষ্টিভংগী, শৈক্ষিক অভিনৱতা আৰু গৱেষণাৰ সৈতে আৰু পৰিকল্পনাত উৎসাহিত কৰাত নিশ্চিয়তা প্ৰদান কৰিবলৈ শ্ৰমিক, দক্ষ প্ৰশাসক, সুপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক তথা অন্যান্য বিভিন্ন বৃত্তিৰ আৱশ্যক। আৱিস্কাৰ আৰু উদ্ভাৱনত অৰ্থ সাহায্যৰে সৈতে শিক্ষাৰ ভূমিকা সমৰ্থিত হ'ব।

গুণাগুণ উন্নতিত শিক্ষাৰ ক্ষমতা আছে, যি মানৱ সম্পদক খাপ খুৱাই লব পাৰে আৰু সিহঁতক অধিক উৎপাদনক্ষম কৰি গঢ়ি তুলিব পাৰে। ১৯২০ শতিকাত এইটো USSR ৰ ক্ষেত্ৰত সমৰ্থিত "একে কাম কৰা একে বয়সৰ নিৰক্ষৰ শ্ৰমিক সকলতকৈ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা শ্ৰমিক সকল ডেৰ গুণ বেছি উৎপাদনক্ষম, মাধ্যমিক শিক্ষা লাভ কৰা শ্ৰমিক সকল দুই গুণ বেছি উৎপাদনক্ষম আৰু স্নাতক শিক্ষা লাভ কৰা শ্ৰমিক সকল চাৰি গুণ বেছি উৎপাদনক্ষম।





কুৰি শতিকাত জাপানৰ অগ্ৰগতি প্ৰশংসাৰ চকুৰে চাবলগীয়া। অধিক জনসংখ্যাৰ ঘনত্ব আৰু প্ৰাকৃতিক সম্পদৰ অভাৱ থকা সত্বেও এই শতিকাত জাপানে দ্ৰুত অৰ্থনৈতিক বৃদ্ধিত সমৰ্থ হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত দেশখনে শিক্ষাৰ ক্ষেত্ৰত ৰাজহুৱা খৰচ অধিক বৃদ্ধি কৰিছে। জাপানত সকলো ল'ৰা-ছোৱালীৰ বাবে সাৰ্বজনীন, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা আছে।

তুলনামূলক ভাৱে Maxico আৰু Brazil (rich in natural resources)- Denmark আৰু Switzerland (Low in natural resources) এ কাৰ্য্যকৰী শিক্ষা ব্যৱস্থাৰ বাবে শেষতীয়াকৈ হলেও জনমুৰি আয় অধিক বৃদ্ধি কৰিব পাৰিছে। আমেৰিকায়ো শিক্ষাৰ ওপৰত ৰাষ্ট্ৰীয় সম্পদৰ আধাতকৈ বেছি খৰচ কৰাৰ বাবে অৰ্থনৈতিক সাফল্য বা সমৃদ্ধিত উচ্চস্থান দখল কৰি আছে। আচৰিত ধৰণে Netherland ৰ অৰ্থনৈতিক বিকাশৰ মূলতে হৈছে তেওঁলোকৰ শৈক্ষিক গাঁথনি। উন্নয়নশীল বা আগবনুৱা দেশবোৰৰ অৰ্থনৈতিক সাফল্য বা সমৃদ্ধিৰ স্বতঃসিদ্ধহস্ততাই প্ৰমাণ কৰে যে তেওঁলোকৰ এই সাফল্যত কাৰ্য্যকৰী উপায় হৈছে একমাত্ৰ শিক্ষা। কেৱল মাত্ৰ শিক্ষিত ব্যক্তিসকলেহে সিহঁতৰ দক্ষতা আৰু গতিশীলতাৰ দ্বাৰা ৰাষ্ট্ৰীয় সাফল্য আৰু ৰাষ্টীয় আয় বৃদ্ধিত অৰিহণা যোগাব পাৰে।

অৰ্থনৈতিক বৃদ্ধি আৰু সাফল্যৰ বাবে ভৱিষ্যতৰ বাবে কাৰ্য্যৰ আঁচনি (শিক্ষা আৰু অৰ্থনৈতিক বৃদ্ধিৰ সম্পৰ্কৰ উপায়) শিক্ষা সম্বন্ধে তলত দিয়া ব্যৱস্থা বা পদক্ষেপ সমূহ গ্ৰহণ কৰিব পাৰি-

**বৃত্তি মুখী শিক্ষাঃ-** শিক্ষা চাকৰিমুখী হোৱা উচিত। সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষই দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে। সেয়েহে বৃত্তিমূখী শিক্ষা অধিক প্ৰয়োজন কেৱল মাত্ৰ এনে শিক্ষাই আমাৰ দেশৰ অৰ্থনৈতিক সমস্যাৰ সমাধানত সহায় কৰিব পাৰে।

**উৎপাদনৰ দক্ষতাঃ-** দেশ এখনৰ অৰ্থনৈতিক বিকাশ সমাজৰ প্ৰত্যেকজন সদস্যৰ উৎপাদন দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে তাৰ বাবে উৎপাদন দক্ষতা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে।

**স্বাক্ষৰতাৰ নিৰিখ বা হাৰ তৰান্বিত কৰাঃ-** মানুহৰ স্বাক্ষৰতাৰ হাৰ বিশেষকৈ প্ৰাপ্তবয়স্ক সকলৰ ক্ষেত্ৰত অধিক তৰান্বিত কৰিব লাগে। এনে লক্ষ্যত উপনীত হ'বৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষা, অবিৰত শিক্ষা, অগতানুগতিক শিক্ষা, খেতিয়কৰ কাৰ্য্যকৰী স্বাক্ষৰতা আঁচনি আদি কাৰ্য্যকৰী কৰিব লাগে।

**আনুষ্ঠানিক আৰু সাধাৰণ শিক্ষা প্ৰদানঃ-** কৰ্মজীৱি সকলৰ অংশকালীন ভাৱে, নৈশ আৰু যোগাযোগ পাঠ্যক্ৰমৰ যোগেদি আনুষ্ঠানিক আৰু সাধাৰণ শিক্ষা প্ৰদান কৰা বাঞ্চনীয়। এনে আঁচনিয়ে কৰ্মজীৱি সকলৰ

কৌশল আৰু দক্ষতাৰ উন্নতিত সহায় কৰিব।

**প্ৰশিক্ষণ প্ৰদানঃ**- উৎপাদন দক্ষতা বৃদ্ধিৰ বাবে উদ্যোগ, কৃষি আৰু বাণিজ্য ইত্যাদিত কাম কৰা কৰ্মচাৰী সকলক চাকৰিৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰিব লাগে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহে, কল-কাৰখানা, ফাৰ্ম আৰু অন্যান্য ঠাইত কাম কৰা কৰ্মচাৰী সকলৰ সহযোগেৰে সৈতে এনে আঁচনি সমূহ ৰূপায়ণ কৰিব লাগে।

**শিক্ষাৰ ওপৰত কৰা খৰচৰ সংস্কাৰ সাধনঃ**- শৈক্ষিক খৰচৰ সঠিক পৰিকল্পনা কৰিব লাগে যাতে অৰ্থনৈতিক সাফল্য বা সমৃদ্ধিৰ আকাংক্ষিত লক্ষ্যত উপনিত হ'ব পৰা যায়। শিক্ষাত কৰা খৰচ বৃদ্ধিৰ বিবেচনা কৰিব লাগে।

**মানৱ শক্তিৰ উন্নতিৰ পৰিকল্পনাঃ**- মানৱ শক্তিৰ উন্নতিত গুৰুতৰ চিন্তা কৰাৰ এক জৰুৰী আৱশ্যকতা আছে।

**জনসংখ্যা শিক্ষা জনপ্ৰিয় কৰি তোলাঃ**- ভাৰতবৰ্ষৰ জনসংখ্যা আচৰিত ধৰণে বৃদ্ধি হৈ আছে। জনসংখ্যা বৃদ্ধি প্ৰতিৰোধৰ উপায় আৰু পথ সমূহ হাতত লব লাগে। জনসংখ্যা শিক্ষাৰ আঁচনি সমূহ জনপ্ৰিয় কৰি তুলিব লাগে। বিদ্যালয় আৰু মহাবিদ্যালয়ত জনসংখ্যা শিক্ষাৰ এক বলিষ্ঠ আন্দোলনৰ আৱশ্যক, কিন্তু কাৰ্যকৰী স্তৰত এইটো অনুষ্ঠানভিত্তিক কৰিব পৰা যাব যদি বিদ্যালয়ত পৰিবেশ সৃষ্টি কৰিব পৰা যায়, শিক্ষক সকলৰ দৃষ্টিভংগীৰ সম্পূৰ্ণ পৰিবৰ্তন কৰা হয় আৰু এই দিশত শিক্ষাৰ্থীসকলক অনুপ্ৰেৰিত কৰিব পৰা যায়।

◈◈◈◈◈







# আমি কিমান সজাগ

সফিকুল ইছলাম
পুথিভঁৰাল সহায়ক

অতীতত হেৰাই যোৱা দিনবোৰৰ কথা মনত পৰিলে বেছি ভাগৰে অন্তৰৰ কোনোবা খিনিত এক বেদনাই চুই যায়। ইস কি কৰিলোঁ! কি কৰিব লাগিছিল, কি কৰিলো? এতিয়া আৰু কোনো উপায় নেপাই ভাগ্যত যি আছিল তাকেই পালো, বুলি ভাৱি অন্তৰক বুজনি দিয়াৰ বাহিৰে আন একো কৰাৰ অৱকাশ নাথাকে। ইয়াৰ লগত অন্তৰ্নিহিত হৈ থাকে মা-দেউতাৰ সেই অমৃত সদৃশ উপদেশবোৰ। যিবোৰ উপদেশ স্কুলীয়া কালৰ পৰা কলেজীয়া জীৱনৰ সময়লৈ আখৰে আখৰে পালন কৰিব লাগিছিল। সেই বেদনাখিনি পিছতহে অন্তৰত দাউ দাউকৈ জ্বলি থাকে। জীৱনৰ অৰ্ধ বয়স পাৰ হোৱাৰ পিছতহে বুজি পোৱা যায় আমি নিজকে কিমান সজাগ কৰি ৰাখিছিলো। অৱশ্যে এই সজাগতাৰ অভাৱখিনি আমাৰ গোটেই সমাজখনকে সাঙুৰি এখন প্ৰতিচ্ছবি জিলিকি উঠে। সমাজ এখন সুন্দৰ ভাৱে প্ৰজ্বলিত হ'বলৈ হলে সজাগ, সজাগতাৰ মনোভাৱ ইয়াত বাস কৰা প্ৰতিজনৰে অন্তৰত তথা সকলো দিশতে হ'ব লাগিব। গছ এডাল যিমান ধূনীয়া হয়, তাৰ ছাঁ আৰু বতাহো ঠিক সেইদৰে আমেজলগা হয়। ঠিক সেইদৰে চিন্তা চৰ্চা কৰিলে আমাৰ পিতৃ মাতৃ তথা অভিভাৱক সকলৰো থাকিব লাগিব সন্তানৰ ভৱিষ্যতৰ ৰেখাডাল চিহ্নিত কৰি দিয়াৰ এক সঠিক অনুমানৰ ক্ষমতা।

উপৰোক্ত কথাখিনি দাঙি ধৰিলো এই কাৰণেই যে, আমি সদায় চিন্তা, অনুভৱ আৰু অনুতাপ কৰো তেতিয়া, যেতিয়া সময় আমাৰ অতীত হৈ যায়। অতীত বুৰঞ্জীৰ পাতত দেখা যায় যে, ইংৰাজসকল বিশেষকৈ পাশ্চাত্যৰ দেশ সমূহৰ নাগৰিক সকলে আমাৰ দেশৰ বাসিন্দা সকলতকৈ বহুত আগবঢ়া আছিল। তেওঁলোকৰ চিন্তা-চৰ্চাবোৰ আগৰণুৱা। অৰ্থাৎ তেওঁলোকে যিবোৰ কথা বা কাম পঞ্চাশ বছৰ বা এশ বছৰ আগতে কেৱল চিন্তা কৰাই নহয় তাক পূৰ্ণ কৰি দেখুৱায়, সেই কাম আমি কৰি দেখুওঁৱা দূৰৰে কথা তাক কল্পনা কৰো বহু বছৰৰ ব্যৱধানৰ পিছত। গতিকে আমি সফলতাও পাওঁ হয়তো বহু পলমকৈ। ইয়াৰ পৰা এইটো অনুধাৱন কৰিব পাৰি যে, আমাৰ আশা, চিন্তা আৰু কল্পনাসমূহ সঠিক ৰূপত-ৰূপায়ণ তথা ব্যৱহৃত কৰিব নোৱাৰো। সেয়ে এটা সময়ত আমি দিক-বিদিক হেৰুৱাই কেৱল ভাগ্যকহে জগৰীয়া কৰিব খোজো। ই এক অদূৰদৰ্শিতাৰ বাহিৰে আন একো নহয় বুলি কব পাৰি। সেয়ে ভাগ্যক দোষ নিদি প্ৰথমতে আমি আমাৰ ভৱিষ্যতৰ দিশে পদক্ষেপৰ বিষয়ে লবলগা সিদ্ধান্তৰ এক সঠিক নিৰ্ণয় ৰূপায়ণ কৰাৰ প্ৰয়োজন বোধ কৰিব লাগে।

গতিকে যিকোনো কামৰ মানদণ্ডৰ বিষয়ে আমি যদি সজাগ থাকো, তেতিয়া জীৱনৰ আদিপাঠ আয়ত্ব কৰাৰ লগতে উত্তৰণৰ দিশত খোজ পেলাই আগবাঢ়ি যাওঁ তেন্তে ইয়াৰ পৰা সুফল পোৱাটো এক প্ৰকাৰ নিশ্চিত বুলি কব পাৰি। কিন্তু এই দিশত অভিভাৱকৰ দায়িত্ব সমানেই পালন কৰিব লগীয়া আছে। কিয়নো আমাৰ

সমাজখন অতিকৈ জৰ্জৰিত আৰু অন্ধ কুসংস্কাৰেৰে ভৰপুৰ। যাৰ কাৰণে হয়তো আমাৰ অভিভাৱক সকলেওঁ সিমান বুদ্ধিমত্তাৰ পৰিচয় দিয়াত বিফল হোৱা দেখা যায়। সেইবুলি আমি নতুন প্ৰজন্মই কেৱল পিতৃ-মাতৃক দোষাৰোপ কৰিলেও নহ'ব। কাৰণ আমাৰ অধিকতৰ অভিভাৱক নিৰক্ষৰ বাবেই তেওঁলোকে হয়তো সঠিক দিশ নিৰ্ণয় কৰাত অপাৰগ হয়। ইয়াত কেৱল সম্বল হিচাপে থাকিব পিতৃ-মাতৃৰ আশীৰ্বাদ, দৃঢ় আত্মবিশ্বাস, একাগ্ৰতা, সততা, আৰু ভৱিষ্যতে সফল হোৱাৰ মানসিকতা যি অদূৰ ভৱিষ্যতে কঢ়িয়াই আনিব জীৱনত উজ্জ্বলতা।

দৰাচলতে নিজৰ কেৰিয়াৰ গঢ়াৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে মন দিবলগা দিশ কিছুমান নিৰ্ণয় কৰিব লাগে- যেনে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিকত কলা, বিজ্ঞান নে বানিজ্যত (শাখাত) নাম ভৰ্তি কৰিব নাইবা বৃত্তিমূখী শিক্ষা গ্ৰহণ কৰিব সেই সিদ্ধান্ত লওঁতে আমাৰ সমাজৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই বিবুদ্ধিত পৰা যেন দেখা যায়। তেওঁলোকে কোন বিভাগত অধ্যয়ন কৰিব সেই দিশত মন স্থিৰ কৰাৰ আগতে গভীৰ ভাৱে চিন্তা কৰিলে দেখা যাব যে, শাখা কলাই হওঁক অথবা বিজ্ঞান অথবা বাণিজ্যই হওঁক, যিকোনো শাখাতে দৃঢ়মনেৰে ভালদৰে অধ্যয়ন কৰিব পাৰিলে তেওঁলোকে এটি সুন্দৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰিব। সাধাৰণতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল নম্বৰ সহ উত্তীৰ্ণ হ'লে ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান নতুবা কলা শাখাত নাম ভৰ্তি কৰাৰ বাবে নিজেই সিদ্ধান্ত গ্ৰহণ কৰে আনকি কোনো ক্ষেত্ৰত অভিভাৱক সকলেও জোৰ কৰি বিজ্ঞান অথবা কলা শাখাত নাম ভৰ্তি কৰিবিৰ বাবে বাধ্য কৰা পৰিলক্ষিত হয়। কিন্তু এনে কৰা হয়তো সঠিক নহয়। এজন ছাত্ৰই হওক অথবা ছাত্ৰীয়েই হওক কোনো এটা বিষয়ৰ ওপৰত কিমান আগ্ৰহ তথা আত্মবিশ্বাস আছে তাৰ ওপৰত ভিত্তি কৰিহে সেই দিশত আগবাঢ়িব লাগে। ইয়াত বিজ্ঞান বা কলা বিষয় বা নম্বৰৰ ওপৰত ভিত্তি কৰি নহয়।

অৱশ্যে ইতিহাসৰ পাত মেলি চালে দেখা পোৱা যায় যে, অভিজাত পৰিয়ালৰ সন্তানতকৈ আমাৰ অৱহেলিত সমাজৰ অতিকৈ পিছপৰা দৰিদ্ৰ পৰিয়ালৰ সন্তানে কিছু হলেও সফলতাৰে জীৱনৰ ৰেখাডাল সোণালী আখৰেৰে লিপিবদ্ধ কৰি ৰখাৰ বাহিৰেও দেশৰ তথা জাতিৰ হৈ উজ্বল নক্ষত্ৰ হিচাপে জিলিকাই আছে। এই ক্ষেত্ৰত উদাহৰণ হিচাপে বি আৰ আম্বেদকাৰ, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ,পি,জে, ড° আব্দুল কালাম আছিল অতিকৈ পিছপৰা তথা দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা সন্তান যি সকলৰ নাম চিৰদিন জিলিকি থাকিব ইতিহাসৰ পৃষ্ঠাত। অৱশ্যে ই মুষ্টিমেয়। ইয়াৰ কাৰণ হয়তো এটাই যে, তেওঁলোকে নিজক আৰু পৰিৱেশ আৰু পৰিস্থিতিক হয়তো পাহৰি পেলাই ভৱিষ্যতক আঁকোৱালি লোৱাৰ বাবে দৃঢ় প্ৰতিজ্ঞ হৈ পৰিছিল। আৰু হয়তো বৰ্তমানৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ দৃঢ় হৈ মনে প্ৰাণে যুদ্ধ ঘোষণা কৰিছিল। যাৰ ফলাফল তেওঁলোকে নিজ হাতেৰে সফলতা আজুৰি আনিবলৈ সক্ষম হৈছিল। অৱশ্যে তেতিয়াৰ পৰিৱেশ ইমান বিশৃংখলতা আৰু যান্ত্ৰিকতাৰে ভৰপুৰ নাছিল। আছিল কেৱল দৰিদ্ৰৰূপী এক যন্ত্ৰণা ভৰা বাস্তৱ সমাজহে। তেওঁলোকে আজিৰ ছাত্ৰ-ছাত্ৰীৰ দৰে বিছৰা নাছিল কোনো অভিলাসী জীৱন, যি হয়তো সেই সময়ত অভিভাৱক হিচাপে সন্তানক দিবলৈ অপাৰগ আছিল। কিন্তু আজি কালি প্ৰায় সকলো দিশতে এক বিপৰীত ছবি দেখা যায়। মানুহ সভ্য হৈছে, প্ৰতিষ্ঠিত



হৈছে, উপভোগ কৰিছে, কিন্তু হ'ব পৰা নাই আদৰ্শৱান, নিষ্ঠাৱান তথা হৃদয়ৱান। মানুহৰ মাজত সঁচা মূল্যবোধ আজিকালি বিচাৰি পোৱাটো কঠিন। কাৰণ মানুহ যেতিয়া নানা ঘাত প্ৰতিঘাতৰ মাজেদি নিজক প্ৰতিষ্ঠিত কৰে তেতিয়া সেই মানুহজনৰ জীৱনত অতীতৰ বেদনাভৰা স্মৃতিবোৰ লুকাই থাকে যাক তেওঁ কোনো দিনে পাহৰিব নোৱাৰা হয়। যাৰ ফলস্বৰূপে হয়তো তেওঁৰ পৰা পোৱা যায় এক ভাল মানুহৰ আচৰণ। যাক পৰৱৰ্তী সময়ৰ প্ৰজন্মই আদৰ্শ হিচাপে গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ নকৰে। কিন্তু অইনফালে দেখা যায় যে, যি সকল অভিজাত পৰিয়ালৰ ল'ৰাই অথবা ছোৱালীয়ে তেওঁলোকে জীৱনত সাফল্য লাভ কৰে ঠিকেই কিন্তু তেওঁলোকৰ হয়তো এক গৰিষ্ঠ সংখ্যকেই নিজৰ আচাৰ ব্যৱহাৰেৰে মানুহৰ হৃদয়ত তেনেকৈ সমাদৰ লাভ নকৰা পৰিলক্ষিত হয়। যি দৰিদ্ৰ সমাজ তথা পৰিয়ালৰ সন্তানে আহৰণ কৰা দেখা যায়। কিন্তু ই লেখত লবলগীয়া নহয়।

আনহাতে এটা কথা লক্ষ্য কৰিবলগীয়া যে, আমাৰ সমাজখন ইমান পিছপৰা কিয়? দেখা যায় যে, আমি যেতিয়া সৰু আছিলো তেতিয়া দেখা পাইছিলো যে, কিছুমান ঠাইত বিশেষকৈ অলপ উন্নত ঠাই যেনে চহৰবোৰত মাক-দেউতাকে তেওঁলোকৰ কণ কণ ল'ৰা-ছোৱালীক ভালকৈ সজাই পৰাই স্কুলৰ সময়ত লৈ যায় আৰু আবেলি পৰত স্কুলৰ পৰা আকৌ ঘৰলৈ ওভতাই লৈ আহে। তেতিয়া সৰু হলেওঁ মনত উদয় হৈছিল যে, এইবিলাক ল'ৰ-ছোৱালীৰ ভাগ্য অতি ভাল যে, তেওঁলোকক মাক-দেউতাকে ধুনীয়া কৈ সজাই পৰাই স্কুলত লৈ যায়। ইয়াৰ পৰা এটাই কথা দৃষ্টিগোচৰ কৰিব পাৰিছিলো যে, তেওঁলোকে জীৱনত হয়তো সু-শৃংখলতা, পৰিস্কাৰ পৰিচ্ছন্নতা কাক কয় সেইটো জীৱনৰ আদি পাঠতে আহৰণ কৰিব পাৰিছে। অৰ্থাৎ যি সজাগতা আমি সৰু কালতে অভিজাত পৰিয়ালত দেখা পাইছিলো সেই একেই সজাগতা আজি আমাৰ জীৱনৰ চল্লিছটা বছৰৰ দেওনা পাৰ কৰাৰ পিছতহে আমাৰ সমাজ তথা অভিভাৱক সকলক সেই গুৰু দায়িত্ব পালন কৰা দেখিবলৈ পাইছো। কিন্তু বহুত বছৰ পিছত। তাৰ মানে এইটো হ'ল যে, আমি বুজি পালো কিন্তু পঞ্চাশ বছৰ পিছতহে। গতিকে এই দিশত আমাৰ ছাত্ৰ-ছাত্ৰী সকলোৰে বিশেষকৈ কলেজীয়া বন্ধু-বান্ধৱী সকলে যিয়ে জ্ঞান অৰ্জন কৰিবলৈ অগ্ৰসৰ হৈছে তেওঁলোকক আহ্বান জনাব খোজোঁ যে, এই ক্ষেত্ৰত তেওঁলোকে যাতে নিজৰ কৰ্তব্যত অধিক মনোযোগ দিয়ে। কাৰণ এটা সময়ত তেওঁলোকেও পিতৃ-মাতৃৰ ভূমিকা পালন কৰিব লাগিব ই নিশ্চিত। সেয়ে তেওঁলোকে যাতে নিজৰ সন্তানক সুশিক্ষিত কৰাৰ উপৰিও পৰিস্কাৰ-পৰিচ্ছন্নতা, শৃংখলাৱদ্ধতাৰ লগতে সন্তানৰ শিক্ষাৰ মানদণ্ড যাতে অতিকৈ উচ্চ খাপৰ হয় তাৰ প্ৰতি এক সজাগতাৰ সৃষ্টি কৰে। তেতিয়াহে আমাৰ সমাজৰ লগতে ইয়াত বসবাস কৰা প্ৰত্যেক নাগৰিকৰ জীৱনৰ ৰেখাডাল হৈ পৰিব জাকত জিলিকা এক উজ্বল নক্ষত্ৰৰ দৰে।

◈◈◈◈◈

# মিঞা মুছলমানৰ অসমলৈ প্ৰব্ৰজন আৰু স্থানীয় এখন পাহাৰৰ ইতিবৃত্তি

নামঃ জহুৰুল ইছলাম
শ্ৰেণী- পঞ্চম ষান্মাসিক (অসমীয়া বিভাগ)

প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ অসম এখন মূলতঃ কৃষি প্ৰধান ৰাজ্য। শংকৰ আজানৰ মিলন ভূমিত বিভিন্ন জাতি উপজাতিৰ অৱদানেৰে সমৃদ্ধ হৈছে অসমীয়া সংস্কৃতি। অসমীয়া ভাষাক মাতৃভাষা হিচাপে গ্ৰহন কৰি বংগীয় মূলৰ মুছলমান সকলে নিজকে অসমীয়া বুলি পৰিচয় দি অসমীয়া ভাষা সংস্কৃতি টনকিয়াল কৰাৰ বিশেষ অৰিহণা যোগায় যদিও ইয়াৰ উপৰিও অসমৰ কৃষি অৰ্থনীতি টনকিয়াল কৰি আহিছে। বংগীয় মূলৰ মানুহ খিনি মূলতঃ চৰ চাপৰিত বসবাস কৰে। এওঁলোকৰ প্ৰধান বৃত্তি কৃষি। কৃষি কাৰ্য্য আৰু ভুমি ৰাজহ লক্ষ কৰি বৃটিছ উপনিবেশিক শাসকে বংগদেশৰ পৰা এওঁলোকক অসমলৈ প্ৰব্ৰজিত কৰাত আগভাগ লৈছিল। বৰ্তমান সময়ত এই ন-অসমীয়া মুছলমান মানুহখিনি ভোট বেংকৰ ৰাজনীতি অথবা উগ্ৰ জাতীয়তাবাদী ৰাজনীতিৰ চক্ৰান্তত আক্ৰান্ত। পূৰ্ব বংগৰ পৰা অসমলৈ এই মানুহখিনিৰ প্ৰব্ৰজনৰ পটভূমি সম্পৰ্কে চমু আলোচনাৰ প্ৰয়োজন। বংগদেশৰ কৰ্ণাটিক মূলৰ সেন বংশৰ লক্ষ্মণ সেন নামৰ ৰজাই ৰাজত্ব কৰা সময়ত ১২০৪ খ্ৰীষ্টাব্দত ইখতিয়াৰ উদ্দিন বখতিয়াৰ খিলিজীয়ে কিছুসংখ্যাক অশ্বাৰোহী সৈন্য লগত লৈ আক্ৰমণ কৰি যুদ্ধত জয়লাভ কৰি গৌড় পাণ্ডুৱাত ৰাজধানী পাতে। ১০২৪ খ্ৰীঃৰ পৰা ১৯৫৭ খ্ৰীঃলৈ পলাচী যুদ্ধৰ সময়লৈ বংগদেশত ২৬ জন মুছলমান শাসকে শাসন কৰিছিল। এওঁলোক প্ৰধানত আৰৱ পাৰস্য, তুৰস্ক আদি দেশৰ পৰা আহি নগৰ অঞ্চলত বসতি স্থাপন কৰিছিল। সেই সময়ত হিন্দু ধৰ্মৰ উচ্চ বৰ্ণৰ বৰ্ণবাদী আচৰণ আৰু নিষ্পেষণত নিম্ন জাতৰ হিন্দু আৰু বৌদ্ধ ধৰ্মাৱলম্বী খেতিয়ক আৰু বৃত্তিজীৱি মানুহে চুফী সন্তসকলৰ প্ৰভাৱত নিজ ধৰ্ম ত্যাগ কৰি ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল আৰু লাহে লাহে অসমত বস-বাস কৰিবলৈ লৈছিল।

উনিশ শতিকাৰ শেষৰ দশক আৰু কুৰি শকিতাৰ প্ৰথম দশকত অসমত কলা জ্বৰ, গ্ৰহণী, হাইজা আদি বেমাৰে মহামাৰীৰ ৰূপ ধাৰণ কৰাত বহুত লোকৰ মৃত্যু হৈছিল আৰু কিছুমান অঞ্চল জনশূণ্য হৈ পৰিছিল। মহামাৰীৰ উপৰিও বিশেষকৈ সেই সময়ত অবিভক্ত গোৱালপাৰা আৰু কামৰূপ জিলাত যথেষ্ট ক্ষতি সাধন হয়। গোৱালপাৰা জিলাৰ সমগ্ৰ অঞ্চলৰ উপৰিও বৰপেটা





মহকুমাৰ দক্ষিণ আৰু পশ্চিম অঞ্চলৰ কিছুমান অঞ্চল তললৈ বহি যায় আৰু কিছুমান ঠাই ওখ আৰু খলাবমা হৈ মানুহ বসবাসৰ অনুপযোগী হয়। প্ৰতি বছৰে হোৱা প্ৰলংয়কাৰী বানপানী আৰু ব্ৰহ্মপুত্ৰ, বেকী, মানাহ আদি নদীৰ গৰাখহনীয়াত এই মানুহ খিনি বছৰে বছৰে নিজৰ ঘৰ বাৰী খেতি মাটি হেৰুৱাবলগীয়া হৈছে। ফলত সেই অঞ্চলত বসবাস কৰা খিলঞ্জীয়া অধিবাসী সকলে মহকুমাটোৰ উত্তৰ অঞ্চলত বাম আৰু নিৰাপদ ঠাইলৈ গুচি যায়। জনশূণ্য হোৱা এই অঞ্চল সমূহ কেইবা বছৰৰ ভিতৰত হাবি-জংগলত পৰিণত হয়। আৰু কেই বছৰমান পিছত সেই মানুহবোৰৰ জন সংখ্যা বৃদ্ধি হ'ব ধৰিলে তেতিয়া আকৌ জনশূণ্য ঠাইলৈ আহে বিশেষকৈ গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ বালিচৰৰ ওপৰিও দক্ষিণ শালমাৰা, মানকাচৰ, লক্ষীপুৰ, বিলাসীপাৰা আদি অঞ্চলত বসতি বিস্তাৰ কৰে। পৰ্য্যায় ক্ৰমে নগাওঁ জিলা আৰু বৰপেটা মহকুমাৰ তাৰাবাৰি জনীয়া, বাঘবৰ আদি অঞ্চলৰ ঠাইবোৰ নামাকৰণ কৰি এওঁলোকে বসতি কৰিবলৈ ল'লে। সেই মানুহবোৰৰ আগৰ বহু খেতি মাটি চৰকাৰৰ হাতত অৰ্থ্যাৎ "খাছ" মাটি হিচাপে আছে। সেই ঠাইখনৰ নাম বৰ্তমান গোবিন্দপুৰ ৰিজাৰ্ভ হিচাপে প্ৰচলিত হৈ আছে। তাতে মোৰ ককা আজো ককাহঁতৰ নিজ খেতি মাটি "খাছ" হিচাপে চৰকাৰৰ হাতত আছে। সেই সময়ত ন অসমীয়া সকলৰ শিক্ষাৰ হাৰ বেছি নাছিল। মানুহে নিজৰ ভাল নিজে ভবা নাছিল কাৰণে বিভিন্ন ধৰণৰ সমস্যাত ভূগিবলগিয়া হৈছিল। তেতিয়া মানুহৰ অভাৱ অনাটন হোৱাৰ বাবে বহুতো কষ্ট হৈছিল। বেছি ভাগ মানুহে দুখীয়া অশিক্ষিত আছিল, দিনত দুবাৰ খাবলৈ পোৱা নাই কাৰণে কচু, ঘেহুঁ, আলু আদি আছিল প্ৰধান খাদ্য। যদি কিবা কাৰণে কোনোবাই এমুঠি ভাত খাইছিল ঘৰৰ ভিতৰত সোমাই দুৱাৰখন বন্ধ কৰি খাইছিল কাৰণ বেলেগে দেখিলে খাবলৈ দিব লাগিব। আমাৰ অসমৰ সংস্কৃতিৰ এটা লোকবিশ্বাস আছে যে, কাউৰীয়ে মাতিলে ঘৰত আলহী আহিব। তেতিয়াৰ মানুহে ঘৰত মাক দেউতাকে কৈছে কাউৰীয়ে মাতি আছে ঘৰত আলহী আহিব এই কথা শুনি
সৰু ল'ৰা ছোৱালীবোৰে বিভিন্ন ধৰণৰ প্ৰশ্ন কৰিছিল যে ঘৰত কোন আহিব ? কেতিয়া আহিব, কিয় আহিব ইত্যাদি প্ৰশ্নৰ উত্তৰ দিবৰ কাৰণে শিশু সকলৰ ওচৰত পিতৃ মাতৃয়ে বাধ্য হৈছিল। তেতিয়া মানুহবোৰে কৌশল ব্যৱহাৰ কৰি কৈছে কাউৰীয়ে মাতিলে ঘৰৰ মানুহ মৰে । সৰু ল'ৰা ছোৱালীবোৰে ভয়ত একো প্ৰশ্ন নকৰি মনে মনে থাকি যায়। বৰ্তমানেও এই দুটা লোকবিশ্বাস অসমত বিভিন্ন ঠাইত প্ৰচলিত হৈ আছে। তেওঁলোকৰ বিশেষ দুখলগা কথাটো হ'ল কেন্দ্ৰত ভোট গ্ৰহণৰ সময় আহিলে ভাল প্ৰাৰ্থীৰ বিচাৰ নকৰি অকল মানুহে দলত আবদ্ধ হৈ দলপতিক ভোটদান কৰি বিভিন্ন ধৰণৰ কাজিয়াৰ সৃষ্টি কৰিছিল। বৰ্তমানে এই ঠাই খিনিত শিক্ষাৰ হাৰ বহু পৰিমাণে উন্নত হোৱা দেখা যায়। লগতে শিক্ষা অনুষ্ঠান, প্ৰতিষ্ঠান হোৱাটোও দেখা পোৱা যায়। বৰ্তমান কলগাছিয়া, লাংলা, মন্দিয়া, আদি ঠাই আৰু ইয়াৰ আশেপাশে অঞ্চলবোৰত শিক্ষাৰ হাৰ আৰু আধুনিক পদ্ধতিত কৃষি কাৰ্য,

ব্যৱসায় আদিত উন্নত হৈ মানুহে ভালদৰে জীৱন নির্বাহ কৰি আছে। ইয়াৰোপৰিও ইতিহাসত ৰঙা আখৰেৰে জিলিকি থকা বাঘবৰ কেৱল বুৰঞ্জীৰ পাততেই নহয় বর্তমানেও তাত দেখিবলৈ পোৱা যায় ৬০০ বছৰ পূৰ্বৰ কিছু বাস্তৱ দৃশ্য। সেইবোৰৰ ভিতৰত আছে বাঘেশ্বৰী থান, বইতাপুতা ঘাট সত্ৰ, সিলিশী বিল আৰু বহুতো দৃশ্য ৰাজিৰে আজিও চিনাকি দিবলৈ সক্ষম হৈছে বৰপেটা জিলাৰ অন্যতম ঠাই বাঘবৰ। বাঘবৰ পাহাৰ খন বেকী আৰু বৰলুইতৰ দ্বাৰ আবৃত পানীৰ ওপৰত ভাহি থকা অনুমান হয় যেন এখন ওলোমা উদ্যান। সংশ্লিষ্ট কথাবোৰৰ তাৎপৰ্য্য চমুকৈ হ'ল- প্ৰায় ছশ বছৰ পূৰ্বে এখনি বৰগছৰ তলত বাঘ আৰু অজগৰ সাপে একেলগে টোপনি গৈছিল বুলি বৃদ্ধ সকলে তেখেতসকলৰ পূৰ্ব পুৰুষৰ পৰা শুনিছিল। তাৰ পৰা ঠাই খনৰ নাম বাঘেশ্বৰী থান। ইফালে আকৌ মহাপুৰুষ শংকৰদেৱ মাধৱদেৱ আৰু তেখেতৰ শিষ্য সকলে একে লগে নাৱেৰে ভটিয়হি যাওঁতে সেই ভটিয়ালী যাত্ৰাত সন্ধিয়া হোৱাত পাহাৰৰ কাষেদি যোৱা নদী ঘাটত বঠাখন পুতি জিৰণি লৈ ৰাতিটো কটোৱাৰ পিছতেই ঠাইখন বইঠাপুতা ঘাট সত্ৰ বুলি জনাজাত। সেয়া আজিও সংৰক্ষিত । পাহাৰৰ ওপৰত এটি নাদ যি বৰ্তমানেও আছে, প্ৰকাণ্ড নাদটো অগণন সাপৰ বাসস্থলী আছিল। পূজাৰী সকলে মানসা পূজাৰ বাবে সেই নাদটোত গাখীৰ ঢালিছিল। গাখীৰ নিগৰী যোৱা নিজৰা সদৃশ বাটটো কালক্ৰমে এখন বিলৰ নাম হয়। পিছত তাৰ নাম হ'ল সিলিশী বিল, সিও বাঘবৰ পাহাৰৰ কাষতেই য'ত বৰ্তমান কহুৱা, ঝাউবন আদিৰে ভৰপুৰ হৈ সৌন্দৰ্য্য বৰ্দ্ধন কৰিছে। পাহাৰখনৰ পূৰ্ব প্ৰান্তত দুটি পকী ৰাস্তাৰ সংযোগস্থলীত চিৰিয়াখানা এখন আছে। য'ত হৰিণা, কেটেলাপহু, বিদেশী ছাগলী আৰু নানা ধৰণৰ পহু পক্ষীৰে মনোৰম দৃশ্য আছে। সিও পুৰণি যুগৰে পৰা অব্যাহত। জন প্ৰতিনিধিৰ দ্বাৰা এটি ডাক বঙলা স্থাপন কৰা হৈছে যদিও তাত কাষৰীয়া সকলৰ গৰু ছাগলী জিৰণী ল'বলৈ সুবিধা পাইছে। পাহাৰৰ কাষতে ডাঙৰ এখন বজাৰ আছে, এখন পূৰ্ণ পৰ্য্যায়ৰ আৰক্ষী থানা আছে। সমবায় সমিতি, প্ৰাথমিক বিদ্যালয় আৰু হাইস্কুল থকাৰ উপৰিও কেইবাখনো অনুষ্ঠান প্ৰতিষ্ঠান আছে যদিও সেইবোৰ আজি গৰাখহনীয়াৰ কৱলত জাহ যোৱাৰ উপক্ৰম হৈছে। এই প্ৰসংগত ঠাইখনৰ চৌপাশে থকা জনগাথনিৰ আভাস পোৱা মতে ১০০ ঘৰ বঙালী হিন্দু, ২০০ ঘৰ মুছলমান ৪০ ঘৰ বড়ো আৰু ২৬ ঘৰ কছাৰী মানুহ আছে বুলি ৭০ বছৰীয়া দুজন বৃদ্ধ লোকৰপৰা এক সমীক্ষা যোগে পোৱা যায়। সেয়ে আশা কৰা যায় যে যদি চৰকাৰে চেষ্টা কৰে তেন্তে ঠাইডৰা দেশ বিদেশৰ লোকৰ বাবে এখন পৰ্য্যটন স্থলী হ'ব পাৰে।

◈◈◈◈





# শিক্ষাৰ ব্যক্তিগতকৰণ আৰু বৃহত্তৰ কলগাছিয়া অঞ্চলৰ বৰ্তমান শিক্ষাৰ পৰিবেশ।

শ্বেখ তাহিৰা হক
স্নাতক চতুৰ্থ যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

## পাতনি

সাম্প্ৰতিক কালত মানুহ শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে আৰু যথেষ্ট সজাগ হৈছে। আগৰ যুগত বা আদিম মানুহ বিলাক অৰণ্যত জীৱন-যাপন কৰিছিল। সিহঁতে শিক্ষাৰ কোনো মূল্য বুজি পোৱা নাছিল। কিন্তু সময়ৰ প্ৰগতিৰ লগে লগে মানুহবিলাক সভ্যতাৰ জখলাৰে এখোজ এখোজকৈ আগবাঢ়ি যায়। মানুহৰ মাজত নৈতিকতা, মূল্যবোধ, ভাতৃত্ববোধ আদি ভাৱ জাগ্ৰত হয়। লগতে মানুহ বিলাকে শিক্ষাৰ গুৰুত্ব বুজি পাৱলৈ ধৰে আৰু ল'ৰা ছোৱালীক পাঠদান দিয়াৰ ব্যৱস্থা কৰে। প্ৰথম অৱস্থাত কোনো ধৰণৰ শিক্ষানুষ্ঠানৰ ব্যৱস্থা নাছিল। বিদ্যাৰ্থী বিলাকে গুৰুগৃহত গৈ থাকি পঢ়িব লগা হৈছিল। তেতিয়া শিক্ষাৰ্থী শিষ্য আৰু শিক্ষকক গুৰু বুলি কোৱা হৈছিল। মানুহ লাহে লাহে শিক্ষিত হ'ল সমাজে আধুনিকতাৰ বাটত খোজ দিলে। মানুহে একগোট হৈ প্ৰশাসনিক বিভাগৰ জন্ম দিলে, শিক্ষা বিভাগে শিক্ষাৰ প্ৰগতিত আৰিহণা যোগালে।

আধুনিকতাৰ পৰশ পাই বৰ্তমান সময়ত শিক্ষানুষ্ঠান বিলাক বৰ উন্নত হৈছে। বৰ্তমান সময়ত প্ৰতিখন গাঁওত চৰকাৰী বিদ্যালয় আমি দেখিবলৈ পাওঁ। বৰ্তমান সময়ত চৰকাৰী বিদ্যালয় থকাৰ উপৰিও বহুতো ব্যক্তিগত বিদ্যালয়ৰ জন্ম হৈছে। বৰ্তমানৰ প্ৰশাসন ব্যাৱস্থাই শিক্ষাৰ ক্ষেত্ৰত ৰূপায়ন কৰা নীতি আঁচনি বিলাক বাস্তৱক্ষেত্ৰত কাৰ্যকৰী হোৱাটো তেনেই কম দেখিবলৈ পোৱা যায়। যাৰ বাবে মানুহৰ একচেতীয়া সহযোগিতাত বহুতো ব্যক্তিগত শিক্ষানুষ্ঠান গঢ়লৈ উঠিছে।

## শিক্ষাৰ ব্যক্তিগত কৰণ

বৰ্তমানত চৰকাৰী শিক্ষানুষ্ঠানৰ দুৰ্বলতা বিলাকৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি শিক্ষিত মানুহৰ গোটে বিভিন্ন ব্যক্তিগত শিক্ষানুষ্ঠানৰ জন্ম দিছে। এতিয়া প্ৰতিটো এলেকাতে ব্যক্তিগত শিক্ষানুষ্ঠান দেখিবলৈ পাওঁ। ব্যক্তিগত শিক্ষানুষ্ঠান বিলাকৰ গুৰুত্ব কোনেও নুই কৰিব নোৱাৰে।

**শিক্ষাৰ ব্যক্তিগত কৰণৰ সুবিধা**

শিক্ষাৰ ব্যক্তিগত কৰণৰ ভালেকেইটা সুবিধাৰ কথা উল্লেখ কৰিব পাৰি। তাৰে প্ৰধান হ'ল বৰ্তমান চৰকাৰী শিক্ষানুষ্ঠানত যি শিক্ষা দিয়া হয়, বিশেষকৈ প্ৰাথমিক শিক্ষানুষ্ঠান বোৰত, সেয়া সচাঁকৈয়ে বৰ দুৰ্বল। শিক্ষিত মানুহ বিলাক ল'ৰা-ছোৱালীক ব্যক্তিগত বিদ্যালয়তে পঢ়োৱাটো সচৰাচৰ সকলোৰে চকুত পৰে। ব্যক্তিগত শিক্ষানুষ্ঠান বিলাক থকাৰ বাবে শিক্ষাৰ্থী বিলাক সৰুৰে পৰা নিজৰ দক্ষতা আৰু প্ৰতিভাক বুজি পোৱাত সুবিধা পায়। ব্যক্তিগত শিক্ষানুষ্ঠান বিলাকৰ বাবেই শিক্ষাৰ হাৰ আগতকৈ বৃদ্ধি পাইছে। শিক্ষাৰ উন্নতিত ব্যক্তিগত শিক্ষানুষ্ঠান বিলাকৰ অৰিহনাক নুই কৰিব নোৱাৰি।

**শিক্ষাৰ ব্যক্তিগত কৰণৰ অসুবিধা**

শিক্ষাৰ ব্যক্তিগত কৰণৰ সুবিধা থকাৰ লগতে ইয়াৰ বাবে অসুবিধাৰো সন্মূখীন হ'ব লগা হৈছে বহুতো মানুহ। ব্যক্তিগত শিক্ষানুষ্ঠান বিলাকৰ জন্ম হোৱাত চৰকাৰী শিক্ষানুষ্ঠান বিলাকক সকলোৱে আওকান কৰি চলে। ব্যক্তিগত শিক্ষানুষ্ঠান বিলাক অলপ খৰচ বহুল হোৱা বাবে দুখীয়া ল'ৰা-ছোৱালী বোৰে ইচ্ছা কৰিলেও ব্যক্তিগত শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰাব নোৱাৰে। শিক্ষাৰ ব্যক্তিগতকৰণৰ বাবে বৰ্তমান বহু ল'ৰা-ছোৱালী হীনমন্যতাত ভূগিব লগা প্ৰমাণ বহুতো আছে। শিক্ষাৰ ব্যক্তিগতকৰণে সমাজৰ উদগতিত বহুতো সহায় কৰিছে হয় কিন্তু তাৰ লগে লগে শিক্ষাৰ্থীক সৰুতে পঢ়াৰ বোজা যেন চপাই দিছে। যাৰ বাবে সৰুতে শিক্ষাৰ্থীসকল অতিৰিক্ত চাপত ভূগিব লগাত পৰে, আৰু বহুতো মানুহে শিক্ষাৰ ব্যক্তিগত কৰণৰ সুবিধা লয়।

**বৃহত্তৰ কলগাছিয়া অঞ্চলৰ বৰ্তমান শিক্ষাৰ পৰিৱেশ**

সচাঁকৈয়ে দহ বছৰ আগৰ কলগাছিয়া আৰু বৰ্তমান সময়ৰ কলগাছিয়াৰ মাজত পাৰ্থক্য বিচাৰিলে আমি বহুতো পাৰ্থক্য দেখিবলৈ পাওঁ। তাৰ মাজতে বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত বেছি পাৰ্থক্য দেখা পোৱা যায়। য'ত কোনো শিক্ষানুষ্ঠানৰ চিন-ছাব নাছিল সেই কলগাছিয়াত আজি শিক্ষানুষ্ঠানক আঙুলিত গণি হিচাপ কৰিব নোৱাৰা অৱস্থা হৈছে। বৰ্তমান কলগাছিয়াত চৰকাৰী শিক্ষানুষ্ঠান বিলাক





থকাৰ উপৰিও মুঠ ২৮ খন ব্যক্তিগত শিক্ষানুষ্ঠান দেখিবলৈ পোৱা যায়। কলগাছিয়া অঞ্চলটোতে নৱজ্যোতি মহাবিদ্যালয়ৰ অবস্থিতি য'ত বহু দূৰ-দূৰণীৰ পৰা শিক্ষাৰ্থীয়ে পঢ়িবলৈ আহে। এসময়ত কলগাছিয়াৰ নাম কলে যেন কোনেও চিনিয়ে পোৱা নাছিল কিন্তু এতিয়া ইয়াৰ নাম কলেই যেন সকলোৱে মুখত "অ কলগাছিয়া"। কলগাছিয়াৰ ব্যক্তিগত শিক্ষানুষ্ঠান বিলাকৰ মাজত অন্যতম হ'ল Radiance Academy, Fakaruddin Ali Ahmed Academy, Ajmol College ইত্যাদি।

Radiance Academy ত দূৰ দূৰণীৰ পৰা ছাত্ৰ-ছাত্ৰীবিলাকে আহি Radiance Academy ৰ অন্তৰ্গত হোষ্টেলত থাকি পঢ়ি থাকে। প্ৰায় প্ৰতিখন ব্যক্তিগত শিক্ষানুষ্ঠানৰে ছোৱালী আৰু ল'ৰাৰ বাবে বেলেগ বেলেগকৈ হোষ্টেলৰ ব্যৱস্থা আছে। মুঠতে কলগাছিয়া অঞ্চলটোৱে শিক্ষাৰ ক্ষেত্ৰত বহুতো উদগতি লাভ কৰিবলৈ সক্ষম হৈছে। কলগাছিয়া অঞ্চলটোৱে বিশেষকৈ ব্যক্তিগত শিক্ষানুষ্ঠান বিলাক থকাৰ বাবে যেন জিলিকিছে।

**সামৰণী**

শিক্ষাৰ ব্যক্তিগত কৰণে এক বিস্তৃত পৰিৱেশ সামৰি লৈছে, তাৰে লগতে আমাৰ বৃহত্তৰ কলগাছিয়া অঞ্চটোৰ কথাকে উল্লেখ কৰিব পাৰি। কলগাছিয়াই বৰ্তমান ব্যক্তিগত শিক্ষাৰ বাবে যেন উজলিছে আৰু ব্যক্তিগত শিক্ষাদান কৰি বহুতো সাফল্যও লাভ কৰিছে। যাৰ প্ৰমান বৰ্তমান সময়ৰ অধিক পৰিমানে প্ৰচলিত Social Media তে চাব পাৰি।

◈◈◈◈

# কলগাছিয়া অঞ্চলৰ সংস্কৃতি সম্পৰ্কে এক সাম্যক আলোচনা ঃ

জোচিম উদ্দিন শিকদাৰ

সংস্কৃতিৰ পৰিসৰ অতিকৈয়ে বহল। ইয়াক এটা মাত্ৰ বাক্যৰ মাজেদি প্ৰকাশ কৰা সম্ভৱ নহয়। তথাপিও সংস্কৃতি সম্পৰ্কে সাম্যক ধাৰনা এটা পাব পাৰি। সাধাৰণ অৰ্থত সংস্কৃতি হ'ল কোনো এটা জাতি বা মানৱ গোষ্ঠীৰ মাজত এক দীৰ্ঘ সময়ৰ মাজেৰে সমাজৰ শিক্ষা, আচাৰ-নীতি, ভাষা-সাহিত্য, ৰুচি-অভিৰুচি, শিল্প-কলা আদি গঢ় লৈ উঠা সুষম বৈশিষ্ট্য। ভাষা আৰু সংস্কৃতিৰ মাজত ওতঃপ্ৰোত ভাৱে এক সম্পৰ্ক আছে। ভাষা হ'ল সংস্কৃতিৰ মাজৰ এক উপভাগ।

অসমীয়া সংস্কৃতি যিদৰে নানা জাতি-উপজাতিৰে গঠিত ইয়াৰ ভাষা, উৎসৱ-পাৰ্বন, শিল্প-কলাও অতিশয় চহকী বুলিব পাৰি। তাৰ তুলনাত কলগাছিয়া অঞ্চলৰ সংস্কৃতি এক তাওৰণহে মাত্ৰ। অসমীয়া সংস্কৃতিৰ ভিতৰুৱা এপাচি শাকত এটা জালুক স্বৰূপ।

বৃহত্তৰ কলগাছিয়া অঞ্চলটো সৌ সিদিনাৰ পৰাহে শিক্ষিত হ'ব ধৰিলে। প্ৰয়াত ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদৰ তত্বাৱধানত এই অঞ্চলৰ উচ্চ শিক্ষাৰ বাহকস্বৰূপ নৱজ্যোতি মহাবিদ্যালয় খন স্থাপন হোৱাৰ পৰা লোকসকলে উচ্চ শিক্ষা লাভৰ সপোন বাস্তৱত পৰিণত হ'ল। তদুপৰি বৰ্তমান সময়ত এই অঞ্চলটোত প্ৰচুৰ পৰিমাণে শিক্ষানুষ্ঠান স্থাপন হ'ল। য'ৰ পৰা শিক্ষা আহৰণ কৰি প্ৰায়সংখ্যক লোকেই নিৰক্ষৰ উপাধিৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হৈছে। তদুপৰি চৰ এলেকাৰ বহুতোলোক বৰ্তমান সময়তো শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। কৃষি কৰ্মত নিয়োজিত বহুতো লোক নিৰক্ষৰ আৰু অৰ্ধশিক্ষিত হৈ আছে। তেওঁলোকে পেটৰ তাড়নাত বছৰৰ ছয়মাহ কৃষিকৰ্মত লিপ্ত হৈ বাকী সময়ত দেশৰ বিভিন্ন চহৰ-নগৰলৈ ঢাপলি মেলে। বিশেষকৈ অসমৰ বিভিন্ন অঞ্চলত থকা ইটাৰ ভাটা আৰু নগৰ অঞ্চলত জাবৰ বুটলিবলৈ যোৱা দেখা যায়। এনেবোৰ লোকৰ সন্তানবোৰ শিক্ষাৰ পৰা সম্পূৰ্ণভাৱে বঞ্চিত হৈ আছে।

উৎসৱ-পাৰ্বণ বুলি ক'লে বছৰটোৰ দুটা প্ৰধান ঈদৰ বাহিৰেও মহৰম, বিহু তিনিটা, পুষুৰা উৎসৱ, নাওখেল অঞ্চলটোৰ মুখ্য উৎসৱ। তদুপৰি বিবাহ উৎসৱ, মহৎ লোকসকলৰ জন্ম-মৃত্যু উৎসৱো উল্লেখযোগ্য। ঈদৰ দিনা পৰিস্কাৰ কাপোৰ পিন্দি আপোনজনৰ ঘৰত ফুৰিবলৈ যোৱা আৰু আল্লাৰ উপাসনা কৰাই মুখ্য উদ্দেশ্য। তদুপৰি বিশ্ব-শান্তি আৰু ভাতৃত্বৰ কামনাও পৰম নেদেখাজনৰ ওচৰত কৰা হয়। ইয়াত সামুহিক বিহু অনুষ্ঠানৰ আয়োজন কৰাও দেখা যায়। পুষুৰা উৎসৱো





অঞ্চলটোৰ এক অন্যতম আকৰ্ষণ। মাঘ মাহত এই পুষুৰা উৎসৱৰ আয়োজন কৰা হয়। বেকী নৈ থকা বাবে প্ৰতিবছৰে বাৰিষাত নাওখেল অনুষ্ঠিত হয়। অঞ্চলটো শিল্পকলাত সিমান উন্নত নহয়। তথাপিও বাঁহ শিল্পত অঞ্চলটো বাৰুকৈয়ে চহকী। ৰাস্তাৰ দুয়োকাষে বাহঁৰ মনোমোহা দৃশ্যই সকলোকে আকৰ্ষণ কৰে। দৈনন্দিন জীৱনত ব্যৱহৃত ঘৰুৱা সামগ্ৰী বাঁহেৰে তৈয়াৰ কৰা হয়। তদুপৰি বাঁহৰ খৰাহী, ঝাৰু, চালনী আদি বিক্ৰীও কৰা হয়। বাঁহ শিল্পৰ উপৰিও মৃৎ শিল্প, নক্সি কাথা, কঁহাৰ, দৰ্জী, মাছমৰীয়া আদিও দেখা যায়।

অন্ধবিশ্বাস, কু-সংস্কাৰ, সাথৰ, ফকৰা-যোজনা, প্ৰবাদ প্ৰবচন আদিও অঞ্চলটোত বৰ্তমানেও বিৰাজমান। অতীত কালৰ পৰাই লোকৰ মুখ বাগৰি বাগৰি বৰ্তমান সময়তো এইবোৰ বৰ্তি আছে। তলত এইবোৰৰ উদাহৰণ দাঙি ধৰা হ'লঃ-

ক) সাথঁৰ ঃ- উপুৰ দিয়া যায়ৰে পাখি নাল নীল পাও একশ গোণ্ডা নাতি পুতি বিৰাশী গোণ্ডা ছাও। উত্তৰ ঃ- মহ, মাখি।

খ) ফকৰা-যোজনা ঃ- নাচপাৰ নাজানলে উঠান ব্যাকা।

গ) প্ৰবাদ প্ৰবচন ঃ- খালি কলহ, বিধবা মহিলা, যাত্ৰা পথত মেকুৰী দেখিলে অমঙ্গল হয় বুলি বিশ্বাস কৰা হয়। কৃষি পথাৰত খেৰৰ মূৰ্তি বনাই আৰি থলে কাৰো চকু লগাৰ পৰা বিৰত থাকে বুলি কোৱা হয়।

এই দৰে বৃহত্তৰ কলগাছিয়া অঞ্চলৰ ভাষা-সংস্কৃতি সম্পৰ্কে চমু আলোচনা কৰিব পাৰি।

◆◆◆◆

## মহৎ লোকৰ বাণী

* মঞ্চত ভাল বক্তৃতা দিয়া মানুহজন ভাল নহবও পাৰে- মহাত্মা গান্ধী।

* একমাত্ৰ সৎ লোকেহে মহৎ লোকক চিনিব পাৰে, এজন লগুৱাই তেওঁৰ সমপৰ্যায়ৰ মানুহৰহে মন বুজিব পাৰে- গেটে।

সংগ্ৰাহক

শেখ তাহিৰা হক।

স্নাতক মহলাৰ পঞ্চম যান্মাসিক,

ৰাজনীতি বিজ্ঞান বিভাগ।

# চৰাঞ্চলৰ শিক্ষাৰ অৱস্থা

আশ্ৰাফুল ইছলাম
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

অসমৰ চৰ-চাপৰি এলেকাবোৰ এতিয়াও শিক্ষাৰ ক্ষেত্ৰত বহুখিনি পিছ পৰি আছে। ব্ৰহ্মপুত্ৰৰ বুকুত সিচৰিত হৈ থকা এই বালিচৰবোৰত ঘন জনবসতি, খেতি পথাৰ, বোকাময় বাট-পথৰ ওপৰিও অস্থায়ী বজাৰ-হাট, বিদ্যালয় আৰু আন অনুষ্ঠান আছে। পিছে এই চৰাঞ্চলত বসবাস কৰা মানুহবোৰৰ সমস্যাৰ কোনো অন্ত নাই। এই ক্ষেত্ৰত স্বাক্ষৰতাৰ হাৰ খুবেই কম দেখিবলৈ পোৱা গৈছে। এই অঞ্চলবোৰত শিক্ষাৰত ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে।

চৰাঞ্চলৰ বাসিন্দাসকলৰ শিক্ষাৰ প্ৰতিচ্ছবিয়ে চৰাঞ্চলৰ এক ভয়াবহ চিত্ৰ উদঙাই দিছে। ২০০৩-০৪ চনলৈকে চৰাঞ্চলবোৰৰ স্বাক্ষৰতাৰ হাৰ কেৱল ১৯.৩৯ শতাংশ। একে সময়ত অসমৰ স্বাক্ষৰতাৰ হাৰ আছিল ৫৩.৭৯ শতাংশ।

শিক্ষাৰ এনে অৱস্থাই চৰাঞ্চলৰ সামগ্ৰিক অনুন্নতিক সোৱৰাই দিয়ে। যি সময়ত অসমৰ সামগ্ৰিক স্বাক্ষৰতাৰ হাৰ পঞ্চাছ শতাংশৰ আধিক আৰু তাৰ ভিতৰত কিছু ৰাজ্যত শিক্ষিতৰ হাৰ প্ৰয় এশ শতাংশ তেনে ক্ষেত্ৰত চৰাঞ্চলবোৰৰ অৱস্থা শোচনীয়। এই ক্ষেত্ৰত আজি পৰ্যন্ত চৰকাৰেও কোনো আগ্ৰহ দেখুওৱা নাই। এই ভূক্তভোগী চৰাঞ্চলৰ সাধাৰণ ৰাইজক ইয়াৰ উপৰিও আমি কব খোজো যে এই চৰ এলেকাবোৰৰ ৰাইজে বহুতো অবহেলাৰ ফলত এনে অৱস্থাৰ সৃষ্টি হৈছে কিয়োনো চৰাঞ্চলৰ সাধাৰণ ৰাইজৰ মাজত বহুতো অৱহেলা আছে। নহলে আজিৰ দিনত এই স্বাক্ষৰতাৰ হাৰ কেতিয়াও এনে নহলেহেঁতেন। কথাতে আছে ৰাইজে নখ জোকাৰিলে নৈ বয়।

জীৱনৰ প্ৰথম বাট দেখুৱাব মাতৃয়ে আৰু জীৱনৰ শিশুৰ প্ৰথম শিক্ষক হ'ল মাতৃ। মাকেই সন্তানৰ প্ৰাথমিক শিক্ষা আৰম্ভণি কৰাৰ লগতে ল'ৰা-ছোৱালীৰ পঢ়া শুনাৰ খা-খবৰ ৰাখে। পিছে সেই মাতৃজনী নিজে নিৰক্ষৰ হ'লে তেওঁ এই দায়িত্ব খুব ভালকৈ পালন কৰিব নোৱাৰে। চৰাঞ্চলৰ সামগ্ৰিক স্বাক্ষৰতাৰ হাৰ কম হোৱাৰ লগে লগে নাৰী শিক্ষাৰ পৰিমাণো কম হয়। আজিৰ দিনত এই পৰ্যায় পাইছে গৈ মইনবড়ী আৰু বাঘবৰৰ ছাত্ৰ-ছাত্ৰীসকল এই ঠাইৰ যিসকল অলপ উন্নত পৰিয়ালৰ হয় তেওঁলোক বহুত কষ্টৰ মাধ্যমেৰে কলগাছিয়াৰ নৱজ্যোতি আৰু কিছুমানে মন্দিয়া কলেজত শিক্ষা লব লগা হৈছে। এই ক্ষেত্ৰত মাথো ২০-৩০ শতাংশ ছাত্ৰ-ছাত্ৰী পঢ়িব পাৰিছে। বাকী সকল আজিৰ দিনতো নিৰক্ষৰত পৰিণত হৈয়ে আছে।





এই চৰাঞ্চলৰ কন-কন লৰা ছোৱালীয়ে বালি বোকাময় পথেদি যদিও বা প্ৰাথমিক বিদ্যালয়ত বা কিছুমান ব্যক্তিগত খণ্ডৰ স্কুলতো যায় তাতো কোনো ধৰণৰ সুবিধা নোপোৱাত আৰু চৰকাৰী কোনো সুবিধা নোপোৱাত পঢ়া-শুনা এৰিবলৈ বাধ্য হয়। পিছত তেওঁলোকে খেতি পথাৰৰ কামত ব্যস্ত হয় এনেকৈয়ে চৰাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংসৰ কবলত পৰে।

চৰবোৰত এতিয়াও বাল্য বিবাহৰ প্ৰভাৱ ভয়ঙ্কৰ। বাল্য বিবাহ বেআইনী হোৱা সত্বেও প্ৰাথমিক বিদ্যালয়ৰ দেওনা পাৰ কৰোতে নকৰোতে এই কণ কণ ছোৱালীবোৰক বিয়া দি দিয়া হয়। তেওলোকৰ শিক্ষা জীৱন এইখিনিতে সমাপ্ত হয়। এই যে বয়স নোহোৱাত বিয়া দি দিয়া হয় এই ক্ষেত্ৰত কিন্তু অকল যে সেই ছোৱালীৰ ভৱিষ্যৎ অন্ধকাৰ তেনে নহয় লগতে সমাজতো এক বেয়া প্ৰভাৱ পেলায়। পিছত সেই কণ কণ ছোৱালীৰ মাতৃত্বৰ ফলত বহু স্বাস্থ্য জনিত সমস্যাৰো সন্মুখীন হ'ব লগা হয়। আৰু তেওঁলোকৰ নিজৰ সন্তানৰো শৈক্ষিক উন্নয়নত এওঁলোকৰ ভূমিকা সীমিত হৈ পৰে।

চৰাঞ্চলৰ শিক্ষাৰ বেয়া প্ৰভাৱৰ উপৰিও জনগণৰ জীৱন ধাৰণৰ মানদণ্ড, ধৰ্মীয় আৰু সামাজিক পৰিৱেশ, ৰাজনৈতিক অৱস্থান আৰু অন্যান্য দিশবোৰো ফহিঁয়াই চালে দেখা যায় যে চৰ-চাপৰিত জনসাধাৰণৰ শিক্ষা হীনতাৰ মূলতে আছে যোগাযোগহীনতা, দৰিদ্ৰতা, অজ্ঞতা, স্বাস্থ্য সেৱাৰ অভাৱ, চৰকাৰী নীতিৰ সৎভাৱে কাৰ্যকৰী নকৰা আৰু ধৰ্মীয় শোষণ ইত্যাদি।

ইয়াৰ উপৰি আটাইতকৈ ডাঙৰ সমস্যা হ'ল চৰ-চাপৰিৰ ল'ৰা-ছোৱালীৰ স্কুলীয়া বাহন নাওঁ ইয়াৰ বাবেও সময়ত স্কুলত যাব নোৱাৰাত নিৰক্ষতাত পৰিণত হৈছে। কিয়োনো বিদ্যালয়ৰ সঠিক সময়ত নাওঁ পোৱা নাযায় আৰু কণ কণ ছাত্ৰ-ছাত্ৰীয়েও বিদ্যালয়ত যাব নোৱাৰা হয়।

◈◈◈◈



# সপোনৰ পৰিণাম

আমিনুল ইছলাম
স্নাতক পঞ্চম যান্মাসিক
অসমীয়া বিভাগ

পৃথিবীত জীয়াই থকা সকলো মানুহেই সপোন দেখো সেয়া হলেও ভাৰতবৰ্ষৰ মহামানৰ ভূতপূৰ্ব জনপ্ৰিয় ৰাষ্ট্ৰপতি, মিছাইল মেন হিচাপে জনাজাত ডঃ এ. পি. জে. আব্দুল কালামেও সপোন ৰচিছিল। ডঃ কালামৰ জন্ম হৈছিল নদীৰ মোহনাত অতি দৰিদ্ৰ মাছমৰীয়াৰ ঘৰত, কিন্তু তেওঁ সপোন ৰচিছিল অতি বৃহৎ উচ্চস্তৰলৈ যোৱাৰ আৰু দেশখনক উন্নতিৰ শিখৰলৈ লৈ যোৱাৰ। তেওঁৰ সপোনক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত তেওঁ কৰিছিল কঠোৰ পৰিশ্ৰম, একাগ্ৰচিত্তে অধ্যৱসায়ৰ লগতে তেওঁৰ আছিল সৎ মনোভাৱ। তেওঁ জীৱনৰ সংগী হিচাপে বাছি লৈছিল কিতাপ। যাৰ পৰিণতিতে এই সপোনৰ গৰাকীজন হ'লগে মহান বিজ্ঞানী আৰু সন্মানীয় ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰিবলৈ সক্ষম হোৱা এজন মহান ব্যক্তি। কিন্তু বৰ্তমান বিদ্যাৰ্থী সকলে মন কৰিলে দেখা যায় যে এওঁলোকে সপোন দেখে কিন্তু বাস্তৱায়িত কৰিবলৈ অপাৰগ। তেওঁলোকৰ সৎ মনোভাৱৰ অভাৱ, সৎ সাহস কম আৰু কঠোৰ পৰিশ্ৰমৰ পৰা সম্পূৰ্ণ দূৰত আৰু কিছুমানে যদিও চেষ্টা কৰে তেওঁলোকক বিভিন্ন অপসংস্কৃতিয়ে আহি ছানি ধৰে। সপোনক প্ৰকৃততে পাবলৈ কৰিবলগীয়া যি অধ্যয়ণ তাৰ পৰা বহু দূৰত আজিৰ স্বপ্নদ্ৰষ্টা সকল, ফলত সপোনক বাস্তৱায়িত কৰাত অসমৰ্থ হয়।

সেয়েহে বৰ্তমানৰ স্বপ্নদ্ৰষ্টা সকল সপোন ৰচিব লাগে ডঃ কালামৰ দৰে। এইজন মহামানৱৰ দৰেই কষ্ট, পৰিশ্ৰম, অধ্যয়ণ কৰিব পাৰিব লাগিব আৰু সময়ৰ মূল্য বুজি পাব লাগিব লগতে সৎ চিন্তা, সৎমানসিকতা গঢ়িব লাগিব। যাৰ ফলস্বৰূপে সকলোৱে জীৱনৰ উন্নতিৰ জখলা নমাই আনিবলৈ সক্ষম হোৱাৰ লগতে সমাজ তথা ৰাষ্ট্ৰখনকো উন্নতিৰ শীৰ্ষস্থানলৈ নিব পাৰিব।

◈◈◈◈





# বিজ্ঞানৰ আৱিস্কাৰ আৰু আকস্মিক সংযোগৰ পৰিঘটনা

চৈয়দ কাইয়ুম কবীৰ আহমেদ
সহযোগী অধ্যাপক,
ৰসায়ন বিজ্ঞান বিভাগ।

ইতিহাসে ঢুকি নপোৱা সময়ৰ আদিম মানুহৰ পৰা আজিৰ উচ্চ প্ৰযুক্তিৰ এই বৰ্তমান সময়ৰ আধুনিক মানুহে বিভিন্ন বৈজ্ঞানিক আৱিস্কাৰ সমূহৰ জৰিয়তে মানৰ সভ্যতাৰ প্ৰগতিৰ পতাকাখন চিৰউড্ডীন কৰি ৰাখিছে। এই যাত্ৰা পথৰ বিভিন্ন সময়ত ন ন আৱিস্কাৰে মানৰ সভ্যতাক সমৃদ্ধ কৰিছে আৰু আধুনিক মানুহে বৰ্তমান সময়ত তাৰ সুফল লাভ কৰিছে। এনে কিছুমান বৈজ্ঞানিক আৱিস্কাৰৰ কাহিনী আছে য'ত বিজ্ঞানী বা আৱিস্কাৰক জনে কোনো পূৰ্বধাৰণা নহোৱাকৈ আচহুৱা এক দৈৱিক সংযোগ বা আকস্মিক সংযোগৰ মাজেদি এক মৌলিক আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছে। এনে আৱিস্কাৰবোৰে আধুনিক মানুহৰ জীৱন যাত্ৰাত পদে পদে অপাৰ সুখ সুবিধা প্ৰদান কৰিছে।

**চীনৰ এলকেমিষ্ট সকলে মৃত্যুক জয় কৰিবলৈ যাওতে...**

নৱম শতিকাত চীনৰ এলকেমিষ্ট সকলে যখাৰ (পটাচিয়াম নাইট্ৰেট) গন্ধক আৰু এঙাৰৰ গুড়ি এক নিৰ্দ্দিষ্ট অনুপাতত মিহলি কৰি এবিধ মৃত সঞ্জীৱনী দ্ৰব্য প্ৰস্তুত কৰিবলৈ আপ্ৰান চেষ্টা চলাইছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে এক নিৰ্দ্দিষ্ট অনুপাতত যখাৰ, গন্ধক আৰু কাৰ্বন বা এঙাৰৰ গুড়ি মিহলাই কৰা ঔষধ বিধ মানুহে সেৱন কৰিলে মানুহৰ আৰু মৃত্যু নহব। মানুহ হব মৃত্যুঞ্জয়, অমৰ! পিছে সেয়া সেৱন কৰি মানুহ অমৰ হব নোৱাৰিলে। কিন্তু তেওঁলোকে যিবিধ মিশ্ৰণ আৱিস্কাৰ কৰিলে সেয়া পৃথিৱীৰ প্ৰথম বিস্ফোৰক দ্ৰব্য যাক বোমা বাৰুদ, আতচবাজি আদিত ব্যৱহাৰ হয়। এই বিস্ফোৰক দ্ৰব্যৰ আৱিস্কাৰে প্ৰাচীন যুদ্ধ প্ৰনালীৰ অৱসান ঘটালে। ফলত আন্তৰ্জাতিক ৰাজনীতিত এক বিৰাট পৰিবৰ্তন আহিল। সেইদৰে আতচবাজিৰ ব্যৱহাৰে উৎসৱৰ আনন্দক অধিক তৰান্বিত কৰিলে।

**ছাৰ আলেকজেন্দাৰ ফ্লেমিংৰ দৈৱ সংযোগৰ অভিজ্ঞতা; জীৱন-দায়িনী পেনিচিলিন।**

১৯২৮ চনত ছাৰ আলেকজেন্দাৰ ফ্লেমিংএ ইনফ্লুৱেনজা ভাইৰাছৰ ওপৰত নেৰানেপেৰা গবেষনা কৰি গৈছিল। তেওঁৰ গবেষনাৰ উদ্দেশ্য আছিল ইনফ্লুৱেনজাৰ প্ৰতিযেধক আৱিস্কাৰ কৰা। এবাৰ হ'ল কি, তেওঁ দুসপ্তাহৰ বাবে গবেষনাগাৰটো বন্ধ কৰি বাহিৰত ছুটি উপভোগ কৰিব গ'ল। ভুলতে তেওঁ গবেষনাগাৰৰ

খিড়িকী এখন বন্ধ কৰিবলৈ পাহৰিলে। দুসপ্তাহ পিছত তেওঁ উভতি আহি গবেষনা গাৰত প্ৰবেশ কৰি দেখিলে যে গবেষনাগাৰৰ খোলা খিড়ীকিখনৰ ওচৰত ৰখা ষ্টেফিলোকক্কাছ বেক্তেৰিয়া কালচাৰ কৰা পেট্ৰিদিছখনত ভেকুৰ সদৃশ্য ৰেণুৱে আবৰি ৰাখিছে। তেওঁ ভালকৈ লক্ষ কৰিলে যে ষ্টেফিলোকক্কাছ বেক্তেৰিয়াবোৰৰ বৃদ্ধি বন্ধ হৈ গৈছে। প্ৰকৃততে খিড়িকীখনেৰে প্ৰৱেশ কৰা পেনিচিলিয়াম নটেটাম নামৰ ভেকুৰৰ ৰেনুবোৰ পেট্ৰিদিছখনত থকা ষ্টেফিলোকক্কাছ বেক্তেৰিয়াবোৰ ধ্বংস কৰিলে, এনেদৰে আবিস্কাৰ হ'ল জীৱনদায়িনী প্ৰতিজৈৱিক পেনিচেলিন, যিয়ে ২য় মহাযুদ্ধত লাখ লাখ আহত সৈন্যক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিব পৰা গ'ল।

## প্ৰথম "প্লাষ্টিক" বেকেলাইট্‌ৰ আবিস্কাৰৰ দূৰ্ঘটনা

১৯০৭ চনত আমেৰিকা স্থিত এটি গবেষনাগাৰত ব্যস্ত আছিল বেলজিয়ামৰ ৰসায়নবিজ্ঞানী লিও বেকল্যাণ্ড। দক্ষিণ এচিয়াৰ এবিধ গুবৰুৱা নামৰ পতংগই ক্ষৰণ কৰা 'ছিলাক" নামৰ এবিধ অতিব্যয়বহুল ৰেজিনৰ বিকল্প এবিধ ৰেজিন কৃত্ৰিম ভাবে সৃষ্টি কৰিবলৈ দিনে ৰাতি তেওঁ গবেষনাত ব্যস্ত আছিল। এদিন এটা দূৰ্ঘটনা ক্ৰমে আলকাতৰাৰ পৰা সৃষ্টি হোৱা অপদ্ৰব্য ফৰমেলদিহাইদ আৰু ফিনল একেলগে মিহলি হৈ পৰিল। যাৰ ফলত এটা নতুন তাপৰোধী, বিদ্যুৎ কুপৰিবাহী, কঠিন আৰু সহজে আকৃতি দিব পৰা এবিধ পদাৰ্থৰ সৃষ্টি হ'ল। এই পদাৰ্থটোৱে আছিল বিশ্বৰ প্ৰথম প্লাষ্টিক। বেকল্যাণ্ডে পদাৰ্থ বিধৰ নাম ৰাখিলে "বেকেলাইট"।

## আকাশৰ কলীয়া ডাৱৰে উন্মোচিত কৰিলে তেজঃ স্ক্ৰিয়তাৰ পৰিঘটনা।

ইউৰোনিয়ামৰ পৰা সৃষ্টি হোৱা তেজঃস্ক্ৰিয় বিকিৰনৰ আবিস্কাৰো আছিল এক আকস্মিক ঘটনা। ১৮৯৬ চনত ফৰাচী পদাৰ্থবিদ এন্টনি হেনৰি বেকাৰেলে ইউৰেনিয়াম ধাতুৰ ওপৰত গবেষনা কৰিছিল। সেই সময়ৰ পদাৰ্থ বিজ্ঞানীসকলৰ এনে এক ধাৰনা আছিল যে সূৰ্য্যৰ পোহৰ পৰিলে ইউৰেনিয়ামে ৰঞ্জন ৰশ্মি নিৰ্গত কৰে আৰু এই ৰশ্মিয়ে ফটোগ্ৰাফিক ফ্লিমত ভাস্বৰ দাগ বহুৱাব পাৰে। বেকাৰেলে এদিনাখন গবেষনা-গাৰৰ বাহিৰত ৰ'দৰ পোহৰত ইউৰেনিয়ামৰ টুকুৰা এটা লৈ পৰীক্ষা সজুলিবোৰ স্থাপন কৰি পৰিঘটনাটো পৰ্য্যবেক্ষণ কৰি আছিল। হঠাৎ আকাশত কৰবাৰ পৰা উৰি অহা এচাটি মেঘে গোটেই পৰিবেশটো অন্ধকাৰ কৰি তুলিলে। বেকাৰেলে লৰালৰিকৈ ইউৰেনিয়াম সহ সাসজুলিবোৰ গোটাই লৈ এটা বন্ধ কাঠৰ আলমাৰিত ৰাখি থলে। বতৰ ডাৱৰীয়া বাবে বেকাৰেলে পৰীক্ষা সজুলিসহ ইউৰেনিয়াম খিনি কাঠৰ আলমাৰিত ৰাখি থলে। বতৰ তৃতীয় দিনা যেতিয়া সজুলি সহ ইউৰেনিয়াম খিনি আলমাৰিৰ পৰা উলিয়াই আনি দেখিলে যে দুদিন কাঠৰ আলমাৰিৰ ভিতৰৰ এন্ধাৰত থকা ফটোগ্ৰাফিক ফ্লিমখনত পোহৰ পৰিলে যেনেদৰে দাগৰ সৃষ্টি হয় তেনেদৰে দাগ বহিছে। এনে ঘটনাটো দেখি হেনৰি বেকাৰেলে আবিস্কাৰ কৰিলে এক নতুন সত্য। ইউৰেনিয়ামে স্বতঃ স্ফুৰ্ত্ত ভাবে কিছুমান ৰশ্মি বিকিৰণ কৰে। এই ঘটনাটোৱে হ'ল তেজঃস্ক্ৰিয়তা।

## উইলচন গ্ৰেট্‌বেটছৰ ভুলৰ পৰিনতিত..

উইলচন গ্ৰেটবেট্‌ছ আছিল পেচমেকাৰ নামৰ হৃদৰোগীৰ হৃদস্পন্দন নিয়ন্ত্ৰন কৰা সজুলি বিধৰ আবিস্কাৰক।





এই আবিস্কাৰো আছিল এক আকস্মিক ভুলৰ পৰা সৃষ্ট পৰিঘটনা। ১৯৫০ চনৰ শেষৰ পিনে গ্ৰেটবেট্‌চে মানুহৰ হৃদপিণ্ডৰ শব্দৰ ৰেৰ্কডিংৰ বাবে এটা বৈদ্যুতিক সজুলিৰ ওপৰত কাম কৰি আছিল। আকস্মিক ভাবে গ্ৰেটবেট্‌চে সৰু যন্ত্ৰটোৰ বিদ্যুৎবৰ্ত্তনীটোত এটা বেলেগ মানৰ ৰোধক অশুদ্ধ ভাবে সংলগ্ন কৰিলে। দেখা গ'ল যে যতন বিধে এক ছন্দবদ্ধ ভাবে বৈদ্যুৎতিক পালছ এৰি দিবলৈ আৰম্ভ কৰিছে। উইলচন গ্ৰেটৱেট্‌চে এই আকস্মিক ঘটনাটিৰ পৰা মানুহৰ হৃদযন্ত্ৰৰ স্পন্দন নিয়ন্ত্ৰন কৰিব পৰা পেচমেকাৰ আবিস্কাৰ কৰিলে।

## বগা বগা চাহাবৰ কলা কলা টুপি..

হয়। জুইশলা আৰু জুইশলাৰ বাহটোৰ লগত জড়িত সেই সাথৰটোৰ চাতুৰি খিনি বৰ ভাল লাগে। এই জুইশলাৰ আবিস্কাৰো আছিল এক আকস্মিক ঘটনাহে। ১৮২৭ চনত ইংৰাজ ফাৰ্মাচিষ্ট জন ৱাকাৰে এটা পাত্ৰত কিছুমান ৰসায়নিক পদাৰ্থ এডাল মাৰিৰে লৰাই আছিল। এই মিশ্ৰনটোত থকা অনন্য দুটা পদাৰ্থ আছিল এন্টিমনি ছালফাইদ্ আৰু পটচিয়াম ক্লৰেট্। জনৱাকাৰে লক্ষ কৰিলে যে লৰাই থকা মাৰিডালত কিছুপৰিমানে মিশ্ৰনটো লাগি ধৰিছে। তেওঁ লাগি ধৰা মাৰিডালৰ পৰা অৱশিষ্ট শুকান মিশ্ৰনটো এৰুৱাবলৈ চেষ্টা কৰি এটা শিলৰ ওপৰত ঘঁহি দিওঁতে মিশ্ৰনটো ভমককৈ জ্বলি উঠিল। এনেদৰে আবিস্কাৰ হ'ল জুইশলা আৰু জুইশলাৰ বাকচ।

## কনষ্টানটিন ফালবাৰ্গৰ মিঠা অভিজ্ঞতা....

জনচ হপকিনচ্ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞানী কনষ্টানটিন ফালবাৰ্গ এদিন গভীৰ ৰাতি গবেষনাগাৰৰ পৰা উভতি আহোতে তেওঁ হাত দুখন ধুব পাহৰিলে। পোনে পোনে তেওঁ ৰাতিৰ আহাৰ খাবলৈ বহিল। আহাৰ খাই থাকোতে তেওঁ আচৰিত কথা এটা লক্ষ কৰিলে, তেওঁৰ খোৱা খাদ্য খিনি অসম্ভৱ ধৰণে মিঠা হৈ পৰিছে। তেওঁ হাত দুখনো চেলেকি চালে। হয় অসম্ভৱ মিঠা। ঘটনাৰ উহ বিচাৰি তেওঁ সেই নিশাই পুনৰ গৱেষনা গাৰলৈ গ'ল। তাত দেখিলে যে আলকাতৰাৰ পৰা আহৰণ কৰা এবিধ উপদ্ৰব্য অৰ্থ টলুইন ছালফনিক এচিদৰ সংস্পৰ্শত হে তেওঁৰ হাত দুখন অসম্ভৱ মিঠা সোৱাদ যুক্ত হৈছিল। এই পদাৰ্থটোৱে পিছত ছেকাৰিন নামৰ কৃত্ৰিম মধুকৰী দ্ৰব্য (Sweetening agent) হিচাবে জনাজাত হ'ল। ফলত কনাষ্টানটিন ফল্‌বাৰ্গ্ হ'ল ছেকাৰিনৰ আবিস্কাৰক। ছেকাৰিন চেনিতকৈ ৪৫০ গুন বেচি মিঠা। মধুমেহ ৰোগীয়ে ইয়াক চেনিৰ সলনি ব্যৱহাৰ কৰিছিল।

## কিয় এনে হয়?

এনে ধৰনৰ আজৰ আৱিস্কাৰৰ পৰিঘটনা সমূহে আমাৰ সকলোৱে মনত এটি প্ৰশ্নই সততে দোলাদি যায়- কিয় এনে হয়? এয়া কি আবিস্কাৰক বিজ্ঞানী জনৰ নিতান্তই পৰমসৌভাগ্য? নে অইন কিবা? দাৰ্শনিক আৰু মনোবিজ্ঞানী সকলৰ মতে এনে আকস্মিক আবিস্কাৰ সমূহ কোনো ভাগ্যৰ খেলা মুঠেই নহয়। যিসকল বিজ্ঞানীয়ে এনে ধৰণৰ আবিস্কাৰৰ অভিজ্ঞতা লাভ কৰিছিল তেওঁলোকৰ ব্যক্তিগতজীৱন চৰ্য্যাৰি অনুসন্ধানত বহু সত্য উন্মোচিত হৈছিল। এনে বিজ্ঞানী সকলে তেওঁলোকৰ বৈজ্ঞানিক অনুসন্ধানৰ বাবে তেওঁলোকৰ প্ৰচেষ্টা, নিষ্ঠা, সততা, বিশ্বাসৰ শক্তি অইন হেজাৰ জন বিজ্ঞানীতকৈ বহুগুনে উচ্চখাপৰ আছিল। এনে বিজ্ঞানী সকলে প্ৰ্যাতহিক জীৱনৰ প্ৰতি

মুহুৰ্ত্ততে ব্যস্ত সমস্ত ভাবে জগতৰ গোপন ৰহস্যৰ অনুসন্ধানত একনিষ্ঠ ভাবে নিজকে জড়িত কৰিব পাৰিছিল। তেনে বিজ্ঞানী সকলৰ সদায়ে এক স্ফটিক স্পষ্ট লক্ষ আছিল। ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত থাকি সমাজৰ মংগলৰ কাৰণে দিনৰাতি একাকাৰ কৰা এন বিজ্ঞানী সকলৰ সমুখতহে এনে সত্য বা এনে আৱিস্কাৰে ধৰা দিয়েহি।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে কাহিনীবোৰৰ পৰা কিবা শিকিব লগা আছেনে? হয় আছে, নিশ্চয় আছে। মনোবিজ্ঞানী সকলৰ মতে বুদ্ধিমত্তা, মেধাশক্তি সকলোৰে একে নহয় যদিও কঠোৰ পৰিশ্ৰম, যত্ন, নিষ্ঠা, সততা আৰু বিশ্বাসেৰে নিজৰ বৰ্তমান কৰ্ত্তব্যত নিজকে দেহে মনে জড়িত কৰিব পাৰিলে যিকোনো মানুহে মহাজগতৰ অসীমশক্তিৰ পৰা শক্তি আহৰণ কৰিবলৈ সক্ষম হব পাৰে। তেনে মানুহক মহাবিশ্বৰ অসীম শক্তিয়ে নিশ্চয় সহায় কৰিব। যাৰ বাবে শৈক্ষিক দিশত ভাল ফলাফল নাপালও অইন অইন দিশত তেওঁলোকে সাফল্য পাবই পাব আৰু তেওঁলোকৰ জীৱন ধন্য হ'ব।

◈◈◈◈◈







# প্ৰাচীন অসমৰ এক লোক পৰিৱেশ্য কলা দেৱদাসী নৃত্যৰ পৰম্পৰা আৰু ঐতিহ্য ঃ এক সম্যক বিশ্লেষণ

শ্ৰী নয়নমনি দেৱী

(১)

প্ৰাচীন অসমৰ লোক পৰিৱেশ্য কলা সমূহৰ ভিতৰত 'দেৱদাসী নৃত্য' ৰ এক বিশেষ মূল্য আছে। দেৱদাসী অৰ্থাৎ দেৱতাৰ দাসী। প্ৰাচীন কালত সমগ্ৰ ভাৰতবৰ্ষতে দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। চিৰ চেনেহী মোৰ অসম দেশতো এই দেৱদাসী নৃত্যই প্ৰাচীন কালত বিশেষ প্ৰাধান্য পাইছিল। প্ৰাচীন ভাৰতৰ ইতিহাসৰ পাত লুটিয়াই চালেই আমি এই দেৱদাসী নৃত্যৰ ঐতিহ্যৰ কথা গম পাওঁ। মন্দিৰত দেৱতাৰ সন্মুখত এক অতি উচ্চ ধৰণৰ যি নৃত্য পৰিৱেশন কৰা হয়। সেই নৃত্যই হ,ল দেৱদাসী নৃত্য। দেৱদাসী সকল কামনা বাসনা বিবৰ্জিত একো-একোগৰাকী নৃত্য পটিয়সী। পিছৰ পৰ্য্যায়ত এই দেৱদাসী নৃত্যই এক বিশেষ শাস্ত্ৰীয় তথা মাৰ্গীয় নৃত্য কলা হিচাপে বিবেচিত হ'ব ধৰিলে। বিভিন্ন উৎসৱ-প্ৰদাস, ৰাজ প্ৰসাদ আদিত এই দেৱদাসী নৃত্য প্ৰচলন হৈছিল। প্ৰাচীন কালত দেৱতাৰ আগত নৃত্য কৰা বাবে এই সকল নৃত্য পটিয়সীক দেৱতাৰ দাসী হিচাপে পৰিগণিত কৰা হৈছিল। অসমৰ লোক নৃত্য সমূহৰ ভিতৰত এই দেৱদাসী নৃত্যৰ এক বিশেষ স্থান আছে। দেৱতাৰ সন্তুষ্টিৰ বাবে এই সকল নৃত্য পটিয়সীয়ে বিভিন্ন নৃত্য প্ৰদৰ্শন কৰে দেৱতাৰ আগত। প্ৰাচীন ভাৰতৰ ইতিহাসে দেৱদাসী নৃত্যৰ গৌৰৱ স্বীকাৰ কৰিছে। এই দেৱদাসী নৃত্যৰ পৰম্পৰা আৰু ঐতিহ্যই এইবিধ লোক পৰিৱেশ্য কলাৰ মান উন্নত কৰি ৰাখিছে। এইবিধ কলাত আমি শাস্ত্ৰীয় নৃত্যৰ সমল বিচাৰি পাওঁ। বিভিন্ন পণ্ডিতৰ মতে ভাৰতবৰ্ষত দেৱদাসী নৃত্যৰ পৰম্পৰা সৃষ্টি হৈছিল, দক্ষিণ ভাৰতত আৰু তাৰপৰা সাংস্কৃতিক সমাহৰণ আদি প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰাগজ্যোতিষ কামৰূপলৈও এই পৰম্পৰা আহিল। অসমত বিভিন্ন ধৰণৰ মন্দিৰ পোৱা যায়। এই বিধ নৃত্য বিশেষকৈ শিৱ মন্দিৰৰ লগত জড়িত। এইখিনিতে উল্লেখ কৰিব লাগিব যে বৈষ্ণৱ মন্দিৰ বা বিষ্ণু মন্দিৰৰ লগতো এই বিধ নৃত্য

জড়িত। ইয়াৰ প্ৰমাণ আমি ইতিহাসৰ বুকুত বিচাৰি পাওঁ। কিয়নো পুৰীৰ জগন্নাথ মন্দিৰ আৰু হাজোৰ মাধৱ মন্দিৰ হৈছে বৈষ্ণৱ মন্দিৰ আৰু এই মন্দিৰৰ লগত দেৱদাসী নৃত্য জড়িত আছিল। ইতিহাসে ইয়াৰ স্পষ্টতা দাঙি ধৰিছে। অসমত হাজোৰ মাধৱ মন্দিৰৰ পৰা গুৱাহাটীৰ উমানন্দ, বিশ্বনাথৰ শিৱমন্দিৰ, ডুবিৰ পৰিহৰেশ্বৰ, দেৰ গাঁওৰ নেঘেৰিটিং, হাজোৰ কেদাৰ আদি বিভিন্ন শিৱমন্দিৰলৈ এই দেৱদাসী নৃত্যৰ পৰম্পৰা সম্প্ৰসাৰিত হৈছিল। এই দেৱদাসী নৃত্যৰ পৰম্পৰা খৃঃ ১৯ শ শতিকাৰ শেষৰ ফালে লোপ পাইছিল কিন্তু এইখিনিতেই আমি এটা কথা ক'ব লাগিব যে এই নৃত্যৰ সমল আমি সত্ৰীয়া সংস্কৃতিত বিচাৰি পাওঁ। কিয়নো সত্ৰীয়া সংস্কৃতিত প্ৰচলিত হাজোৱালী বাজনা, হাজোৱালী নাচ, হাজোৱালী ৰামদানী, হাজোৱালী গুৰুঘাত আদিয়ে এই দেৱদাসী নৃত্যৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে। পোছাক আৰু অসমীয়া অলংকাৰ এই দেৱদাসী সকলে বা নটী সকলে ব্যৱহাৰ কৰিছিল। বিশেষ এক সূত্ৰৰ পৰা আমি গম পাওঁ যে পৰিহৰেশ্বৰ শিৱমন্দিৰৰ শেষ দুগৰাকী দেৱদাসী হৈছে কৌশল্যা আৰু ৰয়া। এই দুয়োগৰাকীয়ে পিছলৈ পাঠশালাৰ কেইজনীমান স্থানীয় যুৱতীক এই নৃত্য শিকাইছিল। যিকি নহওঁক প্ৰাচীন ভাৰতত এইবিধ লোক পৰিৱেশ্য কলাৰ এক বিশেষ মৰ্য্যাদা আছিল আৰু অসমতো এই মৰ্য্যাদা অটুট আছিল। অসমৰ ডুবিৰ পৰিহৰেশ্বৰ মন্দিৰ এই দেৱদাসী নৃত্যৰ বাবেই প্ৰসিদ্ধ হৈ পৰিছিল। আহোম স্বৰ্গদেউ শিৱসিংহই ডুবি দেৱালয়ত দেৱদাসী নৃত্যৰ আৰম্ভণি কৰে বুলি প্ৰবাদ আছে। দেৰ গাঁওৰ শিৱমন্দিৰ, বিশ্বনাথৰ শিৱমন্দিৰ, বিল্লেশ্বৰ মন্দিৰ, আদিত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। অসমৰ কেইটামান বিশেষ বিশেষ শিৱ মন্দিৰত এই দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। সকলো ছোৱালীয়ে দেৱদাসী হব পৰা নাছিল। দেৱদাসী নিয়োগ কৰা কিছুমান নীতি-নিয়ম আছিল। মন্দিৰত দেৱদাসী নিযুক্ত হ'বলৈ ছোৱালীবোৰে প্ৰথমতে প্ৰাৰ্থীত্বৰ বাবে মন্দিৰ পৰিচালনা সমিতিৰ ওচৰত আবেদন জনাব লাগিছিল তাৰ পিছতহে এই দেৱদাসী নিৰ্বাচন কৰা হৈছিল। সমগ্ৰ ভাৰতবৰ্ষতে দেৱদাসী নৃত্যৰ যে ব্যাপক প্ৰচলন আছিল সেই কথা আমি বিভিন্ন পুথিত বিচাৰি পাওঁ। এটি ধৰ্মীয় উদ্দেশ্যৰ বাবে নিজৰ কন্যাক ভগৱানৰ ওচৰত অৰ্পণ কৰি দেৱদাসী হ'বলৈ অনুপ্ৰেৰণা দিছিল কিছু সংখ্যক পিতৃ-মাতৃয়ে। দেৱদাসী সকলৰ কাম মন্দিৰ বা ৰাজপ্ৰসাদতে



সীমাবদ্ধ নাছিল। বিভিন্ন পূজা-পাৰ্বণত এই দেৱদাসী সকলে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। মন্দিৰৰ ফালৰ পৰা এই দেৱদাসী সকলে কিছুমান সা-সুবিধা লাভ কৰিছিল। উদাহৰণ স্বৰূপে ঘৰ-মাটি-বাৰী, বেতন এই দেৱদাসী সকলে লাভ কৰিছিল। ১৭৭০ চনত কামৰূপৰ ডুবিত পৰিহৰেশ্বৰ শিৱৰ মন্দিৰ স্থাপন হয়। দেৱদাসী নৃত্য এই দেৱালয়ত দিনে দুবাৰকৈ পৰিৱেশন হৈছিল। দিনৰ ভাগত দুপৰীয়া পূজাৰ সময়ত আৰু সন্ধিয়া পৰত। ডবাত তৃতীয় কোব পৰাৰ লগে লগে দেৱদাসী সকলে নৃত্য আৰম্ভ কৰিছিল।

(২)

প্ৰাচীন অসমৰ এক গৌৰৱময় লোক পৰিৱেশ্য কলা হৈছে দেৱদাসী নৃত্য। এই দেৱদাসী সকল দেৱতাৰ নামত অৰ্পিত। সমাজৰ হিতৰ আৰু ভগৱানৰ সন্তুষ্টিৰ বাবেই দেৱদাসীৰ সৃষ্টি। বৰ্তমান অৱশ্যে এই দেৱদাসী প্ৰথা লুপ্ত হৈ গ'ল। কিন্তু ডুবিৰ দেৱদাসী নৃত্যক পুনৰ জীৱিত কৰিবলৈ এচামে আগবাঢ়ি আহিছে। দেৱদাসী সকলে শুভ্ৰ সাজ পাৰ পৰিধান কৰিছিল। লগতে ওৰণি আৰু খোপা বন্ধাৰ নিয়ম আছিল। বিভিন্ন ধৰণৰ আ-অলংকাৰ পৰিধান কৰিছিল দেৱদাসী সকলে। উদাহৰণস্বৰূপে হাতত মুঠি খাৰু, ভৰিত ভৰি খাৰু, জোনবিৰি গলপতা (ডিঙিত পিন্ধিছিল), গলমাদুলি ইত্যাদি। মন্দিৰত দেৱদাসী নৃত্য প্ৰচলন হোৱাত ব্ৰাহ্মণ আৰু কিছু সংখ্যক গোড়া ধাৰ্মিক লোকে প্ৰতিবাদ কৰিছিল। কিন্তু যিহেতু এই প্ৰথাটো ৰজা আৰু আভিজাত্য শ্ৰেণীৰ লোকে পৃষ্ঠপোষকতা কৰিছিল সেয়েহে সেই প্ৰতিবাদ অসাৰ হৈছিল।

বিশেষকৈ শিৱপূজাৰ সৈতে এই দেৱদাসী নৃত্য জড়িত আছিল। দেৱদাসী সকলে বিভিন্ন ধৰণৰ ৰাগ তালযুক্ত গীত-পদ আবৃত্তি কৰি নৃত্য প্ৰদৰ্শন কৰিছিল মন্দিৰৰ বিগ্ৰহৰ আগত। কালৰ সোঁতত এইবিধ লোকপৰিৱেশ্য কলাই নিজস্ব ধাৰাটি হেৰুৱালে যদিও এই প্ৰথাৰ এক ঐতিহ্য আছে। সম্পূৰ্ণ ধৰ্মীয় ভাৰতে এই দেৱদাসীৰ সৃষ্টি হৈছিল। দেৱদাসী বা নটী সকলৰ লগতে নট জাতীয় পুৰুষসকলে বিভিন্ন বাদ্য যন্ত্ৰ নৃত্যৰ সৈতে সংগত কৰিছিল। উদাহৰণ স্বৰূপে খুতিতাল, বাঁহী, দোতোৰা, নাগেৰা, টোকাৰী, পাতিতাল আদি বাদ্য যন্ত্ৰ সমূহ নটীসকলৰ নৃত্যৰ লগত সংগত কৰিছিল। বৰ্তমানে এই বিধ লোক পৰিৱেশ্য কলাৰ স্থিতি আমি সত্ৰীয়া সংস্কৃতিত

ৰক্ষিত হোৱা দেখা পাওঁ। যিকি নহওঁক দেৱদাসী সকল কিন্তু সম্পূৰ্ণ ভক্তিবাদী আছিল। সমাজৰ আন কোনো বস্তুৰেই তেওঁলোকক আকৰ্ষণ কৰিব পৰা নাছিল। সম্পূৰ্ণ কামনা-বাসনাৰ পৰা বিবৰ্জিত আছিল এই নটী সকল। অসমীয়া সংস্কৃতিত 'হাজোৰ নটী' বুলিলেই আমাৰ দেৱদাসী নৃত্যৰ কথাকেই মনলৈ আহে। প্ৰাচীন কালৰ পৰা চলি অহা এই দেৱদাসী নৃত্য চলাত আইনগত বাধা অহাত ইয়াৰ বিলুপ্তি ঘটে। তথাপিও অসমত এইবিধ নৃত্যৰ এক বিশেষ স্থান সদায়েই থাকিব। কিয়নো এই নৃত্য সম্পূৰ্ণ ধৰ্মভাৱাপন্নৰ নৃত্য। বৰ্তমান অপ্ৰচলিত হ'লেও এই নৃত্যৰ ঠাই আন কোনো নৃত্যই পূৰামাত্ৰাই পূৰণ কৰিব নোৱাৰে। প্ৰাচীন অসমত অৱশ্যে এই দেৱদাসীক বুজাবৰ বাবে 'দলহাঙ্গনা' (নৰ্তকী) শব্দটো ব্যৱহাৰ কৰা দেখা গৈছিল। হাজোৰ পৰা বিশ্বনাথলৈ, ডুবিৰ পৰা দেৰগাঁওলৈ এই প্ৰাচীন নৃত্য বিধৰ সম্প্ৰসাৰণ ঘটিছিল প্ৰাচীন অসমত। মন্দিৰত যে অকল নৃত্য পৰিৱেশনেই এই সকলৰ কাৰ্য আছিল এনে নহয়, মন্দিৰ পৰিস্কাৰ কৰাও দেখা গৈছিল এই দেৱদাসী সকলক। যিকি নহওঁক প্ৰাচীন অসমৰ এই দেৱদাসী নৃত্যৰ এক বিশেষ তথা অৰ্থবহ স্থান আছে বৰ্তমানেও। কিয়নো এই দেৱদাসী নৃত্যৰ বাবে অসমৰ বহুতো মঠ-মন্দিৰ সৰ্বজন বিদিত। উদাহৰণ স্বৰূপে আমি ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ কথাকেই ক'ব পাৰো। দেৱদাসী নৃত্যৰ বাবেই এই দেৱালয়ৰ জনপ্ৰিয়তা অধিক। ঠিক তেনেদৰে হাজোৰ মাধৱ-কেদাৰ মন্দিৰ উল্লেখযোগ্য। বৰ্তমানৰ নৱ-প্ৰজন্মই এই দেৱদাসী নৃত্য কিছুমান ভ্ৰাম্যমান থিয়েটাৰ অথবা চিনেমা আদিৰ জৰিয়তে অতি সুন্দৰভাৱে চাব পাৰে। আজিৰ অসমত কোনো মন্দিৰত আমি দেৱদাসীক বিচাৰি নাপাওঁ যিহেতু এই প্ৰথাটো আইনগতভাৱে বন্ধ কৰি দিয়া হৈছে কিন্তু ইয়াৰ ঐতিহ্যই অসমক এক বিশেষ মাত্ৰা প্ৰদান কৰি আহিছে। সমগ্ৰ প্ৰাচীন ভাৰততে এই দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। ইতিহাসে আমাক তাৰ সাক্ষী দিব পাৰে। মন্দিৰত প্ৰাপ্ত বিভিন্ন ধৰণৰ চিত্ৰ, ভাস্কৰ্য্য সমূহে তাৰ সাক্ষী বহন কৰি আহিছে। ধৰ্ম নিৰপেক্ষ বিভিন্ন উৎসৱ-পাৰ্বণতো এই দেৱদাসী সকলে নৃত্য প্ৰদৰ্শন কৰিছিল। প্ৰাচীন অসমৰ প্ৰাগজ্যোতিষপুৰো এই নৃত্যৰ বাবেই অসম বিখ্যাত হৈছিল কিছু পৰিমানে। অসমৰ অন্যান্য লোক নৃত্য সমূহৰ ভিতৰত এই 'দেৱদাসী নৃত্য' এক অন্যতম লোকনৃত্য। প্ৰাচীনকালৰ পৰাই অসম এখন ধৰ্মীয় ৰাজ্য। এইখন অসমতে





বিভিন্ন ধৰ্মাৱলম্বীৰ লোকে মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। এই দেৱদাসী নৃত্যও ধৰ্মীয় ভাৱাপন্ন নৃত্য। অৱশ্যে কিছুসংখ্যকে এই নৃত্যৰ জৰিয়তে বিনোদনো লাভ কৰিছিল প্ৰাচীন কালত। এই নৃত্য চাবৰ বাবে মন্দিৰ সমূহত লোকে লোকাৰণ্য হৈ পৰিছিল। এক বিশেষ ভংগীমাত এই নৃত্য পৰিৱেশন কৰা হৈছিল। বৰ্তমানে এই নৃত্যৰ সমল আমি শাস্ত্ৰীয় নৃত্যৰ মাজত বিচাৰি পাওঁ। দিনটোৰ সকলো সময়তে এই নৃত্য মন্দিৰত পৰিৱেশন কৰা হোৱা নাছিল। দিনটোৰ দুপৰীয়াৰ সময়ত আৰু সন্ধিয়া আৰতি দিয়া পৰত এই নৃত্য মন্দিৰত থকা বিগ্ৰহৰ আগত পৰিৱেশন কৰা হৈছিল।

(৩)

বৰ্তমানৰ দৃষ্টিভংগীৰে যদি আমি বিচাৰ কৰো তেতিয়াহ'লে স্পষ্ট ভাৱেই ক'ব লাগিব যে এই নৃত্যৰ জৰিয়তে এচাম নৃত্য পটিয়সীয়ে নিজৰ সংস্থাপন বিচাৰি পাইছিল। তেনেদৰেও প্ৰাচীন অসমত এচাম নিবনুৱাৰ সংস্থাপন হোৱা বুলি আমি দৃঢ় ভাৱে কব পাৰোঁ। এচাম নৃত্য পটিয়সীয়ে এই নৃত্যৰ জৰিয়তে স্বাৱলম্বী হব পাৰিছিল। এতিয়াও যদি এই নৃত্য থাকিল হয় তেতিয়াহ'লে এচাম নৰ্তকীয়ে বা নৃত্য পটিয়সীয়ে এই নৃত্যত জড়িত হৈ থাকি আৰ্থিকভাৱে স্বাৱলম্বী হ'ব পাৰিলেহেঁতেন। কালক্ৰমত এই নৃত্য নোহোৱা হোৱাত এচাম যুৱতীৰ আৰ্থিক স্বাৱলম্বিতাৰ পথ বন্ধ হৈ গল। কেতিয়াবা কেতিয়াবা কোনো দম্পতীৰ ল'ৰা-ছোৱালী বহুবছৰলৈ নহলে সেই দম্পতীহালে কন্যা সন্তান জন্ম হ'লে দেৱতাৰ ওচৰত অৰ্পণ কৰিম বুলি কথা দিয়া কাৰ্য্যইও দেৱদাসী নৃত্যলৈ অৰিহনা যোগাইছিল। দেৱদাসীসকল প্ৰকৃতাৰ্থত একো একোগৰাকী ত্যাগৰ প্ৰতিভূস্বৰূপ। 'দেৱদাসী নৃত্য' এইবিধ লোকপৰিৱেশ্য কলাৰ শৈলী আন আন লোকপৰিৱেশ্য কলাতকৈ অলপ বেলেগ। যুৱতী কেন্দ্ৰিক এইবিধ নৃত্য ঢুলীয়া ভাওনা, খুলীয়া ভাওনা আদিতকৈ অলপ বেলেগ। এক সুপ্ৰাচীন লোক পৰিৱেশ্য কলা হিচাপে এইবিধ কলাই এক ঐতিহ্য বহন কৰি আহিছে। দৰাচলতে লোক মনোৰঞ্জনৰ বাবেই এই লোক পৰিৱেশ্য কলা সমূহৰ উৎপত্তি। এইফালৰ পৰা চাবলৈ গলে 'দেৱদাসী নৃত্য'ইও এচামক মনোৰঞ্জন দিব পাৰিছিল। ধৰ্মীয় ভাৱৰ লগতে মনোৰঞ্জনৰ বতৰাও এইবিধ লোক পৰিৱেশ্য কলাই দিছিল প্ৰাচীন অসমত। বৰ্তমান

এইবিধ লোক পৰিৱেশ্য কলাৰ পৰম্পৰা অব্যাহত থকা নাই যদিও ইয়াৰ ঐতিহ্যই কিন্তু অসমক সোণত সুৱগা চৰাত অৰিহনা যোগাইছিল। প্ৰত্যেকবিধ লোক পৰিৱেশ্য কলাৰ নৃত্য, গীত আদি পৰিৱেশন, সামগ্ৰী সম্ভাৰ, সাজ-সজ্জা, আদিৰ মাজত পাৰ্থক্য থাকিলেও কিন্তু লোকমনোৰঞ্জন দিবলৈ সক্ষম। ইয়াৰ ব্যতিক্ৰম নহয় এইবিধ লোক পৰিৱেশ্য কলাৰো। বৰ্তমানৰ নৱ-প্ৰজন্মৰ বাবে আমি কোনো মন্দিৰত এই 'দেৱদাসী নৃত্য'ৰ পৰিৱেশন উপলব্ধ কৰাব নোৱাৰো যিহেতু আইনগতভাৱে এই প্ৰথা বন্ধ কৰি দিয়া হৈছে। কিন্তু বিভিন্ন ধৰণৰ মঠ-মন্দিৰৰ চিত্ৰ- ভাস্কৰ্য্যবোৰেই অতি সুন্দৰকৈ এই নৃত্যৰ এক আভাস দি যায়। বিভিন্ন শৰীৰ ভংগীমাত এই নৃত্য দেৱদাসী সকলে কৰে। দেৱদাসী সকলৰ নৃত্যত যিদৰে দেৱতা সন্তুষ্ট হৈছিল ঠিক তেনেদৰে বিভিন্ন ধৰণৰ দৰ্শকো মুগ্ধ হৈ পৰিছিল। এক কথাত ক,বলৈ গ,লে দেৱদাসীৰ নৃত্যই এচামক সুন্দৰকৈ মনোৰঞ্জন দিব পাৰিছিল। দেৱদাসী নৃত্যৰ পৰম্পৰাই সেই বাবে ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ক অধিক জনপ্ৰিয় কৰি তুলিছিল।

যিয়েই নহওঁক বৰ্তমান এইবিধ লোক পৰিৱেশ্য কলাৰ বিষয়ে আমাৰ নৱ-প্ৰজন্মই জনাটো অতি দৰকাৰ। এই বিষয়ত বিভিন্ন গৱেষণাৰ স্থল আছে বুলি আমি ভাবো। কিয়নো প্ৰাচীন অসমৰ বিভিন্ন মঠ-মন্দিৰ এই দেৱদাসীৰ নৃত্যত আৰু অধিক জীৱন্ত হৈ পৰিছিল। সময় পৰিৱৰ্তনশীল। সমাজ পৰিৱৰ্তনশীল। সময় আৰু সমাজৰ সৈতে মানুহৰ মনৰো পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। সেয়েহে আজিৰ নৱ-প্ৰজন্মক আমি অতি সুন্দৰ ভাৱে এইবিধ লোকপৰিৱেশ্য কলাৰ বিষয়ে অৱগত কৰাব লাগিব । অসম ঐতিহ্যৰ ৰাজ্য । এই ঐতিহ্যত দেৱদাসী নৃত্যইও অৰিহণা জগাইছিল । সেয়েহে এইবিধ লোক পৰিৱেশ্য কলাৰ এক বিশেষ মূল্য সদায়ে থাকিব ।

দেৱদাসী হ'বলৈও প্ৰাৰ্থী নিৰ্বাচন কৰিব লগা হৈছিল। যাৰে মন যায় সিয়ে দেৱদাসী হ'ব নোৱাৰিছিল। এক বিশেষ নিয়মত নিৰ্বাচন কৰি নিৰ্বাচিত নৃত্য পটিয়সীকহে এই দেৱদাসী পদত নিযুক্তি দিয়া হৈছিল।

মুঠৰ ওপৰত আমি এটা কথা স্পষ্টকৈ ক'ব পাৰো যে অসমীয়া সংস্কৃতিৰ ভিতৰুৱা লোক



'নৰজ্যোতি' একত্ৰিংশতিতম্ সংখ্যা, ২০১৮-১৯ ইং বৰ্ষ

পৰিৱেশ্য কলাৰ ভিতৰত এই 'দেৱদাসী নৃত্য' ৰ এক সুকীয়া স্থান আছে। বৰ্তমানে বিলুপ্ত হলেও ইয়াৰ ঐতিহ্যই অসমৰ প্ৰাচীন মঠ-মন্দিৰ সমূহক এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। ইয়াৰ সুফল আমি এতিয়াও ভোগ কৰি আছো যাৰ বাবে সেই মঠ-মন্দিৰ সমূহ অধিক জনপ্ৰিয় হৈছে আৰু বিভিন্ন ঠাইৰ পৰা অহা পৰ্যটকেও প্ৰাণ ভৰি সেই মঠ-মন্দিৰ সমূহ দৰ্শন কৰে। এই ক্ষেত্ৰত অসম চৰকাৰৰ পৰ্যটন বিভাগৰো দায়িত্ব তথা কৰণীয় আছে। প্ৰাচীন কীৰ্তিচিহ্ন সমূহৰ সু-ৰক্ষণাবেক্ষণ দিব লাগিব তেতিয়াহে অসম দেশৰ ঐতিহ্যই সদায় সগৌৰৱে জিলিকি থাকিব। এই 'দেৱদাসী নৃত্য' যিবিলাক মঠ-মন্দিৰত প্ৰচলিত হৈছিল সেই সমূহৰ সুন্দৰ ব্যৱস্থাপনা কৰাৰো দায়িত্ব আছে চৰকাৰৰ।

সহায়ক গ্ৰন্থপঞ্জীঃ

১। চানাৰাম কলিতাঃ সাহিত্য-সংস্কৃতিৰ চিন্তা-বিচিত্ৰা, বি.বি. পাব্লিকেচন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০১২ চন।

২। শ্ৰীচানাৰাম কলিতা (সম্পাঃ) ঃ প্ৰবন্ধ সুৰভি, নলবাৰী জিলা সাহিত্য সভা, গোলোক ৰায়মেধি স্মৃতি

শ্ৰী অশোক কলিতা প্ৰকাশন, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৯৫ চন।

৩। ডঃ কেশৱানন্দ দেৱ গোস্বামী ঃ ভাৰতীয় পটভূমিত শঙ্কৰী সাহিত্য আৰু সত্ৰীয়া সংগীত, বনলতা প্ৰকাশন, পাণবজাৰ গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০০১ চন।

◈◈◈◈◈

# গল্পৰ ফাঁকুৰা





## উৎকণ্ঠাৰ শেষত

শ্বহিদুল ইছলাম
পঞ্চম ষান্মাসিক
ৰসায়ন বিজ্ঞান (গুৰু বিষয়)

শেৱালী আৰু জুলিয়ানৰ একমাত্র কন্যা চিংকিয়ে আজি পাছ বছৰত ভৰি দিলে। পৰহিয়েই মাক শেৱালীয়ে চিংকিক আজি তাইৰ জন্ম দিন বুলি মনত পেলাই দিছিল। লগতে তাইৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবোৰৰ বাবে চল্লিশটা মান চকলেট জুলিয়ানৰ হতুৱাই অনাই থৈছিল। সদায় ৰাতিপুৱা ৬ বজাত সাৰ পায় চিংকিয়ে। মুখ হাত ধুই পঢ়া টেবুলৰ ওচৰত বহে। কোনেও ক'ব নেলাগে। শেৱালীয়ে ছোৱালীজনীকলৈ বৰ সুখী। কিয়নো বহুকেইটা ভাল গুণ তাই সৰুৰে পৰা আয়ত্ত কৰিছে। ভাবি ভাল লাগে শেৱালীৰ। আজি চিংকিয়ে কিন্তু মুখ হাত ধুইয়ে পোনে পোনে পঢ়া মেজলৈ নগ'ল। মনটো তাইৰ আজি আনন্দৰে ভৰপুৰ। দেউতা বুলি আব্দাৰৰ সুৰেৰে চিঞৰি সিটো কোঠাত শুই থকা জুলিয়ানৰ বিচনাত একে জাপেই উঠি তাইৰ কণমানি হাতেৰে দেউতাকৰ ডিঙিটো মেৰিয়াই দেউতাকক জগাবলৈ চেষ্টা কৰিলে। জুলিয়ান বৰুৱাৰ টোপনি আজি গভীৰ। মাজনিশা নাৰ্চিংহোমৰ পৰা ঘৰ পাইছেহি। প্ৰায়েই জুলিয়ানৰ বহু ৰাতি হয়। ব্যস্ত নাৰ্চিংহোমখনৰ তেওঁ তত্বাধায়কৰ দায়িত্ব আছে। যোৱানিশা প্ৰায় ১১ বজালৈ তিনিটা জটিল অস্ত্ৰোপচাৰ হৈছিল। সকলোবিলাক যাৱতীয় কৰ্তব্য শেষ কৰি প্ৰায় ১২ বজাতহে জুলিয়ানে ঘৰ পাইছিল। যথেষ্ট কষ্ট হৈছিল তেওঁৰ। বিচনাত এঘণ্টামান ইকাতি সিকাতি কৰি থকাৰ পিছতহে তেওঁৰ টোপনি আহিছিল। চিংকিয়ে দেউতাকৰ যোৱাৰাতি বহুদেৰিকৈ ঘৰ সোমোৱাৰ কথা একো নেজানে। কেৱল তাই জানে যে তাইৰ আজি জন্মদিন। জন্মদিন হেনো বছৰত এবাৰহে আহে। গতিকে আজি স্কুললৈ গৈ ক্লাচৰ ল'ৰা-ছোৱালীবোৰক চকলেট বিতৰণ কৰিব । দেউতাক তাইক আজি এটি গুলপীয়া ৰঙৰ ফুটফুটীয়া ফ্ৰক আনি দিব লাগিব সেইটো পিন্ধি গোধূলি তাই জন্মদিন পালন কৰিব। ঘৰৰ ওচৰতে দুঘৰৰ আন্টিহঁতক মাতিব লাগিব। তেওঁলোকৰ ল'ৰা-ছোৱালী কেইটা চিংকিৰ বয়সৰে। আটাইয়ে মিলি খেলিব' ধেমালি কৰিব, নাচিব, ইত্যাদি ইত্যাদি। এনেবোৰ কথাৰে তাইৰ মনটো আজি ৰাতিপুৱাৰ পৰাই উচপিচাই আছে।

চিংকিয়ে দেউতাকৰ বাহু, ডিঙিত ধৰি টানি হেচুকি দি দেউতা-দেউতা বুলি চিঞৰি আছে। ৰান্ধনী শালত ব্যস্ত শেৱালী। শেৱালীয়ে ৰান্ধনীশালৰ পৰা চিংকিক সামান্য উষ্মাৰে চিঞৰি দেউতাক টোপনীৰপৰা জগাবলৈ হাক দিলে। কিয়নো দেউতাক যোৱা ৰাতি বহুৰাতিলৈকে নাৰ্চিংহোমতে ব্যস্ত

আছিল। শেৱালীৰ চিঞৰ বাখৰ, চিংকিৰ হেচুকনিত জুলিয়ান সাৰ পালে। গভীৰ টোপনিৰ পৰা সাৰপাই জুলিয়ান অলপ বিৰক্ত হ'ল যদিও মৰমৰ চিংকিজনীৰ নিষ্পাপ হাঁহিটোত তেওঁৰ বিৰক্তভাৱ নিমিষতে আতৰি গ'ল। শেৱালীয়ে জুলিয়ানক আগদিনাই কৈ থৈছিল আজি চিংকিৰ জন্মদিন বুলি। গতিকে জুলিয়ানে চিংকিক মৰমেৰে সাবতিধৰি কপালত এটা চুমাখাই হেপি বাৰ্থদে বুলি দুবাৰ তিনিবাৰকৈ জন্মদিনৰ শুভেচ্ছা জনালে। চিংকিয়ে এইবাৰ আদৰৰ সুৰেৰে তাইৰ ফৰমাইছবোৰ দেউতাকৰ ওচৰত দাঙি ধৰিলে। এটা ফুটফুটীয়া গুলপীয়া ৰঙৰ ফ্ৰক, এডাল মুৰত মৰা একেৰঙৰ বেণ্ড, ফুলথকা ক্লিপ ইত্যাদি। জুলিয়ানে আজিয়ে বজাৰত গৈ সকলোবোৰ আনি দিম বুলি কলে। চিংকিৰ মহা আনন্দ। তাই দেও দি দি জপিয়াই পঢ়া মেজ পালে। ঘড়ীটোলৈ চালে। আঠ বাজি পোন্ধৰ মিনট গৈছে। তাইৰ ব্যস্ততা আৰম্ভ হ'ল। কিতাপ বহী বেগত ভৰাই ললে। লগত ললে চকলেটৰ টোপোলাটো। শেৱালীয়ে তাইক পিন্ধাই উৰাই সাজু কৰি তুলিলে। ইফালে জুলিয়ানো টোপনিৰ পৰা উঠি দাড়ি খুৰাই

গাপাধুই সাজু হৈছে। চিংকিক পিচফালে তুলি জুলিয়ানৰ মটৰ বাইক যাবলৈ সাজু। শেৱালী ওচৰতে আছে। জুলিয়ানে শেৱালীক কলে যে চিংকিক স্কুলত থৈ সি বজাৰত সোমাব আৰু চিংকিৰ কাপোৰৰ লগতে জন্মদিনৰ প্ৰয়োজনীয় সামগ্ৰী সমূহ কিনি সেইবোৰ ঘৰত থৈহে নাৰ্চিংহমলৈ যাব।

জুলিয়ানে চিংকিক বাইকৰ পিছফালে বহুৱাই শেৱালীৰ ওচৰৰপৰা বাইক চলাই আতৰি গ'ল। শেৱালী দৰজা খন বন্ধ কৰি ঘৰত সোমাই আহিল। বহুত সৰু ডাঙৰ কাম পৰি আছে। ৰাতিপুৱাই কাপোৰ এসোপা চাৰ্ফত দি ৰাখিছিল। সেইখিনি খৰখেদাকৈ ধুই পেলাই ওপৰৰ চাদত মেলি দি আহিল। হঠাৎ ফোনটো বাজি উঠিল । জুলিয়ানৰ ফোন। সিফালৰপৰা জুলিয়ানে বজাৰ কৰি বেগটো নাৰ্চিংহোমৰ কৰ্মচাৰী এজনৰ হাতত দি পঠাইছে। নাৰ্চিংহোমখনৰ গৰাকীজনে হেনো জুলিয়ানক এটা জৰুৰী কামৰ বাবে এঠাইত পঠাব খুজিছে। চিন্তা কৰিব নেলাগে, আবেলি পাঁচ বজাত ঠিক ঘৰ পাই যাব জুলিয়ানে।

শেৱালীয়ে একো কোৱাৰ আগতে জুলিয়ানে ফোনটো কাটি দিছিল, শেৱালীৰ মনটো অলপ সেমেকিল। পুণৰ কল ব্যাক নকৰিলে তাই। মনে মনে শেৱালীয়ে ভাবি থৈছিল- যিহেতু আজি চিংকিৰ জন্মদিন। গতিকে জুলিয়ানৰ লগত লগ হৈ ঘৰটো নতুনকৈ সজাব। দুজনে কৰিলে সময় ৰাহি হ'ব। কাৰণ জন্মদিন উপলক্ষে ৰান্ধনীশালৰ খাদ্য বনোৱা কামটো আছেই। তেনেহলে তাইৰ আৰু এটা কাম বাঢ়িল। আজি চিংকিক শেৱালীয়ে আনিব যাব লাগিব। আক্টোবৰ মাহৰ শেষৰ পিনে ৰ'দৰ চোক কম। ২ বাজিবলৈ ২০ মিনিট থাকোতে শেৱালীয়ে সাজিকাচি চিংকিক আনিবলৈ ঘৰৰ





পৰা ৰাজপথত ভৰি দিলে। গাড়ী মটৰ, ট্ৰাক, মটৰবাইক আদিৰ ব্যস্ততাপূৰ্ণ লৰধপৰাৰ মাজত, গাড়ীৰ হৰ্ণৰ বিকট শব্দ, ধোৱা আদিৰ মাজত শেৱালীৰ বৰ অসহ্য লাগিছে। তথাপিও মনটো বান্ধি ছাতি জপাই এখন ই-ৰিক্সাত উঠি শেৱালী চিংকিৰ স্কুলৰ ফালে যাবলৈ চালকজনক নিৰ্দ্দেশ দিলে।

স্কুলৰ পৰা চিংকিক আনি ঘৰ পাওতে শেৱালীৰ তিনি বাজিল। লৰালৰিকৈ চিংকিৰ স্কুলৰ ইউনিৰ্ফম যোৰ খুলি তাইক গাধুৱাই আনিলে। দেউতাকে গুলপীয়া ফ্ৰকটো শেৱালীয়ে তাইৰ সন্মুখত মেলি ধৰিলে আৰু হেপিবাৰ্থডে বুলি কৈ চিংকিৰ দুগালত চুমা আঁকি দিলে।

চিংকিয়ে কিৰিলী পাৰি তাইৰ আনন্দ প্ৰকাশ কৰিলে। তাই ফ্ৰকটো পিন্ধিব খুজিছিল। শেৱালীয়ে তাইক বুজাই বঢ়াই ৰখালে। এইবাৰ তাই চিংকিক ভাত খুৱালে। কিবা এক উৎকণ্ঠাৰ বাবে শেৱালীৰ মনটো অস্থিৰ হৈ আছে। কাৰণটো জুলিয়ান। এই খিনি সময়ত জুলিয়ান ঘৰত থকা হলে ভাল লাগিলহেঁতেন । চিংকিৰ জন্মদিন বুলি বহু অতিৰিক্ত কাম জুলিয়ানৰ লগত লগ হৈ কৰিব পাৰিলেহেঁতেন। তাই জুলিয়ানলৈ এটা ফোন কৰিলে। জুলিয়ানৰ ফোনটো ৰিং নহল। জুলিয়ানৰ ফোনটো নেটৱৰ্ক ক্ষেত্ৰৰ বাহিৰত বুলি এক নাৰীকণ্ঠই বলকি আছে। বিৰক্তৰে ফোনটো বিচনালৈ দলিয়াই দিলে। চিংকিৰ খোৱা লাৱা হ'ল। তাই এতিয়া শুব। স্কুলৰ পৰা আহিয়েই খোৱা লোৱা কৰি সদায় দুঘণ্টা শোৱাৰ অভ্যাস তাইৰ। আজি শেৱালীয়ে তাইক তাইৰ জন্মদিন বাবেই সোনকালে শোৱাৰ পৰা উঠিব লাগিব বুলি সকিয়াই দিলে। কিয়নো তাইৰ জন্মদিন উপলক্ষে ওচৰৰ ঘৰৰ তাইৰ সমনীয়া লৰা-ছোৱালী চাৰিটাক তাই নিজে মাতি আহিব লাগিব। গোধুলি সিহঁতৰ মাক বাপেকবোৰ আহিবলৈ শেৱালীয়ে আগদিনাই মাতি আহিছিল। গতিকে তাই পাঁচ বজাৰ আগতেই নতুন সাজযোৰ পিন্ধি সাজিকাচি থাকিব লাগিব । ভাগৰুৱা শৰীৰে চিংকিয়ে মূৰ দুপিয়াই বিচনাত বাগৰি টোপনি গ'ল।

আজি জুলিয়ানৰ নাৰ্চিংহোম খনত এঘণ্টামান থাকি ঘৰলৈ অহাৰ কথা আছিল। হঠাৎ যে নাৰ্চিংহোমৰ গৰাকীজনে কিয়বা এনেদৰে জুলিয়ানক কাম এটালৈ পাচিলে। শেৱালীৰ মনটো তেতিয়াৰ পৰা বেয়া লাগি আছে। চিংকিৰ জন্মদিনৰ দিনা এই বিশেষ দিনটোত জুলিয়ান ঘৰত থাকিলে, শেৱালী আৰু চিংকি দুয়োৰে ভাল লাগিলহেঁতেন। ঘৰখনিক নতুনকৈ সজোৱাৰ পৰা বেলুন ফুলোৱা আদি কামত চিংকিয়ে দেউতাকৰ লগত সহাযোগ কৰি বৰ আনন্দ পালে হয়। এক অনামী বিষাদে যেন শেৱালীৰ অন্তৰখন লাহে লাহে আবৰি ধৰিছে। নিজকে চম্ভালি তাই টিভিৰ ৰিম'ট কণ্ট্ৰলটো লৈ টিভিটো চলাই দিলে। শেৱালীৰ সোঁহাতৰ অবাধ্য বুঢ়া আঙুলি টোৱে ৰিম'ট কণ্ট্ৰোলৰ বুটামবোৰত হেচুকি আছে। এখন চিনেমা 10 মিনিট মান চাই অইন এটা চেনেললৈ গৈ নতুন এখন চিনেমাত

চকু ৰাখিছে। মুঠতে শেৱালীৰ আজি স্থিৰতা নাই। হঠাৎ শেৱালীৰ কি যে মনগ'ল- Dy-365 নামৰ নিউজ চেনেলটোলৈ আহিল । তেতিয়া সময় 3 বাজি পঞ্চল্লিশ মিনিট । আবেলি হৈছে। টিভি পৰ্দাত কিবা এটা বিষয়ৰ ওপৰত পেনেল ডিচ্‌কাচন চলি আছে। তলৰ ফালে কিছুমান বাতৰি অসমীয়া আখৰেৰে চুটি চুটিকৈ আহি আছে। হঠাৎ শেৱালীৰ চকু থৰ হৈ ৰ'ল। এটি ব্ৰেকিং নিউজ। নগৰখনৰ পৰা অলপ দুৰৈত ৰাজপথত এজন বাইক আৰোহী আৰু তীব্ৰবেগী ডাম্পাৰৰ মুখামুখি সংঘৰ্ষ। বাইক আৰোহী থিতাতে নিহত। মটৰবাইকখন চুৰ্ণমৈ । নাম্বাৰপ্লেট্ ভঙা বাইকখনৰ নম্বৰৰ কেৱল শেষৰ অংক দুটা ....85 অৱশিষ্ট ৰৈছে। মৃত বাইক আৰোহীজনক এতিয়াও চিনাক্ত কৰিব পৰা নাই। শেৱালীৰ মনটোৱে হাহাকাৰ কৰি উঠিল। জুলিয়ানৰ বাইক খনৰো যে শেষৰ অংক দুটা সেই একেই ....85। সেইখন যদি জুলিয়ানৰ বাইকখন আৰু মৃত বাইক আৰোহীজন যদি জুলিয়ান হয় ? কি হ'ব তেতিয়া? অজানিতে তাইৰ বুকুৰ ভিতৰৰ পৰা কিবা যেন ডিঙিলৈকে উজাই আহিছে। হয়, এক নামহীন উৎকণ্ঠাই শেৱালীক খুন্দা মাৰি ধৰিছে। চকুহাল তাইৰ সেমেকি আহিছে। সিটো কোঠালৈ দৌৰি গৈছে যত চিংকি শুই আছে। এখনি নিষ্পাপ মুখেৰে সেয়া শুই থকা চিংকি । তাইক জগাই দিব নেকি এতিয়া ? চিংকিৰ ওচৰৰ পৰা আতৰি আহিল তাই। সময় চাৰি বাজি পোন্ধৰ মিনিট। জুলিয়ানৰ নম্বৰটো আকৌ এবাৰ লগাই চালে। কোনো উত্তৰ নাই। জুলিয়ানৰ ফোন নেট্‌ৱৰ্ক ক্ষেত্ৰৰ বাহিৰত। টিভিটো চলি আছে। মাজে মাজে তলফালে ৰিবন নিউজ হিচাবে পুনৰ পথ দুৰ্ঘটনাৰ বাতৰিটো আহিছে। টিভিৰ মূল পৰ্দাত তৰ্কবিতৰ্কৰ মাজেৰে পেনেল ডিচকাচ্‌ন। শেৱালীয়ে টিভিটো বন্ধ কৰিম বুলিও ৰৈ গ'ল। টিভিৰ ভলিউম কমাই দি প্ৰায় নোহোৱা কৰিলে। এইবাৰ অইন অইন নিউজ চেনেল বোৰে লগাই চালে। নাই দুৰ্ঘটনাৰ খবৰটো কেৱল Dy-365 তহে আছে।শেৱালীৰ উৎকণ্ঠা দ্ৰুত গতিত বাঢ়িছে। কি হ'ব এতিয়া। সেয়া যদি জুলিয়ানৰ বাইক হয় মানুহটো জুলিয়ান হয় তেনেহলে তাইৰ জীৱনলৈ চোন ঘোৰ অমানিশা নামি আহিব। চিংকিৰ পঢ়াশুনা কি হ'ব ? উপাৰ্জনৰ পথ বন্ধহৈ যাব। চহৰৰ এই ভাড়া ঘৰটো এৰি পুনৰ গাঁওলৈ উভতিব লাগিব। মাকৰ ঘৰখনৰ পৰাও পৰিত্যাজ্য তাই। ঘৰৰ সন্মতি নোহোৱাকৈ জুলিয়ানৰ লগত সংসাৰ কৰিছিল। বিয়াৰ দিন ধৰি তাই ঘৰমুৱা হোৱা নাই। মাক বাপেক নোহোৱা ছোৱালী তাই। ককায়েক বৌৱেকৰ সেই সংসাৰখনলৈ বাৰু তাই কোন সতেৰে উভতি যাব। উঃ তাই আৰু ভাবিব নোৱাৰা হ'ল। দেৱাল ঘড়ীটোত চাৰি বাজি পঞ্চল্লিশ মিনিট। সময় আগবঢ়িছে। নাৰ্চিংহোমলৈ তাই এবাৰ ফোন লগালে । নাৰ্চিংহোমৰ ৰিছিপচন কাউণ্টাৰৰ লেণ্ডলাইন ফোনটো বাজি বাজি বন্ধ হৈ গ'ল কোনেও নুতুলিলে। কি হ'ব এতিয়া ? ক্ৰমে পুনৰ এবাৰ জুলিয়ানলৈ ফোন কৰিলে জুলিয়ানৰ ফোন নেটৱৰ্ক ক্ষেত্ৰৰ বাহিৰত তাই অৱশ হৈ পৰিছে। গোটেই শৰীৰ ঘৰ্মাক্ত। আকৌ এবাৰ নাৰ্চিংহোমখনলৈ ফোন কৰিলে তাই, নাই ফোনটো কোনেও নুতুলিলে। এটি কান্দোনৰ স্ৰোত তাইৰ ভিতৰৰপৰা ডিঙিৰে যেন আৰ্তনাদ কৰি ওলাই আহিব। কোনোমতে





নিজকে চম্ভালিলে তাই। আয়নাখনৰ ওচৰ চাপি আহিল তাই। চকুহাল তাইৰ সেমেকি আহিছে। চকুহাল তাই ভালদৰে মোহাৰি ললে । তাই প্ৰকৃতস্থ হবলৈ যত্ন কৰিছে। দেৱাল ঘড়ীটোলৈ চাই পথিয়ালে শেৱালীয়ে। ঠিক পাঁচ বাজিছে। হঠাৎ কলিং বেলটো সশব্দে বাজি উঠিল। প্ৰায় দৌৰি যোৱাৰ দৰে তাই বন্ধ দুৱাৰ খনলৈ আগবঢ়িল। ছিটকনি ডাল খুলি পেলালে তাই। হয়, হয়, জুলিয়ান। কৌতুক ভৰা চাৱনিৰে এয়া তাইৰ সন্মুখত জুলিয়ান। আহঃ শেৱালীৰ যেন বিশ্বাস নহয় ? জুলিয়ানে এমোকোৰা হাঁহিৰে তাইৰ উদ্দেশ্যে সি যে ঠিক কাটাই কাটাই পাঁচ বজাত আহি পালে তাকে কৈ গৰ্ব কৰিছে। চিংকিক চিঞৰিছে। চিংকি, অ চিংকি মাজনী, বুলি হুলস্থুল লগাইছে। ইমান হুলস্থুলৰ মাজত চিংকিযে সাৰ পাই গৈছিল।

দেউতা মই ইয়াত বুলি চিংকিৰ উৎসাহ ভৰা চিঞৰ। "দেউতা তুমি কি যে মানুহ। অলপ সোনকালে আহিব নোৱাৰিলা" ? চিংকিৰ ক্ষোভ আৰু আনন্দ মিশ্ৰিত চিঞৰ। জুলিয়ানে চিংকি থকা কোঠালৈ সোমাই আহিল পিছে পিছে শেৱালী। জুলিয়ানে চিংকিক দাঙি ললে, শূণ্যলৈ এবাৰ এৰি দিলে। পুণৰ ধৰিলে । চিংকিয়ে পুণৰ এবাৰ কিৰীলি পাৰিলে। শেৱালীয়ে ইতিমধ্যে প্ৰকৃতস্থ হৈ পৰিছে। বাপেক জীয়েকৰ চিঞৰ বাখৰ বোৰে তাইক যেন এক পুণৰ জনম দিলে। অথনিৰে পৰা প্ৰায় এঘণ্টা ধৰি মনৰ ভিতৰত তাই এখন ৰনাংগনৰ সৃষ্টি কৰিছিল । এজাক হিংস্ৰ আৰু শক্তিশালী সৈন্যৰ লগত প্ৰায় এঘণ্টা ধৰি অকলে যুদ্ধ কৰি তাই যেন মৃতপ্ৰায় হৈ পৰিছিল। পাঁচ বাৰ লগে লগে যেতিয়া কলিং বেলটো বাজি উঠিল প্ৰায় আধা সৈন্য শেৱালীৰ হাতত নিহত হৈছিল। দুৱাৰখন খুলি দি জুলিয়ানক সোশৰীৰে দেখাৰ লগে লগে বাকীবোৰ সৈন্যই পলাই ছত্ৰভংগ দিছিল।

◈◈◈◈



# অনুশোচনা

জ্যোতিস্মিতা তালুকদাৰ
ষষ্ঠ সান্মাষিক
পদাৰ্থবিস্থান গুৰু বিষয়

ফাগুন মাহৰ পথৰুৱা বাটেৰে জিমি আৰু ৰোহন নামৰ এহাল সৰু লৰা-ছোৱালী বাপেকৰ সৈতে খোজ কাঢ়ি গৈ আছে। বাৰ বছৰীয়া জিমি আৰু দেউতাকজন অলপ আগে আগে আৰু সাত বছৰীয়া ৰোহন অলপ পিছপৰি গৈ আছে। সিহঁতৰ গাওঁখনৰ পৰা যিখন গাওঁলৈ পথৰুৱা বাটেৰে গৈ আছে তাৰ দুৰত্ব ১ কিঃমিৰ অলপহে বেচি। সিখন গাওঁত এখন মেলা আৰম্ভ হৈছে। প্ৰতিবছৰে হয়। লোকে লোকাৰণ্য এই প্ৰাচীন মেলাখনলৈ বুলি চাৰিওফালৰ গাওঁৰ মানুহবোৰ আহে। জিমি আৰু দেউতাক প্ৰতিবছৰে এই পথেৰে মেলাখনলৈ গৈ আহিছে। এইবাৰ ৰোহনো ওলাইছে। সাতবছৰীয়া ৰোহন বৰ টনকিয়াল। মৰমলগা, পঢ়া শুনাত ভাল, ঘৰখনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। ৰোহনৰ প্ৰতি পৰিয়ালৰ সকলোৰে দুৰ্বলতা আছে সেয়া ৰোহনে ভালদৰে জানে। সেয়ে তাৰ মান অভিমান আব্দাৰ, দাবীবোৰ বেচি। জিমিৰ বয়স ১২ বছৰ। তাই শান্ত দায়িত্বশীল সহজতে তুষ্ট হোৱাৰ স্বভাবৰ, মাক দেউতাকৰ প্ৰতি বাধ্য এজনী নিৰ্জু ছোৱালী। ফাগুনমহীয়া বতাহজাকে তেওঁলোকক মাজে মাজে অতিষ্ঠ কৰিছে যদিও ভিতৰি ডিতৰি তেওঁলোকে পৰিবেশটো উপভোগো কৰিছে । পথাৰৰ মাজৰ এডাল ওখ বগৰি গছৰ তলত তেওঁলোকে অলপ থমকি ৰ'ল। ৰোহন আৰু জিমিয়ে গছডালৰ ওপৰৰ পিনে চাই পঠিয়ালে। পথৰুৱা এই বগৰিজোপাত হয়তো এমাহ আগতে ঢেৰ পকা বগৰি আছিল। গৰখীয়া ল'ৰা নাইবা বাটৰুৱাই পাৰি পাৰি খাই বগৰিবোৰ নহোৱা কৰিছে। কেইটামান বগৰি গছডালৰ একেবাৰে ওপৰৰ ঠানিত লাগি ৰৈছে। সহজতে ঢুকি নোপোৱা এই পকা পকা বগৰি কেইটা দেখি ৰোহনে কিৰিলি পাৰি উঠিল। বগৰি কেইটা পাৰি দিবলৈ দেউতাক জনক ৰোহনে খাটনি ধৰিলে। দেউতাকে গছত লাগি থকা বগৰি কেইটালৈ চাই পঠিয়ালে। পকি থকা বগৰি কেইটা বেচ ওখত আছে। সহজে চিঙি অনাটো এক প্ৰকাৰৰ অসাধ্য। গছত তেওঁ উঠিব নোৱাৰে। ইফালে ৰোহনে জিদ ধৰিছে। বগৰি কেইটা পাৰি দিবই লাগিব। ৰোহনৰ চকুত চকুপানী।

মৰমৰ একমাত্ৰ পুত্ৰৰ চকুপানী দেউতাকজনৰ সহ্য নহয়। ওচৰে পাজৰে থকা চপৰা ,





ফৰ্মুটি, মাৰিও মানুহজনৰ বগৰি পাৰিবলৈ সাধ্য নহল। দেউতাক জনে ভাগৰত ফোপাইছে। পঞ্চাশৰ উৰ্দ্ধৰ মানুহজনৰ আছে শ্বাস-প্ৰশ্বাস জনিত এক পুৰণি ৰোগ। এই খিনি কষ্টও মানুহজনে সহিব নোৱাৰিলে। মানুহজনে জোৰে জোৰে কাহি কাহি পথাৰতে বহি পৰিল। দুটি অসহায় শিশুৰ মাজত জনশূন্য পথাৰখনত মানুহজনৰ অৱস্থাটো বৰ দুখ লগা। জিমিয়ে ৰেহেনাক ডবিয়ালেও তাৰ বাবেহে দেউতাকৰ এনে অৱস্থা হ'ল। দেউতাকৰ খোজকাঢ়ি যাবলৈও সামৰ্থ্য নোহোৱা হৈছে। কি কৰিব এতিয়া। মেলাখনলৈ নযোৱাৰ সিদ্ধান্ত ললে দেউতাকজনে । ঘৰলৈ উভতি যোৱাৰ কথা কোৱাত ৰোহনৰ পুনৰ কান্দোন আৰম্ভ হ'ল। জিমিয়ে তাক পুণৰ ধমক দি ঠাণ্ডা কৰিলে। পথাৰেৰে সিহঁতৰ পিনে এখন মাটি কঢ়িওৱা টেক্টৰ আহি আছিল। সিহঁতে তিনিও সেইখনত উঠি যেনে তেনে ঘৰ পালেহি।

এই ঘটনাৰ কেইবছৰ মান পিছত ৰোহনৰ বয়স এতিয়া চৈধ্য বছৰ সেইদৰে জিমিৰ বয়স একৈশ বছৰ । জিমিয়ে বি এ পাছ কৰিছে। ৰোহন এইবাৰ নৱম শ্ৰেণীত। শকত আবত। বেচ ওখ । অলপ অলপ লেভেল দিব আৰম্ভ কৰিছে। লগৰ পাঁচজন ল'ৰাই সদায় স্কুললৈ ধুনীয়া ধুনীয়া হিৰো চাইকেল লৈ আহে। সি স্কুললৈ ঘৰৰ পৰা খোজকাঢ়ি আহিব লাগে বাবে তাৰ বাবে যেন স্কুলত যোৱাটো বিৰক্তৰ হৈ পৰিছে। পঢ়াশুনাত সি যথেষ্ট ভাল। শ্ৰেণীত প্ৰথম। স্কুলৰ শিক্ষকবোৰে উচ্চমাধ্যমিক পৰীক্ষাত কিবা এটা ভাল ফলাফল দেখুৱাব বুলি আশা কৰিছে।

সি তাৰ মাক দেউতাকৰ ওচৰত তাৰ প্ৰয়োজনৰ কথাটো কলে । এখন দহহেজাৰ টকীয়া হিৰো স্প্ৰিণ্ট বাইচাইকেল। ইয়াতকৈ কমদামৰ চাইকেল হেনো তাৰ পচন্দ নহয়। দেউতাকৰ শ্বাসপ্ৰশ্বাস জনিত অসুখটো বেচি হোৱা বাবে যোৱা মাহত চিকিৎসাৰ বাবে চেন্নাইলৈ গৈ আহিল। হাতত ধন নোহোৱাৰ নিচিনা হৈছে। ৰোহনে টকা পইচাৰ অভাব আদি একো বুজি নেপায় বা বুজিব চেষ্টা নকৰে। তাক গিয়েৰ থকা সেই বিশেষ মডেলৰ চাইকেল লাগিবই। মাক দেউতাক তাৰ ওচৰত বৰ দুৰ্বল বিশেষকৈ দেউতাকজন। ৰোহন ঘৰখনৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। পঢ়াই শুনা দেখাই দৰ্শনে ভাল। তেনে এজন ল'ৰাৰ অন্তৰত আঘাত দিবলৈ যেন মাক দেউতাক হালৰ সত নেযায়। বাধ্য হৈ দেউতাক জনে ৰোহনে বিচৰা ধৰণে চাইকেল এখন কিনি দিলে। নতুন চাইকেল পাই ৰোহনৰ আনন্দই নধৰা হিয়া। প্ৰতিদিনে সি চাইকেল চলাই স্কুললৈ যায়। লগৰ ল'ৰা কেইজনৰ লগত মাজে মাজে ৰেছ লগায়। আজিকালি ৰোহনে স্কুলৰ পৰা আহিয়েই ভাতকেইটামান খায়েই চাইকেলখন লৈ ওলাই যায়। সিহতৰ ছজনীয়া দলটোৱে সমদলহৈ গাওঁৰ ৰাস্তাৰে, কেতিয়াবা ৰাজ আলিৰে জোৰেৰে চাইকেল চলাই ভাগৰি জুগৰি যেতিয়া গোধুলি পঢ়াটেবুলত বহে ৰোহনৰ টোপনি আহিব ধৰে। আজি

কালি ৰোহনে অংকবোৰ টান পোৱা হৈছে। অংক এটা অলপ চেষ্টা কৰি নোৱাৰিলে পুণৰ চেষ্টা নকৰি এৰি দিয়ে। শ্ৰেণীৰ ছাৰ জনে সকলো অংক কৰি নিদিয়ে অংকৰ প্ৰতি তাৰ ধাউতি কমিছে। যোৱা ছয়মাহিলী পৰীক্ষাত অংকত সি যেনেতেন পাচ কৰিলে। মাক দেউতাকে ইয়াক লৈ বেচ চিন্তিত। ৰোহনৰ কোনো কানসাৰ নাই। বাধ্য হৈ এজন শিক্ষক ৰোহনৰ বাবে নিযুক্ত কৰা হ'ল। শিক্ষক জনৰ ঘৰ ৰোহনৰ ঘৰৰ পৰা ভালেখিনি দূৰ। অংকৰ এই শিক্ষক জনৰ ঘৰলৈ ৰোহনে স্কুলৰ পৰা আহি অলপ জিৰনি লৈ পুণৰ চাইকেল চলাই গুচি যায়। লগত থাকে একে শ্ৰেণীৰে চাইকেল আৰোহী বন্ধু কেইজন।। গোটেই জাকটোৰ পঢ়িব যোৱাতকৈ হুলস্থুল কৰি গান গাই চাইকেল চলোৱাত বেচি গুৰুত্ব । ৰোহনৰ পঢ়া শুনাৰ বৰ বিশেষ উন্নতি হোৱা নাই । বছৰেকীয়া পৰীক্ষাত শ্ৰেণীত তাৰ স্থান প্ৰথমৰ পৰা তৃতীয়লৈ অৱনমিত হ'ল। ৰোহনৰ কোনো আক্ষেপ নাই। কিন্তু ৰোহনৰ বাবে মাক দেউতাকৰ চিন্তা বাঢ়িছে । ৰোহনৰ দেউতাকৰ বৰ্তমান ডাইবেটিছৰ লক্ষণে দেখা দিছে। মানুহজনৰ চাকৰি আৰু চাৰিবছৰহে আছে। ৰোহন এইবাৰ দশম মান পালে। প্ৰবেশিকা দিয়াৰ সময়। আজি কেইদিন মানৰ পৰাই ৰোহনে মাকক কুটুৰি আছে। তাক হেনো এটা এনড্ৰইড ফোন লাগে। মাক দেউতাৰ দুয়োজনাই অসহায় হৈ পৰিছে। মাকে ৰোহনক বুজিনি দিছে। প্ৰবেশিকা পৰীক্ষাত ভালদৰে পাচ কৰিলে নিশ্চয় ৰোহনক এটা ম'বাইল ফোন দিব। ৰোহনে মানি লোৱা নাই। কোনো পধ্যেই নামানে সি। দিনে দিনে সি উদ্ধত হৈ উঠিছে। সৰু সৰু কথাতে সি প্ৰচণ্ড খঙ দেখুৱায় । মাক , দেউতাক আৰু জিমি আটায়ে বৰ চিন্তিত।

যোৱা নিশা ৰোহনে ভাত নেখালে। এনড্ৰইড ফোন নোপোৱাৰ খং সি নিজৰ শৰীৰৰ ওপৰত জাৰিলে। ৰাতিপুৱা ৮ বজালৈ শুই থাকিল। সি স্কুললৈ নেযায়। মাকে দিয়া চাহ বিস্কুট খাই সি ঘোষনা কৰিলে সি আজিও দুপৰীয়া ভাত নেখায়। ৰোহনৰ দেউতাকৰ বৰ চিন্তা হ'ল। কি হ'ব এতিয়া একমাত্ৰ পুতেকৰ এই অৱস্থা দেখি তেখেতৰ সহ্য নহয়। ইতিমধ্যেই হাতত থকা জমাধন সামান্যহে ৰৈছে। তাতে মাহৰ শেষ। যোৱা মাহত চেন্নাইলৈ চিকিৎসাৰ বাবে যাওঁতে তেওঁৰ ভালেমান ধন খৰচ হ'ল। নিজৰ গৃহ নিৰ্মাণৰ বাবে বেংকৰ পৰা লোৱা ঋণৰ মাহেকীয়া কিস্তি পৰিশোধৰ বাবে আজিকালি তেওঁৰ দৰমহাৰ পৰা এক বুজন অংশ কৰ্তন হয়। ৰোহনৰ দেউতাক যিটো চৰকাৰী কাৰ্য্যালয়ত চাকৰি কৰে, সেইটো অসম চৰকাৰৰ এটা গুৰুত্ব পূৰ্ণ বিভাগৰ কাৰ্য্যালয়। এই কাৰ্য্যালয়ৰ বিষয়া কৰ্মচাৰী সকলে নিজৰ দৰমহাৰ উপৰিও বিভিন্ন উপায়েৰে এই কাৰ্য্যালয়ৰ জৰিয়তে অতিৰিক্ত উপাৰ্জন কৰে। ৰোহনৰ দেউতাক পিছে ব্যাতিক্ৰম। কিয়নো সততাই তেওঁৰ জীৱন পদ্ধতি। এই সততাৰ আদৰ্শকে মূলধন কৰি ৰোহনৰ দেউতাকে নিজৰ কৰ্মজীৱন চলাই যায়। কাৰ্য্যালয়টোত তেওঁ এজন উচ্চ বৰ্গৰ সহায়ক। বিভাগীয় যিকোনো কাম তেওঁৰ মাজেদি তেওঁৰ জৰিয়তে আগবাঢ়ে।





আজিৰ পৰা পোন্ধৰ দিন আগৰে পৰা এজন ডাঙৰ ঠিকাদাৰে ৰোহনৰ দেউতাকক পঞ্চাশ হেজাৰ টকাৰ প্ৰলোভন দি তেওঁৰ টেবুলত থকা ফাইল এটা অনুমোদন কৰাই বিভাগীয় বিষয়াজনৰ ওচৰলৈ পঠোৱাৰ বাবে চেষ্টা চলাই আছে। ৰোহনৰ দেউতাকে নিয়ম বৰ্হিভূত ভাবে কাম কৰিব নোৱাৰে বাবে আপত্তিজনক ফাইলটো তেওঁৰ টেবুলত পৰি আছিল। ৰোহনৰ দেউতাকে নিজৰ পুত্ৰৰ বাবে আজি এক আচৰিত সিদ্ধান্ত ললে। কোনো দিনে দুৰ্নীতিৰ লগত আপোচ নকৰা বুলি সকলোৰে মাজত জনাজাত মানুহজনে সিদিনা সেই ঠিকাদাৰ জনক কাৰ্য্যালয়লৈ মতাই অনালে । উদ্দেশ্য ঠিকাদাৰ জনৰ পৰা টকা দহ হেজাৰ লৈ তেওঁৰ ফাইলৰ কাম কৰি দিব আৰু সেই টকাৰে ৰোহনক এটা ম'বাইল ফোন কিনি দিব। ঠিকাদাৰ জনে তেওঁক পঞ্চাশ হেজাৰ দিব বিচাৰিছিল। কিন্তু ৰোহনৰ দেউতাকৰ সেইদিনাটো আছিল সচাকৈয়ে দুৰ্ভাগ্যৰ দিন। কিয়নো সিদিনাৰ পৰাই আৰম্ভ হৈছিল অসম আৰক্ষী বিভাগৰ দুৰ্নীতি নিবাৰণ পযেক। সিদিনাৰ পৰাই ৰাজ্যখনৰ বিভিন্ন কাৰ্য্যালয় সমূহত অতিগোপনে অসম আৰক্ষীয়ে অসামৰিক পোচাকত দুৰ্নীতিৰ অনুসন্ধান আৰম্ভ কৰিছিল। যি মূহুৰ্ত্তত ঠিকাদাৰ জনৰ হাতৰ পৰা ৰোহনৰ দেউতাকে দহ হেজাৰ টকা নিজৰ হাতত ললে, ঠিক সেই সময়তে অসামৰিক পোচাকত অহা চাৰিজনীয়া আৰক্ষীৰ দল এটাই সিহত দুজনক হাতেলোটে ধৰি পেলালে। দুয়োজনকে আটক কৰি ওচৰৰ থানাখনলৈ লৈ গ'ল। ৰোহনৰ দেউতাকৰ ফটো সহ সেই ঘটনাৰ বাতৰি প্ৰচাৰ হ'ল। ৰোহনৰ দেউতাক চাকৰিৰ পৰা নিলম্বিত হ'ল। দুৰ্নীতিৰ লগত কোনোদিন আপোচ নকৰা ৰোহনৰ দেউতাকৰ
এনে কাৰ্য্যত মানুহবোৰ আচৰিত হ'ল। আৰু ৰোহন অনুশোচনাত দগ্ধ হৈ এমাহ মান চাটি ফুটি কৰি কটালে। কতো তাৰ শান্তি যেন নোহোৱা হ'ল। তাৰ বাবেইতো তাৰ মৰমৰ দেউতাকৰ এনে দশা হ'ল। এক অপৰাধবোধে তাক ভিতৰি ভিতৰি জৰ্জৰিত কৰিব ধৰিলে।

ৰোহনে আজিকালি চাইকেল চলোৱা বাদ দিছে। অইন দহজন ল'ৰাৰ দৰে সি খোজ কাঢ়িয়ে স্কুললৈ যায়। এদিন দেউতাকে কিনি দিয়া চাইকেলখন অইন এজন ল'ৰাক আধা দামতে বেচি দিলে। সি যেন তাৰ ভুলবোৰৰ প্ৰায়চিত্ত কৰিব বিচাৰিছে। সি লাহে লাহে নিজকে আয়ত্তত আনিবলৈ সক্ষম হৈছে। আজিকালি সি দিনৰাতি একাকাৰ কৰি পঢ়াশুনা কৰে। দেউতাকৰ নাম উজলাবলৈ সি হাইস্কুল শিক্ষান্ত পৰীক্ষা এটি বিশেষ স্থান পাবলৈ মনে মনে অংগীকাৰ কৰিছে। তাৰ দৃঢ় বিশ্বাস তাৰ অংগীকাৰ আখৰে আখৰে ফলিয়াব । সি তাৰ চেষ্টাক অথলে যাব নিদিয়ে।

◈◈◈◈

# নিয়তিৰ খেল

ৰেহেনা পাৰবিন
বি এচ্ চি পঞ্চম যান্মসিক
প্ৰাণী বিজ্ঞান বিভাগ

"আজি কালি পৃথিৱীত এনেকুৱা মানুহ থাকে জানো" ? বাটৰ কাষতে দুজনী ছোৱালীয়ে কথা পাতি আছিল। বাটৰে গৈ থকা অমৰজ্যোতিক উদ্দেশ্যি কৈছিল। অমৰ জ্যোতি মূৰৰ চুলিকোচা অলপ আউলি-বাউলি, চকুত চচমা লগোৱা, পিন্ধনত এটা লংপেণ্ট আৰু টি চাৰ্ট। মুখত অনবৰত এটি মিচিকিয়া হাঁহি। জীৱনত যেন কেতিয়াওঁ দুখে স্পৰ্শ কৰা নাই তেখেতক। সৰুৰে পৰা লিখা পঢ়াত অমৰজ্যোতি ভাল আছিল। সৰুৰে পৰাই তেওঁ লিখা-মেলা কৰিছিল। এনেকুৱা এটা সময় আছিল যেতিয়া দিন-ৰাতি মাথো লিখি গৈছিল কবিতা। কবিতা অবিহনে একো বুজা নাছিল। তেওঁ এজন মানুহৰ লগত দহ মিনিট সময় কথা পাতিলেই বন্ধুত্ব হৈ গৈছিল। বুঢ়া-ডেকা কথা নাই কিন্তু তেনেকুৱা একেবাৰে ওচৰৰ বন্ধু-বান্ধৱী নাছিল যিয়ে তেওঁক ভালদৰে জানিব পাৰিব। যদি কাৰোবাক কিবা সহায় লাগে অমৰ জ্যোতিয়ে সকলোকে সহায় কৰিছিল। তেওঁক সকলোৱে ভাল পাইছিল। সকলোতকৈ বেলেগ ধৰণৰ আছিল তেওঁ। কিন্তু ছোৱালীবোৰে তেওঁৰ গুণত আকৃষ্ট হৈছিল, হিংসা, ভয় একেবাৰেই নাছিল তেওঁৰ। কলেজত পঢ়ি থাকোতে এবাৰ কৰ্তৃপক্ষৰ ৰোষত পৰিছিল, পাচঁদিনৰ বাবে নিলম্বন হৈছিল কাৰণ কিবা অন্যায় হলে তাৰ বিৰুদ্ধে মাত মাতিছিল সেয়া কেতিয়াবা বেয়া ধৰণৰ হৈ পৰিছিল। তেওঁৰ ওচৰত সকলো সমস্যাৰ সমাধান পোৱা গৈছিল। তেওঁ ভৱিষ্যতে কি হ'ব ভৱা নাছিল, তেওঁৰ মতে, "জীৱনটো এবাৰেই পোৱা যায় প্ৰতিটো মুহূৰ্ত ভালদৰে উপভোগ কৰিব লাগে, কালিৰ কথা ভাৱি কি হ'ব ? যদি সেই দিনটো নাহেই।" অমৰ জ্যোতি আহি আছে ৰাস্তায়েদি, তেওঁৰ লগৰীয়া কেইজন তেওঁৰ কাৰণে অপেক্ষা কৰি আছিল।

অমৰ জ্যোতিয়ে মাত দিলে - " কি হ'ল নো তহঁতৰ ? এনেকৈ ৰাস্তাৰ দাঁতিত বহি আছা যে ?"

তেওঁৰ বন্ধু মৃণালে কলে - আমাৰ নিৰঞ্জনৰ বিয়াখন ঠিক হৈ আছিল। পিছে আজি বোলে ছোৱালী ঘৰৰ পৰা মানা কৰি দিছে। কিন্তু দুয়ো এতিয়া ফোনত কথা পাতি থকা হৈছে, বিয়া হ'ব বুলি।

অমৰ - কিয় তেনেকুৱা কৰিলে ?





মৃণাল - ভাল ঘৰৰ পৰা বোলে প্ৰস্তাৱ আহিছে। ল'ৰাজন বোলে জুনিয়ৰ ইঞ্জিনিয়াৰ।

অমৰ - জুনিয়ৰ ইঞ্জিনিয়াৰৰ দৰমহা কিমান হ'ব ? আৰু কিমান পায় দুনীতি কৰি ? দুনীতি নকৰিলে আমাৰ নিৰঞ্জনতকৈ কম হে হ'ব। ই তো নিজৰ ব্যাৱসায়ৰ পৰা ভাল পইচা পায়। যাওঁ ব'ল ছোৱালীৰ ঘৰলৈ।

তেওঁলোকে ৰাওঁনা হ'ল নিৰঞ্জনৰ লগত বিয়া ঠিক হোৱা ছোৱালীজনীৰ ঘৰলৈ। নিৰঞ্জনক বাহিৰত থৈ অমৰ আৰু বাকীবোৰে ঘৰত সোমালে। সোমাই গৈ ছোৱালীজনীৰ মাকক কলে যে সিহঁত নিৰঞ্জনৰ বন্ধু। খুড়াৰ লগত অলপ দৰকাৰী কথা পাতিব বুলি আহিছে। ছোৱালীজনীৰ দেউতাক আহি উপস্থিত হ'ল আৰু কলে যে মাজনীৰ বিয়াৰ বিষয়ে অইন ঠাইত কথা-বতৰা পাতি থকা হৈছে তোমালোকে এই বিষয়টো লৈ আৰু কথা নাপাতিবা। তেতিয়া অমৰজ্যোতিয়ে কলে খুড়া মই মাথো আপোনাক এটা কথা কবলৈ আহিছো। আপোনাক বুজাই কব বিচাৰিছো পাৰিম নে ? ছোৱালীজনীৰ দেউতাকে কিবা এটা ভাবি কলে "কোৱা"।

**অমৰজ্যোতি ঃ** আগতে আপোনাৰ ছোৱালীজনীৰ নিৰঞ্জনৰ লগত বিয়া ঠিকহৈ আছিল। আপোনালোকে ভালদৰে চাই ঠিক কৰিছিলে। সেইবাবে দুয়োয়ে কথা-বতৰাও আৰম্ভ কৰিছিল আৰু এইখিনি হৈছে আপোনালোকৰ বাবেই। এতিয়া ইয়াত কৈ ধনী ঘৰৰ ল'ৰাৰ প্ৰস্তাৱ আহিছে কাৰণে আপুনি এনেকুৱা কৰা ঠিক হ'বনে ? আপোনাৰ ছোৱালীক সুধি চাবচোন অলপ। বেছি নকওঁ, ভাবিব অলপ। এই খিনি কৈ সিহঁত গুচি গ'ল।

অমৰজ্যোতিক লগৰবোৰে কলে "এইখিনি কবলৈ যাব লাগে নে ? আমি আৰু বেলেগ ভাৱিছিলো।" অমৰজ্যোতিয়ে কলে সকলো সমস্যাৰ সমাধান হৈছে ধৈৰ্য্যৰে আগুৱাই যোৱা আৰু নিজৰ ভদ্ৰতা বাহাল ৰখা। পিছদিনা ৰাতিপুৱা নিৰঞ্জনে আহি অমৰক কলে যে সিহঁতৰ বিয়াখন হ'ব, দেউতাকে মানি লৈছে আকৌ আৰু এয়া সম্ভৱ হৈছে অমৰৰ বাবে। তেওঁক ধন্যবাদ জনালে।

অমৰে কেতিয়াও নিজৰ বাবে একো নকৰে। তেওঁৰ দেউতাকে তেওঁক সকলো ধৰণৰ কামত সহযোগ কৰে। মাক নথকা ল'ৰা দুজনক মাকৰ মৰমো দিয়ে। অমৰৰ দাদা আৰু বৌৱেকে তেওঁক বহুত মৰম কৰে। ইতিমধ্যে অমৰে ভালেমান কবিতা লিখিলে কিন্তু ছপা নকৰিলে। অমৰে প্ৰত্যেক দিনাৰ দৰে সেইদিনাও কোনো ফালে নোচোৱাকে গৈ আছিল বজাৰলৈ। হঠাৎ কোনোবা ছোৱালী এজনীয়ে মাত লগালে। "অমৰ দা, অ' অমৰ দা" অমৰে পিছফালে ঘূৰি চালে আৰু দেখিলে যে স্থানীয় কলেজৰ প্ৰফেচৰৰ ছোৱালীজনী। অমৰে সুধিলে মোক মাতিছা ? তুমি মহন্ত ছাৰৰ ছোৱালী

নোহোৱানে ? নামটো পাহৰিলো তোমাৰ।

তেতিয়া ছোৱালীজনীয়ে কলে - "অলপ লাহে লাহে কওঁক।" মোকচোঁন উত্তৰে দিব নিদিয়ে। হয় মই তেখেতৰ ছোৱালী। মোৰ নাম মানসী।

**অমৰ ঃ** বৰ সুন্দৰ নামচোন। লিখা-পঢ়া ঠিকে চলিছেনে ? ভালদৰে পঢ়িবা।

**মানসীঃ** হয় ভালদৰেই চলিছে। আপোনাৰ বিষয়ে মোৰ দেউতাই আলোচনা কৰে বহুত। লিখা-মেলা কৰে বোলে আপুনি। আপুনি ৰাস্তায়েদি যাওঁতে কেতিয়াওঁ কোনো দিশে নাচায় যে ? মই বহুত দিন ধৰি আপোনাক লগ ধৰিব বিচাৰি আছো।

**অমৰঃ** ৰাস্তায়েদি যাঁওতে কেৱল সন্মুখৰ ৰাস্তাহে চাব লাগে। মোৰ ভুলৰ বাবে মানুহৰ ক্ষতি হ'ব পাৰে। পিছে কিবা কাম আছিল নেকি ?

মানসী - অ আছিল, কিন্তু এতিয়া আপোনাৰ পলম হ'ব। আপোনাৰ মবাইল নম্বৰটো দিব ?

অমৰে নম্বৰটো দি গুচি গ'ল।

বজাৰ পোৱাৰ আগতে এখন দোকান আছে বুঢ়া মানুহ এজনৰ। নতুন বস্তু বাহানি আনিছে দোকানত। কিন্তু বয়স হোৱা বাবে বহুত কষ্ট কৰি আনি আছে। অমৰে কলে ককা দিয়ক মই আনি দিছো। ত্ৰিছ মিনিট মানৰ কাম আছিল। কৰি দিয়াৰ পিছত বুঢ়া জনে চাহৰ কাপ এটি হাতত লৈ তাক দি কলে তুমি সদায় মোক সহায় কৰা, তুমি সুখী হোৱা জীৱনত। তোমাৰ নিচিনা মানুহ এতিয়া নায়েই। অমৰ গুচি গ'ল বজাৰলৈ। ইতিমধ্যে অমৰৰ দেউতাকে অমৰক ফোন কৰি কিবা এটা কলে। অমৰে মিচিকিয়াই হাঁহি থাকিলে।

পিছদিনা ৰাতিপুৱা অমৰক মবাইলত অচিনাকী নম্বৰৰ পৰা মেচেজ এটা আহিল, হেল্ল বুলি। অমৰে একো উত্তৰ নিদিলে। পিছত আকৌ এটা মেচেজ আহিল মই মানসী বুলি। তেতিয়া অমৰে কলে- অ কোৱা। খবৰ ভালনে ? লিখা-পঢ়া কেনেকুৱা চলিছে ? মানসীয়ে প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ পিছত হঠাৎ কৈ পেলালে মনৰ কথা। তাই যে অমৰজ্যোতিক ভাল পায় সেই কথা।

এইখিনি শুনি অমৰে কলে তুমি যদি বেলেগ ফালে যাব বিচাৰিছা তেন্তে ইয়াৰ পিছত আৰু একো নকবা। মোক ফোন বা মেচেজো নকৰিবা।

এইখিনি শুনাৰ পিছত মানসীয়ে আৰু একো নকলে, তাই বহুত ভাল পায় তেওঁক। প্ৰত্যেক





দিনাই তাই অমৰক চোৱাৰ বাবে অপেক্ষা কৰে। প্ৰফেচৰ মহন্তইও তেওঁৰ জীয়েকৰ বাবে অমৰক ঠিক হ'ব বুলি ভাবে কিন্তু অমৰ কিবা এটা কৰা লৈ বাট চাই ৰ'য়। এদিন মহন্তই অমৰৰ দেউতাকৰ লগত কথা পাতিলে।

**মহন্ত ঃ** আপুনি অমৰক কিবা এটা কৰিবলৈ নকয় কিয় ? আপোনাৰ ইমান ডাঙৰ ব্যৱসায় সেয়াতো আপোনাৰো কষ্ট হৈছে। ৰূপমে তো চাকৰীয়ে কৰে। তেওঁতো এনেই আছে।

**অমৰৰ দেউতা ঃ** কি কম ? তেওঁ নিজক লৈ ভাবিবলৈ সময়ে নাপায়। মইও একো নকওঁ সকলো তো তেওঁৰেই। চলি থাকক তেওঁ শিকি যাব লাহে লাহে।

**মহন্ত ঃ** মই আৰু এটা কথা আলোচনা কৰিব বিচাৰো। মোৰ ছোৱালীজনীৰ বাবে আপোনাৰ অমৰতকৈ ভাল লৰা নাপাম। আপুনি বা কি কয় ?

**অমৰৰ দেউতাকঃ** আপুনিও যদি এনেকে ভাৱে তেন্তে মোৰ অমৰচোন সচাঁয়ে যোগ্য হৈ উঠিছে। ধন্যবাদ জনাইছো আপোনাক। বিয়াৰ কথা মই পিছত আলোচনা কৰিম দিয়ক।

বহুত সময় কথা-বতৰা পাতিলে। অমৰে বহুদিন মূৰত বন্ধু সকলক লৈ নদীৰ পাৰত থকা চাহ দোকান এখনত বহি আছিল। হঠাৎ অমৰ ভাগৰি পৰিল। তেওঁৰ বন্ধুবোৰে আচৰিত হৈ গ'ল। লগে লগে তাৰ দেউতাকক ফোন কৰিলে। গাড়ী এখনেৰে তাক হস্পিতালত লৈ গ'ল। অমৰৰ দেউতাকো উপস্থিত হ'ল। অমৰৰ দেউতাকে ডাক্তৰক সুধিলে, অমৰৰ হাতত কিমান দিন আছে আৰু ?

ডাক্তৰে কলে চাৰি-পাচঁ মাহ আছে।

অমৰৰ দেউতাকে কান্দিব ধৰিলে। তেতিয়াও কোনেও নাজানিলে অমৰৰ কি হৈছে।

অমৰক ঘৰত লৈ গ,ল তেওঁৰ বন্ধু আৰু তেওঁৰ দাদা বৌৱেকে তেওঁৰ ওচৰত বহি আছিল। অমৰৰ দাদাই শুধিলে কি হৈছে অমৰৰ ? কিয় হঠাৎ তেনেকুৱা হ'ল ? আগতেওঁ হৈছে তাৰ ৰিপৰ্ট ও মোক নেদেখুৱায়। কি হৈছে ?

**অমৰ ঃ** একো হোৱা নাই ও দাদা। তই কিয় ইমান টেনচন লৈছা ? একো হোৱা নাই মোৰ। তেতিয়া অমৰৰ দেউতাকে আৰু নোৱাৰিলে নিজক দমাই ৰাখিব। চিঞৰি উঠিল আৰু কান্দিব ধৰিলে। ৰিপৰ্টখন হাতৰ পৰা পৰি গ'ল। ৰূপমে ফাইলটো খুলি চাই এক থিৰ হৈ থিয় দি থাকিল। মাথো চকুলো বৈ আহিল। তেতিয়া অমৰৰ বন্ধুবোৰেও পঢ়ি চালে।

কোনোৱে কাকো একো ক'ব নোৱাৰিলে। অমৰৰ দেউতাকে কৈ গ'ল কথাবোৰ একবছৰ আগতে অমৰ এনেকুৱা হোৱাত লৈ যোৱা হৈছিল হস্পিতালত। সকলো পৰীক্ষা কৰাৰ পিছত বেমাৰটো ধৰা পৰিল আৰু ডাক্তৰে কৈছিল ইয়াৰ তেনেকুৱা ঔষধ নাই যে অমৰ সুস্থ হৈ উঠিব কিন্তু, তিনি - চাৰি বছৰ জীয়াই থাকিব পাৰিব। আজি এক বছৰ পাঁচ মাহ হৈছে আৰু আজি কৈছে মাত্ৰ পাঁচ মাহ। আৰু একো ক'ব নোৱাৰিলে।

ৰূপমে একো জনাই নাছিল। কিয় ৰূপমক কোৱা নহ'ল। এইবোৰ প্ৰশ্ন কৰি কৰি নিজেই শান্ত হৈ পৰিল। ভাঙি পৰিল সকলোৱে। দুখৰ বন্যা বৈ আহিল পৰিয়ালটোলৈ। অলপ পিছত অমৰে সকলোকে বহুত বুজালে। নোকোৱাৰ কাৰণে ক্ষমা খুজিলে আৰু কলে ভগৱানৰ যি ইচ্ছা সেয়া হ'বই। আৰু তেওঁৰ আনন্দৰ বাবে সকলোৱে কেওঁৰ লগত স্ফূৰ্তিৰে থাকিব।

লাহে লাহে দিন বাগৰিল, অমৰ সদায় বিভিন্ন সংগঠনৰ লগত জড়িত হৈ থাকিল। তেওঁৰ এই খবৰটো কেইদিন পিছত মানসী আৰু প্ৰফেচৰ মহন্তই শুনিলে। মানসী, যিজনীয়ে অমৰক বহুত ভাল পায়, যেতিয়া শুনিলে কথাবোৰ জীয়াই থাকিও মৃতত পৰিণত হ'ল। তাই অমৰক ফোন কৰিলে। অমৰে ৰিচিভ কৰিল আৰু দুয়ো কান্দি থাকিল। মানসীয়ে অমৰক কলে -মই মাথো আপোনাৰ কথায়ে ভাৱিছো, ভাৱো আৰু ভাৱি থাকিম।

**অমৰে কলেঃ** তুমি এইবোৰ বাদ দিয়া। তোমাৰ এটি উজ্জল ভৱিষ্যত আছে। তুমি আগবাঢ়ি যাবা। মই যদি তোমাৰ বাবে গুৰুত্বপূৰ্ণ হওঁ তেন্তে তুমি আগবাঢ়ি যাবা জীৱনত। মোৰ বাবে মই তোমাক কষ্টত ৰাখিব নোৱাৰো। আজিৰ পৰা আৰু কেতিয়াওঁ তুমি মোৰ লগত সংযোগ নকৰিবা। ফোনটো কাটি দি অমৰে বহুত কান্দিলে কাৰণ তেওঁ মানসীক বহুত ভাল পাইছিল। এনেকৈ দুই মাহ পাৰ হৈ গ'ল।

অমৰে লিখা কবিতাবোৰ গোটেই দেউতাকৰ হাতত দি পঠিয়ালে কবিতা পুথি উলিয়াবলৈ। হঠাৎ এদিন অমৰে দেউতাকক কলে পাৰ্টি কৰিব লাগে ঘৰত। সেই মতে কাম, তেওঁৰ সকলো চিনাকী মানুহক, বজাৰৰ দোকানী বিলাকক মাতিলে। অমৰে নিজে হাতেৰে খুৱালে সকলোকে। বহুত ফুৰ্তি কৰিলে সকলোৱে মিলি।

তাৰ পিছ দিনাখন তেওঁ গোটেই দিনটো দেউতাক, দাদা আৰু বৌৱেকৰ লগত কটালে। পিছদিনা তেওঁৰ কিতাপসমূহ উলিয়াব, উন্মোচন কৰিব। ৰাতি তেওঁ দেউতাকৰ লগত শুলে। মাজৰাতি উঠি তেওঁ
টেবুলত বহি কবিতা এটা লিখিলে-

নাজানো, মই লিখি আছো আজি কি,
লিখিব পাৰিম নে নাই, আৰু কোনোদিন,
নাজানো কিয় লাগি আছে আজি মোৰ,
এয়েই হয়নেকি অন্তিম দিন।
দেউতা, একো দিব নোৱাৰিলো আপোনাক
মাথো আপোনাৰ পৰা ললো,
মই নাথাকিলে দুখ নকৰিব আপুনি,





আপোনাৰ হাঁহিয়ে মোক তাতো শান্তিত ৰাখিব।
দাদা আৰু বৌ এনেকৈয়ে থাকিব,
নতুন সদস্য এজন আনিব,
দেউতাক মোৰ অভাব অনুভৱ কৰিব নিদিবা,
এজনে আনজনৰ যতন লবা।
মোৰ বন্ধুবোৰক কৈছো,
সমস্যাত পৰিলে সমাধান বিচাৰিবা,
চিন্তা কৰি মূৰটো বেয়া নকৰি
মাথো আগুৱাই যাবা।
যেতিয়া পঢ়িবা এইটো
নাজানো মই থাকিম নে নাই,
যদি নাথাকো চকুলো নুটুকি
হাঁহি হাঁহি মোক বিদায় দিবা।

**অমৰজ্যোতি**

ৰাতিপুৱা অমৰৰ দেউতাকে টোপনিৰ পৰা সাৰ পালে, সকলোৱে সাৰ পালে। অমৰৰ দেউতাকে তাত ডায়েৰী দেখা পালে ডায়েৰীটোৰ শেষৰ কবিতা আছিল সেয়া। কবিতাটো পঢ়ি লগে লগে অমৰৰ ওচৰ পালে, অমৰ আৰু নাই। কান্দোনৰ ৰোল উঠিল চাৰিওফালে, সকলোৱে কান্দিলে। অমৰজ্যোতি সকলোৰে হৃদয়ত বৈ গৈছে। সকলোৰে মুখত অমৰ জ্যোতিৰ নাম। তেওঁ যিখিনি কৰিছে মানুহৰ বাবে সকলোৱে তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰি আছে। মৃত্যুৰ পিছত তেওঁৰ বহুত কেইখন কিতাপ প্ৰকাশ পালে। আৰু ল'ৰা-ছোৱালীৰ বাবেও কিতাপ লিখি গৈছে। সেই ৰাস্তাটোৱেদি আৰু নাযায় সেই আউলি-বাউলি চুলি, সেই টি চাৰ্ট আৰু লংপেণ্ট পিন্ধা ল'ৰাজন। অমৰজ্যোতি সচাঁয়ে অমৰ হৈ ৰ'ল সকলোৰে হৃদয়ৰ মাজত।

◈◈◈◈

# কবিতা কুঞ্জ



## অধ্যক্ষ-উপাধ্যক্ষ সমন্বিতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ একাংশ




বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ অধ্যাপক ড° মোঃ শ্বাহাজামাল শ্বেইখ , অধ্যাপক চৈয়দ কাইয়ুম কবীৰ আহমেদ, অধ্যাপক আলিমুদ্দিন আহমেদ, অধ্যাপক শামছুল আলম, অধ্যাপিকা ড° নিতু চহৰীয়া, অধ্যাপিকা চৈয়দা হামিদা খাতুন, অধ্যাপিকা ৰৌছানাৰা আখতাৰ, অধ্যাপক কমৰুজ্জামান, অধ্যাপক সুশীল কুমাৰ সৰকাৰ, অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, উপাধ্যক্ষ ব্ৰজ কিশোৰ ছামল, অধ্যাপক ড° মোৰাজ্জামুৰ ৰহমান, অধ্যাপক আছিফুল হক, অধ্যাপক আবুল কালাম আজাদ, অধ্যাপক ইছমাইল হুছাইন শিকদাৰ, অধ্যাপক লুতফুৰ ৰহমান শইকীয়া, অধ্যাপিকা ড° শাৰাফিমা আহমেদ, অধ্যাপক হানিফ মোস্তাক আহমেদ

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ অধ্যাপক নাছিৰ উদ্দিন, অধ্যাপিকা ড° মালবিকা বাগলাৰী, অধ্যাপিকা পাঞ্চালী বৈশ্য, অধ্যাপিকা ড° কাকলি হাজৰিকা, অধ্যাপিকা নয়নমণি দেৱী আৰু অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাস

# মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ কেতবোৰ বিশেষ মূহুৰ্ত



৪৮ তম মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ দ্বাৰা সম্পাদিত প্ৰাচীৰ পত্ৰিকা 'উন্মীলন' ৰ উন্মোচনৰ মূহুৰ্তত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা উন্মোচক সন্মানীয় ড০ ঘনশ্যাম ভৰালী সমন্বিতে অধ্যাপক -অধ্যাপিকা সকল




৪৮ তম মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা



৪৮ তম মহাবিদ্যালয় সপ্তাহ উপলক্ষে কইনা প্ৰতিযোগিতা এটি মূহুৰ্ত



৪৮ তম মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাৰ প্ৰথম দল



৪৮ তম মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সুকুমাৰ কলা প্ৰতিযোগী আৰু শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী জ্যোতিস্মিতা তালুকদাৰ



২০১৮ ইংৰাজী শিক্ষাবৰ্ষৰ গুৱাহাটী বিশ্ব বিদ্যালয়ৰ স্নাতক পৰীক্ষাৰ কলা শাখাৰ শ্ৰেষ্ঠ স্নাতক হিচাপে উত্তীৰ্ণ হোৱা আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ, এৰাবিক বিভাগৰ ছাত্ৰ ওৱাহিদুল ইছলামক বৰপেটা লোক সভা সমষ্টিৰ মাননীয় সাংসদ আব্দুল খালেক চাহাবৰ দ্বাৰা সম্বৰ্ধনা



৪৮ তম মহাবিদ্যালয় সপ্তাহত নৰজ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া বিদ্যায়তনিক জাৰ্নেল NEWSLETTER (Vol.III) উন্মোচনৰ মূহুৰ্ত



৪৮ তম মহাবিদ্যালয় সপ্তাহত নৰজোতি মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ তথা সাহিত্য আলোচনী 'নৰজোতি' ৰ ত্ৰিংশতিতম সংখ্যাৰ উন্মোচনৰ মূহুৰ্ত



## নৰজ্যোতি মহাবিদ্যালয়

আমিনুল ইছলাম
পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ।

মহান ব্যক্তিসকলৰ আপ্ৰাণ চেষ্টাত
গঢ় দিয়া এই
মহাবিদ্যালয় নৰজ্যোতি।
জ্ঞানৰ জ্যোতি তুমি
নানা ধৰ্ম, বৰ্ণ, জাতিৰ মিলন ভূমি,
সকলোকে নিজ সন্তান ভাবি
শিক্ষাদান দিয়া তুমি।
মোৰ এই
মহাবিদ্যালয় নৰজ্যোতি
বিজ্ঞ বিজ্ঞ শিক্ষক শিক্ষয়িত্ৰীয়ে
তোমাক আঁকোৱালি লৈ
লৈ যায় আমাক জ্ঞানৰ শিখৰলৈ
গৌৰৱ আমাৰ
গৌৰৱ এই দেশৰ
তুমি মহাবিদ্যালয় নৰজ্যোতি
মোৰ প্ৰাণৰো প্ৰাণৰ।

◈◈◈◈◈



## ক'বলৈ বহুত আছিল

কাজী মেহেবুব হুছাইন
স্নাতক মহলাৰ পঞ্চম ষান্মাসিক।

বহু কথা আছিল ক'বলৈ তোমাক
কিন্তু ক'বলৈ সুযোগ নাপালো।

বহুতো সপোন ৰচিছিলোঁ
তোমাক লগত লৈ পূৰণ কৰিম বুলি,
কিন্তু ইয়াৰ সুযোগ নাপালো।

ভাবিছিলো জীৱনৰ শেষ সময়লৈ
তোমাৰ লগত থাকিম,
জীৱনৰ প্ৰতিটো সময়
তোমাৰ লগত কটাম,
কিন্তু ইয়াৰ সুযোগ নাপালো।

ক'বলৈ বহুতো আছিল,
ইয়াৰ সুযোগ নাপালো।

◈◈◈◈◈

# প্ৰিয় বন্ধু তোমালৈ

শেখ তাহিৰা হক
স্নাতক মহলাৰ পঞ্চম যান্মাসিক।

মোৰ হিয়াৰ নিভৃত কোনত
বেদনাৰ এটি অনুভৱ লৈ,
কিবা এটা লিখিব খুজিছো
প্ৰিয় বন্ধু তোমালৈ।

আজি কিবা এটা লিখিম বুলি ভাবিছো
কিন্তু কি লিখো মনত নাহে একো কথা,
তোমাৰ বাবে লিখিব লওঁতেই মনত পৰে
তোমাক হেৰুৱাব লগাৰ অপাৰ বেথা।

বিস্মৃতিত বিলীন নোহোৱা স্মৃতিৰ সতে
পাৰিম জানো থাকিবলৈ,
সেয়ে তপত অশ্ৰুবোৰ গালেৰে বৈ যোৱা
মুহূৰ্তত কেই শাৰীমান লিখিছো
প্ৰিয় বন্ধু তোমালৈ।

তুমি আহিছিলা মোৰ জীৱনত
জোনাক ৰাতিত
এটি উজ্জ্বল জোনাকী হৈ,
এতিয়া গুচি যাব বিচাৰিছা
মোৰ জীৱনক
অমানিশা এন্ধাৰত পেলাই থৈ।

নাথাকিম নেকি এনেকৈ
জীৱনৰ শেষ সন্ধিয়ালৈ,
সেয়ে এফাঁকি লিখিছো
প্ৰিয় বন্ধু তোমালৈ।

তোমাৰ লগত পাৰ কৰা মুহূৰ্তবোৰ
পাৰিম জানো পাহৰি থাকিবলৈ,
তোমাৰ লগত হৈ যোৱা হৃদয়ৰ বান্ধোনক
পাৰিম জানো এৰাই থাকিবলৈ।
সেয়া লৈয়ে দিনে নিশাই
ভাৱনাবোৰে কৰি থাকে খেলি মেলি।
সঁচাকৈ পাৰিম জানো?
নোৱাৰিম ছাগে তোমাৰ ভালপোৱাক
তুমি দিয়া মৰমক পাহৰি থাকিবলৈ।
কিজানি, তুমিও উচুপি উঠিবা
মোক মনত পৰিলে
কিন্তু; মই নোৱাৰিম তোমাক পাহৰিবলৈ
সেয়ে এইখনি যাঁচিলো
প্ৰিয় বন্ধু তোমালৈ।

◈◈◈◈◈





# মোৰ দেশ

ছাবিনা ইয়াচমিন
তৃতীয় যান্মাসিক,
ইংৰাজী বিভাগ।

এইখন মোৰ দেশ
সকলোকে কৈ থাকো
মোৰ দেশৰ কথা।

কিমান যে ভাল লাগে
নিজৰ দেশত থাকি।
মেহৰ বান্ধোনেৰে বান্ধি থকা
সকলোকে দেখি।।

আমাৰ দেশৰ বিচিত্ৰতা দেখি
বৰ ভাল লাগে।
বাৰেবৰণীয়া একতা দেখি
আনন্দত মতলীয়া হওঁ।

আমাৰ দেহত আমাৰ বাহুত
আছে বহুত শক্তি।
সেই শক্তিৰে আমি কৰো
আমাৰ দেশৰ ভক্তি।।

যেতিয়া মই মনত পেলাও
দেশ প্ৰেমিকৰ কথা।
দেশপ্ৰেম কৰাটোকেই ভাৱে
ভাৰতীয় মানুহৰ প্ৰথা।।

কেতিয়াবা শত্ৰুক অহা দেখি
বৰ্ণ, ধৰ্ম, ভেদা-ভেদ আতৰি।
আমি শত্ৰুক খেদিম বুলি
অংগীকাৰ কৰো দেশজুৰি।।

আমি ডেকা-ডেকেৰী মাৰ-
বান্ধি
দেশৰ হকে যুজিম।
দেহৰ তেজ দি হলেও
দেশ উদ্ধাৰ কৰিম।

দেশেই আমাৰ জীৱন-মৰণ
দেশেই মহা ধন।
দেশৰ বাবে বাৰে বাৰে মই
কৰিছো মৰণ পণ।।

◈◈◈◈◈

# শৰবিদ্ধ

ৰাহেদা ৰহমান
পঞ্চম যান্মাসিক, অসমীয়া বিভাগ।

বাঢ়ৈটোকা চৰাইৰ দৰে খুঁটি
খুঁটি বাহ সাজিছো
হৃদয়ৰ গোপন কোঠালিত।
আলি দোমোজাত
পোৱা নোপোৱাৰ বেদনাত
চটফটাই আছোঁ মই.......
তথাপিও, আঁকোৱালি লৈছোঁ,
এটি আপোচহীন অনামী আশা।
বাৰে বাৰে দগ্ধ শৰবিদ্ধ
চটফটাই আছোঁ, জীৱনৰ অন্তিম বেলা...
তথাপিও, আঁকোৱালি লৈছোঁ,
এটি আপোচহীন অনামী আশা
বাৰে বাৰে দগ্ধ, শৰবিদ্ধ মই
জীৱনৰ অন্তিম বেলাত
বাৰে বাৰে শৰবিদ্ধ মই,
তোমাৰ দৃষ্টিৰ কি আকুলতা...
মিঠা হাঁহি মাৰি আৰু পৰীক্ষা নল'বা মোৰ
এনেও মোৰ হৃদয়ৰ চাৰিওটা কোঠা
তুমি ভাৰাত লৈ থৈছা।।

◈◈◈◈◈



# হৃদয়ৰ উন্মাদ বান

শ্বাহিদুল ইছলাম
পঞ্চম যান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ।

অভিমানি ৰাতিৰ এন্ধাৰত
তোমাৰ ভাৱনাই,
হৃদয়ৰ দুৱাৰত টুকুৰিয়াইছে।
ধুমুহা হে খিৰিকি ভাঙি
সোমাই আহিব খোজে,
তোমাৰ প্ৰেম, তোমাৰ মৰম
কিন্তু মই.......
মই ভয় পাওঁ
বহু অমূলক চিন্তাত।
কিজানিবা মোৰ ভিতৰত
উমি উমি জ্বলি থকা
চাকিৰ শলিতা অজানিতে নুমাই যায়!
কিজানিবা ঘেৰি ধৰে
ৰাতিৰ নিৰ্জনতাই!
সেয়ে! সেয়ে মই.....
প্ৰতিদিনে মেৰামতি কৰো
হৃদয়ৰ প্ৰতিটো কোঠা,
প্ৰতিটো খিৰিকী দুৱাৰ।
ভেটিবলৈ তোমাৰ
মায়াবী চকুৰ আবেশ,
হৃদয়ৰ উন্মাদ বান।

◈◈◈◈◈





# হৃদয়ত কেৱল তোমাৰেই ছবি

মৰ্জিনা খাতুন
তৃতীয় যান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ।

দয়া নাই মায়া নাই
নিষ্ঠুৰ তোমাৰ মন,
তোমাৰ বাবে আজিও কান্দে
মোৰ এই হৃদয় খন।
য'তে আছা তাতেই থকা
ভালেই থকা তুমি
তোমাৰ মঙ্গল কামনা সদায়
কৰি থাকো আমি।
দুখ-যন্ত্ৰণা ভুগি থাকিলেওঁ
কোনো আপত্তি নাই
তোমাৰ কথা ভাবিয়েই মই
জীৱন দিম কটাই।
সুখ শান্তিৰে ভৰি পৰক
ফুটক তোমাৰ হাঁহি
হৃদয়ত কেৱল তোমাৰেই ছবি
ৰাখি থম আঁকি।

◈◈◈◈◈



# কিতাপ

মহিবুল ইচলাম
তৃতীয় যান্মাসিক, উদ্ভিদ বিজ্ঞান
বিভাগ।

তুমি মোৰ প্ৰিয় বন্ধু
ৰাখিম বুকুৰ মাজত
নজনা কথাবোৰ দাঙি ধৰিবা
সকলো মোৰ আগত।
তোমাৰ মাজতেই লুকাই থাকে
বহুতো উমাল কথা
যিবোৰ পঢ়িলে বৰ ভাল লাগে
মনত নাথাকে ব্যাথা।
মৰমৰ সখীও কেতিয়াবা
এৰি গুচি যায়,
তেতিয়াই মনত পৰি যায়
তোমাৰ কথা।
তুমি মোক উজলাই ৰাখিবা
গোটেই জীৱন জুৰি
তেতিয়াহে মোৰ ভাল লাগিব
মানুহৰ মাজত ফুৰি।

◈◈◈◈◈

# জীয়াই আঁছো

মিৰ্জা ফাইজুৰ ৰহমান
ষষ্ঠ ষান্মাসিক।

মই যে এতিয়াও জীয়াই আছোঁ
মাথো তোমাৰ বাবে
তুমি আহিবা বুলি
গভীৰ নিশা চকুলো টোকো।
তুমি আহিবা বুলি
সাজোন কাচোনেৰে আগবাঢ়ি যাওঁ
তোমাক আদৰিবলৈ।
তুমি সঁচাকৈয়ে কাষত থকা হ'লে
সুখী হলোহেতেন মই!
মনত পৰেণে
সোতৰ ডিচেম্বৰৰ দিনা
তোমাৰ হাতত গুজি দিছিলোঁ
জীৱনৰ সেউজীয়া কবিতাটো।
তুমি আহিবা বুলি
মই যে এতিয়াও জীয়াই আছোঁ।

◈◈◈◈◈



# বাতৰি কাগজ

ওৱাহিদুল ইছলাম
ষষ্ঠ ষান্মাসিক, আৰবী বিভাগ।

বাটৰ কাষত পৰি থকা
নৱজাতকৰ মৃতদেহটো,
কুকুৰ এটাই গিলি থকা
তাৰ কোমল শৰীৰটো,
প্ৰত্যাক্ষিত প্ৰেমিকে
কাটি থোৱা প্ৰেমিকাৰ মূৰটো,
মুণ্ডহীন নাৰীৰ শৰীৰ এটাই
ছটফটাই থকা দৃশ্যটো,
গাজা টানি থকা দুটা ৰিক্সাৱালা
এজনে আনজনক হানি দিয়া ছুৰীখন,
পুলিচ ভ্যান এখনত গৈ থকা
সেই বন্ধুৰ হেণ্ডকাফ লগোৱা হাত দুখন
কমদামি মদ গিলি
কিডনী হেৰুৱা সেই কবিজন,
শ্বাৰাবৰ 'চাকনা' মেৰিয়াই অনা
তেওঁৰ কবিতাৰ পৃষ্ঠাবোৰ
মোৰ ৰাতিপুৱাৰ আহাৰত
এই সমস্তবোৰ ঢালি দিয়া হে বাতৰি-কাকত,
কেৱল হাতত ধৰা ধৰিকৈ গৈ থকা
প্ৰেমিক যুগলৰ বাবে কেতিয়াও নিলিখিবা।

◈◈◈◈◈





# দেখা নাই ভাৰতৰ দৰে

ফাতেমা জিন্না
চতুৰ্থ ষান্মাসিক, আৰবী বিভাগ।

বহুতো দেশ দেখিছো মই
কিন্তু দেখা নাই ভাৰতৰ দৰে।
বহুত মহান মানুহ দেখিছো মই
দেখা নাই কিন্তু গান্ধীজীৰ দৰে।
বহুত ৰাষ্ট্ৰপতি দেখিছো মই
দেখা নাই কালামৰ দৰে।
বহুতো মন্ত্ৰী দেখিছো মই
দেখা নাই নেহেৰুৰ দৰে।
বহুত খেলুৱৈ দেখিছো মই
দেখা নাই শচীনৰ দৰে।
বহুত গায়ক দেখিছো মই
দেখা নাই ভুপেনৰ দৰে।
বহুত দেশ দেখিছো মই
দেখা নাই ভাৰতৰ দৰে।

◈◈◈◈◈



# নিকা সমাজ গঢ়িম

ইলিমা খাতুন
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ।

মই এখন নিকা সমাজ গঢ়িম
যিখন সমাজত নাথাকিব
হত্যা, ধৰ্ষণ, লুণ্ঠন অপহৰণ
য'ত বাজিব সদায়
শান্তিৰ সুমধুৰ গান
মই এখন নিকা সমাজ গঢ়ি তুলিম
য'ত নাথাকিব সন্ত্ৰাসবাদীৰ প্ৰকোপ
মানৱৰূপী দানৱ, ভদ্ৰতাৰ মুখা পিন্ধা
বৰ্বৰ নৰ পিশাচবোৰ।
মই এখন নিকা সমাজ গঢ়ি তুলিম
যিখন সমাজত জনতাৰ মনলৈ কঢ়িয়াই আনিব
অনাবিল আনন্দৰ প্লাৱন।
মই এখন নিকা সমাজ গঢ়ি তুলিম
সমাজৰ যি কোনো কাম
একতাৰে কৰিম
কিয়নো সমাজৰ একতাই হৈছে মান
একতা থাকিলে কেতিয়াও নহয় অপমান।

◈◈◈◈◈

# নিৰ্জন ৰাতিৰ অনুভৱ

জ্যোতিস্মিতা তালুকদাৰ
ষষ্ঠ যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ।



সময়ো যেন স্তব্ধ হৈ পৰে তেতিয়া
মনত পৰে মোৰ আই লৈ,
নিৰ্জন ৰাতি......
কেতিয়াবা ফৰকাল হৈ পৰো,
পূৰ্ণিমাৰ পূৰ্ণ জোনৰ পোহৰেৰে।
আৰু কেতিয়াবা।
অমাৱস্যাৰ কাল আন্ধাৰে
চেপা মাৰিধৰে মোৰ উশাহটো;
মনত পেলাই দিয়ে
আইৰ ভয়াৱহ অতীত তথা মোৰ
শৈশৱ;
জনসমাগমৰ অকলশৰীয়া পৃথিৱীৰ
বক্ষত তেওঁ মোক
কঠোৰ পৰিশ্ৰমেৰেই লালন কৰিছিল।
দুৰ্বাৰ কষ্ট মাথো, জীৱন সংগ্ৰামৰ।
তেওঁৰ উদ্দেশ্য আছিল সৰল
কিন্তু গতিপথ আছিল বৰ জটিল।
তেওঁৰ সপোন মাত্ৰ এটাই মোক মানুহ কৰাৰ।
প্ৰতিটো নিৰ্জন ৰাতিয়েই
মোক মনত পেলাই দিয়ে;
মোৰ আই আৰু লক্ষ্য;
যি লক্ষ্য মাত্ৰ এটাই
মই এদিন মানুহ হ'ম।।

◈◈◈◈◈

# আমাৰ শিক্ষাগুৰু

ছাহিনুৰ খাতুন
স্নাতকমহনা
তৃতীয় যান্মাসিক, কলা শাখা

শিক্ষা গুৰুৱে আমাক শিক্ষাদি
জীৱন কৰিলে ধন্য,
সেয়েহে আমাৰ শিক্ষা গুৰু সকল
সদায়ে দেৱ তুল্য।
নকৰো শিক্ষাগুৰুক
কেতিয়াও অপমান,
পঢ়া-শুনা কৰো সদায়
বহুত সাৱধান।
শিক্ষা গুৰুৱে শিক্ষাৰে আমাক
বিশ্বখন দেখুৱাই দিয়ে,
এখোজ দুখোজ কৰি জীৱন বাটত
আমাক আগুৱাই নিয়ে।

◈◈◈◈◈






২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ তত্ত্বাৱধায়ক সকলৰ একাংশ

বাওঁফালৰ পৰা ক্ৰমে ঃ অধ্যাপক আব্দুল হালিম আহমেদ, (গুৰুখেল বিভাগ), অধ্যাপিকা ৰেহানাৰা আখতাৰ, (তৰ্ক আৰু আলোচনা বিভাগ), অধ্যাপক শামছুল আলম, (সংগীত আৰু সাংস্কৃতিক বিভাগ), অধ্যাপিকা ড° লিপু চহৰীয়া, (সংগীত আৰু সাংস্কৃতিক বিভাগ), অধ্যাপিকা ছেহেনা হালিমা খাতুন, (তৰ্ক আৰু আলোচনা বিভাগ), অধ্যাপক চৌধাৰী কাইয়ুম কবীৰ আহমেদ, (আলোচনী বিভাগ) অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, উপাধ্যক্ষ ব্ৰজ কিশোৰ ছমল, অধ্যাপক সুশীল কুমাৰ সৰকাৰ (ছাত্ৰ একতা সভা), অধ্যাপিকা ড° কাকলি হাজৰিকা (লঘুখেল বিভাগ), অধ্যাপিকা পাপ্পলী বৰা, (গুৰুখেল বিভাগ), অধ্যাপিকা নয়নমণি দেৱী, (আলোচনী বিভাগ) অধ্যাপিকা ড° মালবিকা বাগলাৰী, (ছাত্ৰী জিৰণী কোঠা), অধ্যাপক ড° ধ্ৰুবজ্যোতি দাস, (সমাজ সেৱা বিভাগ)






# প্ৰিয়তমা

আব্দুল ওৱাহিদ
তৃতীয় ষান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ।

তোমাক এৰি কতনো যাম মই?
তোমাৰ দৰে প্ৰিয়, কতনো পাম মই?
তুমি মোৰ দুখৰ মাজত সুখৰ হাঁহি
এন্ধাৰ ৰাতিৰ জোনৰ ৰশ্মি।

চন্দ্ৰক যদি কোনোবাই নমায় আনে এই
ধৰাত,
চন্দ্ৰক এৰি বিচাৰিম তোমাক।
তুমি অবিহনে মই অপূৰ্ণ, অচল,
তুমি মোৰ জীৱনৰ আশাৰ কিৰণ।

যদি বুকু ফালি দেখুৱাব পাৰিলোহেঁতেন
নিজকে তুমি প্ৰত্যক্ষ কৰিব পাৰিলাহেঁতেন,
শিৰাৰ পৰা ধমনীলৈ তোমাৰ চলাচল,
তোমাক এৰি কতনো যাম মই....... ?

◈◈◈◈◈

# জ্ঞানৰ গৰাকী

মহম্মদ আলী
পঞ্চম ষান্মাসিক,
ইংৰাজী বিভাগ।

জীৱ শ্ৰেষ্ঠ মানুহক কৰিছে সৃজন
সেই বাবে আছে স্থান মানুহৰ,
জ্ঞানৰ গৰাকী হৈ সেইজন মানুহে
নকৰে চিন্তা কিয় ঈশ্বৰৰ?
কৰিলেনো কিয় সৃজন বাৰু
এই বিশ্ব-জগত খনক,
সোধোনে কোনেও সেই কথা
কেতিয়াবা নিজক?
জ্ঞান মানুহৰ সম্পদ বৰ আদৰৰ
খটুৱাইনে কোনোবাই কামত?
খাইছে, শুইছে জন্মদিছে সন্তান
আছেনে উদ্‌গতিৰ চিন্তা মনত?
স্ৰষ্টাই সুন্দৰ কৰি কৰিছে সৃষ্টি
সৃষ্টিৰ অপৰূপ নমুনা,
হুহুৱাই কন্দৰাই ভাঙিছে গঢ়িছে,
নুবুজো নিয়তিৰ কঠিন মহিমা।

◈◈◈◈◈

# আমি অসমীয়া

তাৰিফুল ইছলাম
তৃতীয় ষান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ।

অসম আমাৰ জন্ম ভূমি
আছো সকলোৰে আমি
ৰাখিম সকলোৰে মাজত
মিলা প্ৰীতি।

যদি কৰিব বিচাৰো অসমক সুন্দৰ
থাকিব লাগিব সকলোৰে অন্তৰ।
হওঁ আমি অসমীয়া
নকৰো কাকো পৰকীয়া।

হিন্দু, মুছলীম, খৃষ্টান, বৌদ্ধ
আছো আমি ভাই
সুস্থ সৰল মানসিকতাৰে
শান্তি সম্প্ৰীতি বজাই ৰাখি
ভাতৃত্ববোধেৰে আগবাঢ়ি যাম সকলোৰে।

ক'লা-বগা, ধনী- দুখীয়া
কোনো নহয় ঘৃননীয়
অসমীয়া হিচাপে
এয়া আমাৰ সকলোৰে মাননীয়।

◈◈◈◈◈



# বন্ধুৰ সৈতে যাত্ৰা

প্ৰসেনজিৎ ৰবি দাস
২য় বৰ্ষ (বিজ্ঞান শাখা)

আমি আজি যাত্ৰা কৰিলো
বহু দূৰ যাও বুলি
দেখিলো নীল আকাশৰ তলৰ সেউজ ধৰণী
কিমান সুন্দৰ ভাবে আছে জিলিকি
নানা ঠাই নানা গাঁও
তৰুলতা তৃণ ফুলেৰে ভৰা।
অন্তৰংগ বন্ধুৰ লগত হাতত হাত থৈ
প্ৰাণখুলি প্ৰাণৰ কথা কথা কৈ কৈ
গৈ আছো দুয়ো বহু দূৰ বাট কুৰি
বাহ গছবোৰ সজাল ধৰিছে, ক্ৰমে সেউজীয়া হৈছে
ওচৰৰ পুখুৰীবোৰত ফুলিছে পদুম
ভোমোৰাবোৰে কৰিছে গুণ গুণ
অতি সুন্দৰ মনোৰম বাটেৰে গৈ আছো হাতত হাত ধৰি
প্ৰাণৰ বন্ধুৰ সৈতে আগুৱাইছো বহু দূৰ বাট বুলি।

◈◈◈◈◈





# মৰমৰ সখী

মাছুদ আজাহাৰ
পঞ্চম ষান্মাসিক,
অসমীয়া বিভাগ।

কোনেনো হাঁহি হাঁহি
পাহি মেলি দিলে
মলয়াৰ মৃদু বতাহত;
কাৰ বাবে বাট চাই থাকিল
সুগন্ধি প্ৰকাশ কৰি
ভৰা যৌৱনত।
পাখি মেলি পখিলাই
ফুলত বহি চুমা খাই
মৌ পান কৰে পখিলাই;
পিঁয়াহত আত্মহাৰা হৈ
মিলনৰ আশা দূৰত থৈ
উলাহত নাচে মিলন মহিমা গাই।
ৰঙা নীলা পখিলাই
নীৰৱে বহি পৰে ফুলত
মৌ পান কৰে আনন্দত
মৌ পান কৰি কৰি
বুকুত সাৰটি ধৰি
ক'ত ৰস পান কৰে আনন্দত;
মৰমৰ সখী মোৰ
হে আছোঁ অগোচৰে
মুগ্ধ হৈ তোৰেই ৰূপত

◈◈◈◈◈



# নিৰ্জন ৰাতিৰ সাহস

আল ইমৰান খান
চতুৰ্থ ষান্মাসিক,
উদ্ভিদ বিজ্ঞান বিভাগ।

তাই গাভৰু, সুন্দৰ মনৰ
বহুত আশংকা মনত;
গাঁওৰ ছোৱালী সেইবাহে,
সেইবাবেই নিৰ্জন ৰাতিৰ ভয়।
ভয় সেই নৰ পিশাচ কেইটাৰ ওপৰত;
লালসা তাইৰ সুন্দৰ শৰীৰৰ ওপৰত।
মনত বহুত আশালৈ জীয়াই আছে,
নিৰাপত্তা নাই; দিয়া নহয় সম অধিকাৰ;
তাই ছোৱালী, সেইবাবেই হয়তো।
অন্ধবিশ্বাস! অন্ধবিশ্বাসৰ বলি তাই,
হ'ব জানো তাইৰ সপোন পূৰণ?
ইচ্ছা তাইৰ কিবা কৰাৰ দেশৰ বাবে,
কিন্তু সকলোৰে লোলুপদৃষ্টি তাইৰ ওপৰত
নাৰী কি কোনো অধিকাৰহীন বস্তু।
নহয়, কেতিয়াও নহয়। তাই সদায়
মৰ্য্যদাৰ অধিকাৰী।
তাইৰ অধিকাৰ আছে সেই মানুহ কেইটাৰ দৰে
সমাজৰ আইন মানুহৰ দৰে।
তাইৰ অধিকাৰ আছে নিৰ্জন ৰাতিত
অকলশৰে ঘূৰি ফুৰাৰ।

◈◈◈◈◈

# তোমাৰ ভালপোৱা

এম বুল বুল শিকদাৰ
চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ।

তোমাৰ ভাল পোৱা.....
মোৰ এন্ধাৰ চকুৰ পোহৰ
জীৱন নদীৰ দুটি পাৰ
আগুৱাই যোৱাৰ এটি ৰঙীন বাট।
তোমাৰ ভাল পোৱাই
মোৰ সৰগ
মোৰ নিসংগ জীৱনৰ পাথেয়।
বিষাদঘন জীৱনৰ আশ্ৰয় স্থল।
তোমাৰ ভাল পোৱা
মোৰ বাবে তাজমহলৰ কাৰুকাৰ্য
মন্দিৰৰ দেৱতা
মছজিদৰ বিশ্বাস।
তোমাৰ ভাল পোৱা
মোৰ দুওঠৰ হাঁহি
কলি স্বৰূপ গোলাপ পাহি
জীয়াই থকাৰ প্ৰেৰণা
শান্তিৰ এটি নিজৰা।

◈◈◈◈◈

# বোৱতী পানীৰ মই নদী



বৰকত আলী
২য় যান্মাসিক
বিজ্ঞান শাখা।

কল কল শৰদেৰে প্ৰকৃতিৰ মাজেৰে বৈ যোৱা,
কোমল আত্মাময় মই এখন নদী।
মই তটিনী, এইখন ধৰণীৰ একাবেকা ৰেখা।
মই সকলোৰে প্ৰাৰ্থনা শুনো, শুনো আবেলিৰ
আজান।
নিৰ্জন ভূমিৰ মাজেৰে গতি কৰি থাকো।
এয়া মোৰ প্ৰকৃত ৰূপ
কোনেও মোক ৰাখিব নোৱাৰে।
কোনেও মোৰ গতিক ৰুধিব নোৱাৰে।
এয়া মোৰ অদম্য শক্তি।
মোৰ অদম্য শক্তি দেখি প্ৰযুক্তিবিদ আগবাঢ়ে
মোৰ অসীম শক্তিৰ সামান্য লৈ
টাৰ্বাইন ঘূৰাই ৰাতিৰ পৃথিৱীখন আলোকময় কৰি
তোলে।
এয়াই মোৰ অদম্য শক্তি
মোৰ শক্তিৰ কোনো শেষ নাই, সীমা নাই।

◈◈◈◈◈





# নেতাৰ সংস্কাৰ



শোফিউৰ ৰহমান
৩য় যান্মাসিক,
ৰাজনীতি বিজ্ঞান।

আহিল আহিল নিৰ্বাচন আহিল
ওলাল ওলাল বহুতো নেতা ওলাল
বান আহিলে ভেকুলী ওলায়
নিৰ্বাচন আহিলে নেতাবোৰ ওলায়।
অইন সময়ত নাজানে কোনেও, নেদেখে
কোনেও,
ক'তো বিচাৰি পোৱা নাযায়
নিৰ্বাচন আহিলে পথে, বজাৰে চাৰিআলিতে
দেখা পায়।
প্ৰচাৰ কৰে নেতাবোৰে
উন্নতি কৰিম বুলি ৰাইজৰ।
প্ৰাক নিৰ্বাচনত জনগনক সমধি মাতে মা ভাই
ভনী বুলি
নিৰ্বাচনৰ পিছত দেখাহলে ভাও ধৰে তুমি কোন
হয় বুলি।
দুৰ্যোগ আহিলে চিন্তা বাঢ়ে জনগণৰ
তাৰ বিপৰীতে ফুৰ্তি বাঢ়ে নেতাগনৰ।
কিয়নো, দুৰ্যোগ আহিলে আনিব পাৰে জনগণৰ
নামত চৰকাৰী সকাহ
অনাৰ পিছত ভোগ কৰে নিজে প্ৰায়
সকলোখিনি।
হে নৱপ্ৰজন্ম, হে নৱপ্ৰজন্ম
নহবা তেনে ভণ্ডৰাজনীতিবিদ
আৰু আছে এন বহু ৰাজনীতি বিদ
স্বাৰ্থ লাভৰ বাবে কৰে শেষত ধৰ্মৰ
ৰাজনীতি
বিৰোধীতা কৰা তেনে ভূৱা নেতাক।
ভূৱা ৰাজনীতিৰ হাত নধৰিবা
হাত ধৰিবা সৎ ৰাজনীতিকৰ
তেতিয়া হ'ব পাৰিবা সৎ ৰাজনীতিবিদ।
তেতিয়া জনগণে ৰাখিব তোমাত বিশ্বাস
তেতিয়া হ'ব ভাল সমাজ, ভাল দেশ
শান্তিময় হ'ব আমাৰ দেশ।
সেয়েহে আগুৱাই আহা আগুৱাই আহা হে
নৱপ্ৰজন্ম
সৎ নেতৃত্ব আৰু সৎ নেতা হ'বলৈ আগবাঢ়ি
আহা।
সজাগ হোৱা সজাগ হোৱা প্ৰতি মুহূৰ্তত
সজাগ থাকা
নাহিব তেতিয়া তোমাৰ জীৱনলৈ ব্যৰ্থতা
হে নৱপ্ৰজন্ম
আগবাঢ়ি যোৱা ৰাইজৰ সেৱা কৰাৰ
মানসিকতাৰে।

◈◈◈◈◈

# ENGLISH SECTION







# Relevance of SUPW at present social context.

Ramjan Ali
Assistant Professor
Education Department

Modern society is changing rapidly In changing society education has to play a vital role to develop each and every individual. An individual should cope with the completed social phenomena so that one can be able to contribute his/her personal service for better development of social activities. In a democratic country an individual should have some role to build nation. In this regard socially usefu poductive work is utmost need for an individual growth in particular and national growth in general.

Socially useful productive work SUPW in short form is a new term in education. It was in 1979 that the Central Board of Secondary Education introduced it as a curricular component of scheme of school studies, at the various stages, Before that it was known as work experience.

Dr.D.S.Kothari, chairman of the Education Commission ( 1964-66) started his famous report with the word:

'The destiny of India is being shaped in her classroom-----. And that signifies that the future citizens of the country should be in all respects so trained and prepared that they are ready to face all types of challenge in the days to come. They should be able to adjust in the changing society, and for the National Development they should be so prespared by their present Education that they are able to contribute their ideas, in the most effective way.'

The Wardha National Education Conference of 1937 formally approved the scheme of centoring education around some form of manual and productive work and intergrating all other developmental activities of the child around the central handicraft.

Gandhiji intended a clear departure from the almost exclusive emphasis on book learning by first involving the childe in work and activities that prove devel

opmental, and secondly requiring every child to work forgetting the distinction between the work with hand and that of the 'work with head', labouring class and the white collar class.

It had the theme Education and National Development like Gandhiji Dr. D S Kothari also considered education as an instrument for change and for rejuvenating the country. The Education Commission Report introduced 'Work Experience' as a caurricular component of education at all stage in school. The aim was to provide a link between the classes and the masses, while enabling education to contribute to national productivity.

The new name added a new facet, and gave stress to the social aspect, which did not exit in 'Work Experiences' ' Socialisation' of the individual personal development and national development and promotion of national intergration, now become the objective of the new policy of education with SPUW as its meduim.

SPUW may be described as a purposive meaningful, manual work designed to prepare the pupils for producing either goods or services which are useful to the community. Purposive, productives work and services related to the needs of the child and community will prove meaningful to the learners.

Some social activites can be done properly with help of SUPW. We should do following activites through SUPW.

**1. Productivity through SUPW:**

Indians are known for low productivity. Our farmers who constitute 85% of our population, are lazy and after sowing operations, they do very little for the crops. They depend on the mercy of rain God. They are fatalists and look to the good weather for good crops. Weeds, insects , rats, laif storms, fire and thieves are their total enemies and they do hardly any thing for the above. The result is low yields of almost average varieties.

Through SUPW students are exposed to the various ways of agriculture, new cropping schemes, techniques implements, seeds, varieties, fertilizers and marketing the produce to obtain maximum gains.

**2. Understanding and SUPW:**

The criticism of our education is mainly because it does not develop understanding in the students. They listen, store and emit knowledge without assimilating it. They obtain marks, but are hardly in a position to make work in their lives. But SUPW establishes linkages between the school subjects and activities, as well





as the schmes of developmental planning and between life and realities. It restores meaning to education, and adds a dimerspon of depth to the shallow and meanigless ways of education, which is commonaly being imparted to our institutions.

**3. Technology under SUPW:**

Education is preparation for future life. Todays students are the citizen for the 21st century when they will live their adult lives. How to improve the tools, techniques, processes and how to face the challenges of a progrssive society based on technology, all comes under the area of SUPW. Under the SUPW activites they are give traning to test their knowledge gained. Suggessions improvements, ideals , resources and model are freely available in the groups and thus the students are nicely prepared for the future.

**4. Community work and SUPW:**

Education is the means of inculcating an individual into one's land one's people and one's culture. Only after understanding one's own culture, can one appreciate and accept what is good in other cultures. As a citizen, one should have place to stand on one's own country, a people to stand with one's own culture.

India is a multi dimentional and multi linguistic nation. Hence all people should stand unifed for in respect of community development and social services. This will be possible only by community participation and SUPW projects.

Indian, above 50% of our papulation live below the provertyline, and this can be better felt by associating students with community projects and allowing their participation in these schems of their improvement and help.

It has to be mentioned that in mills and factories also, small batches of students methods of working and improving the production. In servicing training can also be arranged later for the students. Thus they continue to gain in sights into the working of the farms and factions. This kind of training under SUPW, later yields good return and adds to the productivity of the nation.

◈◈◈◈

# Gleanings from Dr, Sarvepalli Radhakrishnan's life

Ajmot Ali
Assistant Professor
Deptt. of Philosophy

* Dr. Sarvepalli Radhakrishnan's father did not want his s on to learn English; instead, he wanted him to become a priest. However, his talent was so outstanding that he was sent to school of Tirupali and then Vellore.

* Radhakrishnan was drawn into the field of Philosophy by accident when his cousin passed him his textbooks. But by his confidence, concentration and strung convictions he went on to become a great philosopher.

* During his M A degree, he prepared a thesis on the topic "The ethics of the Vedanta and its Material presupposition". Radhakrishnan's thesis was considered a reply to the notion that Vedanta System had no room for ethics. Later, his thesis was published in 1908 as his first book titled "The ethics of the Vedanta and its material presupposition". This established his fame as a great philosopher of undoubted ability.

* Paul Artur schillp an American educat or called Radhakrishnan **"a living bridge between the east and the west"** because he very gracefully interpreted Indian thought in western terms. He proved the world that Indian thoughts were imbued with reason and logic. By doing so, he was able to give Indians a new sense of esteem.

* Being the vice President of India, Dr. Sarvepalli Radhakrishnan presided over the sitting of Rajya Sabha In case of fierce arguments among the members, he used to start receitig slokas from Sanskrit classics or Bible to pacify the situation.





On this then prime minister Jawaharlal Neheru commented that "By the way in which Radhakrishnan conducted the proceedings of the Rajya Sabha, he had made the meetings of the house look like family gatherings.

* In 1975 just a few months before his death, Radhakrishnan won the Templeton prize for promoting the notion of "a universal realitity of God that embraced love and wisdom for all people". However he donated the entire prize money to the Oxford university.

* In the memory of the most humble professor Dr. Sarvepalli Radhakrishnan Oxford University has set up a scholarship called "Radhakrishnan Chevening Scholarship"

* The famous British philosopher Bertrand Russell welcomed Dr. Radhakrishnan as the next president of India. On this occasion, he said "It is an honor to the philosophy that Dr. Radhakrishnan should be president of India and I, as a philosopher take special pleasure in this. Plato aspired for philosophers to become kings and it is a tribute to India that she should make a philosopher her president".

* His students loved and respected him so exceptionally that when he was appointed as a professor in the University of Calcutta and was leaving Mysore University, he was escorted in a flowers decked carriage pulled by his students.

◈◈◈◈◈

* The carrier open to the telent-

Nepolion

* Anyone can become angry that is easy, But to be angry with the right person, to the right degree, at the right time, for the right purpose and in the right way that is not easy-

Aristotle

# MOOCs with special reference to SWAYAM and CBCS system of Education

Merina Ahmed
Librarian, Nabajyoti College

## Introduction:

Massive open online courses (MOOCs) are one of the most prominent trends in higher education in recent years. India has started various projects for offering MOOC courses; SWAYAM plays a major role among them. SWAYAM is a programme initiated by Government of India. The online education has seen emergence of the concept of Massive Open Online Course (MOOC).Nowadays, MOOC is the most popular way used to offer online courses, globally. The term MOOC was coined in 2008 by Dave Cormier to describe the Connectivism and Connective Knowledge course.Present education sector of India has been boosted by the MOOCs. India is a multi lingual and multi cultural country with different geographical areas which cannot be over looked. Hence, Govt.of India is very fortunate to launch the SWAYAM- the online education system and it is the high time for the institutions and universities of India to use the SWAYAM platform.Therefore, based on all this things a study is required to know the different areas of development of SWAYAM.

## MOOCs in Indian perspective:

In 2013, government launched e-PG Pathshala run especially for postgraduate course and it is managed by INFLIBNET of UGC. It is more of a repository of e-content and assessment than MOOCs. India is among the leading countries in terms of enrolments in courses offered by many popular MOOC providers including edX, Coursera, and Udacity. Many initiatives have been taken by the Indian





government to provide and support the concept of open education. Initially, the objective was to provide open resources in terms of repositories, libraries, educational media files, e-books, etc. These were made accessible for everybody. Some of the efforts in this direction started as National Digital Repository of IGNOU, Sakshat providing e-content, Shishya for XI-XII Standards by CBSE Board, and VidyaVahini integrating IT into the curriculum of rural schools by providing interactive training and developmental communication. Top institutes (IITs,IIMs, IISC) and authorities (UGC, AICTE, MHRD)have always been involved in the initiative of serving quality education to learners in India including traditional as well as the online education. Some of projects serving currently for providing online education are NPTEL, mooKIT offered by IIT Kanpur, and IITBX of IIT Bombay. But the emergence of SWAYAM in India can be treated as the first platform which truly shares all the features of MOOCs.

## History of SWAYAM:

SWAYAM (Study Webs of Active-Learning for Young Aspiring Minds) The soft launch of "SWAYAM MOOCs" Platform was held on 15th August, 2016 and after completion of first phase of the Project, the Platform has been declared "go live" w.e.f. 16th November, 2016. SWAYAM-MOOCs project is intended to address the needs of school level 9-12 to Under Graduate and Post Graduate students, covering all disciplines. The SWAYAM Platform is indigenously developed by Ministry of Human Resource Development (MHRD) and All India Council for Technical Education (AICTE) with the help M/s. Microsoft Corporation India (Pvt.) Ltd. (MCIPL) for hosting Massive Open On-line Courses (MOOCs) to achieve three cardinal principles of Education Policy access, equity, and quality. This would provide the best quality education to more than three crore students across the country. SWAYAM seeks to bridge the digital divide for students who have hitherto remained untouched by the digital revolution and have not been able to join the mainstream of the knowledge economy.

## SWAYAM and CBCS

Understanding the importance of MOOCS courses in Indian context, Gov

ernment of India through its Gazette Notification 'The Gazette of India" has clearly notified for certain specific provision for SWAYAM through UGC regulation for Credit Framework for Online Learning Courses through SWAYAM Regulation, 2016 dated 19th July, 2016 (UGC:2016). The CBCS will enable students to take courses of their choice, learn at their own pace, undergo additional courses and acquire more than the required credits, and adopt an interdisciplinary approach to learning. According to the regulation

1."These shall apply to all universities established or incorporated by or under a Central Act, a Provincial Act, or a State/Union Territory Act and all institutions recognized by or affiliated to such Universities and all institutions deemed to be Universities under Section 3 of the UGC Act, 1956".

2. "These shall further apply to the transfer of credits of such students who are enrolled as regular/part-time students in any educational institution in India". The notification further stressed that the SWAYAM courses will supplement the institutions who lacks suitable teaching staff for a particular subject/course. It also reflects that students can opt for those elective subjects which are not available under the institutions. And the important point is reflected from the notification that, the SWAYAM courses will be supplement the teaching and learning process of the institution.

## Evaluation and Certifications in SWAYAM

One of the unique features of the SWAYAM courses offered is that it not only provides the platform for e-learning but also it has the provision for certification. The important provision that has been reflected in the UGC regulation for Credit Framework for Online Learning Courses through SWAYAM Regulation, 2016 is that after the completion of the evaluation of the students through the examination the following points will be followed- The final marks/grade shall be communicated to the students as well as the parent institution of the student, within 4 weeks from the date of completion of the final examination.

"The parent Institution shall, incorporate the marks/grade obtained by the student, as communicated by the Host Institution through the parent institution of



'নৱজ্যোতি' একত্রিংশতিতম্ সংখ্যা, ২০১৮-১৯ ইং বৰ্ষ

the SWAYAM course in the marks sheet of the student that counts for final award of the degree/diploma by the University with the provision that the programs in which Lab/Practical Component is involved, the parent institution will evaluate the students for the Practical/Lab component and accordingly incorporate these marks/grade in the overall marks/grade".

## ARPIT and SWAYAM

Today SWAYAM not only covers the area of formal education but also it has too emerged as a platform for Continue education programme. For example the continue education programmee for teachers of higher educational institutions ARPIT (Annual Refresher programme in Teaching) is being launched on 13th November, 2018 through the SWAYAM platform. Even UGC has clearly notified that the courses completed under ARPIT will be equivalent to one Refresher course for the career Advancement Schemes (CAS) of the teachers and other academic staff of the higher educational institutions (UGC, 2018).

## Conclusion:

The introduction of SWAYAM as MOOCs courses has brought a great revolution in the education scenario of India. The SWAYAM is implemented after having a great mission,vision, aims and objectives. The different regulations which are notified from time to time by UGC further depicts that online education in Indian context is the need of the hour which cannot be denied. The challenges identified from the study can be easily overcome if we properly use the different opportunities which are identified in the study. Tracing the different development in the field of online education and examination, it is presumed that in future the SWAYAM will add many other new features which will further boost the entire education scenario in Indian context.MOOCs in Indian platform has great future considering its relevance and prospects.There will be another milestone in the field of higher education if MOOCs courses are implemented properly with appropriate guidelines. Different educational institutions across the country should come together to work for a common goal for enhancing the online education. Today, Digital India is the power of nation which cannot be compromised in any

sector. Although Classroom education is the basis of the present education system but at the same time the world goes beyond the physical boundaries which demands for 24 X 7 hours education and MOOC's is the best answer for that.

**References:**


Chakravarty,Rupak. (2016): "MOOCs in India: Yet to shine".International Journal of Information Studies and Libraries. Volume 1, No.1,2456-1827

Chauhan, Jyoti.(2017):"An Overview of MOOC in India". International Journal of Computer Trends and Technology.Volume49,No.2,2231-2803

Hiremath, Rahul.(2017):" SWAYAM:The dream of Indian MOOC".IJARIIE.Volume 2, No.3, 2395-4396

INFLIBNET (2018). Retrieved fromhttps://www.swayamprabha.gov.in/index.php/about.

UGC (2016). Retrieved from https://www.ugc.ac.in/pdfnews/4064990_UGC-(Credit-Framework-for-Online-Learning-Courses-through-SWAYAM)-Regulation,-2016.pdf

UGC (2018). Retrieved from https://www.ugc.ac.in/pdfnews/4803089_UGC-Letter-reg-ARPIT.pdf

UGC (2018). Retrieved from https://www.ugc.ac.in/pdfnews/7553683_Online-Courses-or-ProgrammesRegulations_2018.pdf


◈◈◈◈◈

* The world suffers not because of violence of bad people, but by the silence of the good people.

Nepolion.

* Action may not always bring happiness, but there is no happiness without action-

Benjamin Disrali.



## নৱজ্যোতি মহাবিদ্যালয় পৰীক্ষা নিয়ন্ত্ৰণ কোষৰ বিষয়ববীয়া সকলৰ একাংশ



বাওঁফালৰ পৰা ক্ৰমে ঃ অধ্যাপক আবু বক্কাৰ ছিদ্দিক, অধ্যাপক আজিজুৰ ৰহমান দেৱান অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, অধ্যাপক আব্দুল কুদ্দছ আহমেদ

## নৱজ্যোতি মহাবিদ্যালয়ৰ অন্তৰ্গত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় শাখাৰ বিষয়ববীয়া সকলৰ একাংশ



বাওঁফালৰ পৰা ক্ৰমে ঃ জাহিদুল ইছলাম মোল্লা, (এল.ডি.এ), অধ্যাপক সুশীল কুমাৰ সৰকাৰ, (সমন্বয়ক), অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, (কেন্দ্ৰ তত্বাৱধায়ক) অধ্যাপিকা ড° নিতু চহৰীয়া, (সদস্যা)

আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগ আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত জনীয়া সমষ্টিৰ লাচাঙ্গা আৰু গুইলেজা গাৱৰ খোৱাপানীৰ পৰা আৰ্চেনিক পৰিশোধন কৰিব পৰা ' আৰ্চিৰণ নিলগণ ' প্ৰকল্প সংস্থাপন কৰা পৰিয়াল সমূহৰ একাংশ





# Communication in Social Networking Sites : It's Impact on Youths.

Dr. Kakali Hazarika
Assistant Professor
Department of Economics

**Introduction :**

Internet is giving everyone endless supply of knowledge and entertainment. It makes the world like a small town where information can be shared as fast as throughts. In the past, it would take days and sometimes even months to receive a letter from someone else. Today, the internet has solved the problem and messages can be forwarded within a fraction of minutes. Today, if one needed a rented house and did a search for it in internet; he would be given a huge number of it in his area. Internet banking gives us access to bank account to view blance, make transactions, and send money. Online shopping is another popular function of the internet. In today's busy life; internet gives everyone access to an endless supply of entertainment, with access to watch videos watch movies, listen to music ; and even play games online. But; the use of internet can be very addictive. Making friends or finding old friends in internet through social networking site is very popular among youths. Howerevr ; this has many adverse impacts too. The students become victims of social networks more often than anyone else. This is because of the reason that when they are studying or searching their course material online, they get attracted to these sites which drivert their attention from their actual work. In this paper an attempt is made to highlight the impacts of social networking sites on youths.

